NIPUN AXOM G2L-1

অসমীয়া

# শিক্ষকৰ হাতপুথি

## বুনিয়াদী সাক্ষৰতা

(দ্বিতীয় শ্ৰেণীৰ শিক্ষকৰ বাবে)



প্ৰস্তুতকৰণ

ৰাজ্যিক শিক্ষা গৱেষণা প্ৰশিক্ষণ পৰিষদ, অসম

সমগ্ৰ শিক্ষা অসমৰ সহযোগত

**SHIKSHAKAR HAATPUTHI (Grade II):** A handbook for class II Teachers in Assamese, developed and reviewed by SCERT, Assam through workshops.

---

**ALL RIGHTS RESERVED:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles, reviews or research papers) may be made without written authorization from the SCERT, Assam.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০২৩

প্ৰকাশক ঃ

মুদ্ৰণ ঃ

# Minister's Message

# আগকথা

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০-এ বুনিয়াদী স্তৰত সাক্ষৰতা আৰু সাংখ্যিকতাবোধৰ বিকাশৰ বাবে এক ৰাষ্ট্ৰীয় অভিযানৰ পোষকতা কৰিছিল। ইয়াৰ ফলস্বৰূপে ২০২১ চনৰ ৫ জুলাই তাৰিখে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ দ্বাৰা 'নিপুণ ভাৰত' অভিযান ঘোষণা কৰা হয়। এই অভিযানৰ আধাৰত ২০২১ চনৰ ১৬ নৱেম্বৰ তাৰিখে অসম চৰকাৰে 'নিপুণ অসম' নামেৰে উক্ত অভিযান আমাৰ ৰাজ্যত আৰম্ভ কৰে। এই অভিযানৰ লক্ষ্য হৈছে, প্ৰাক্-প্ৰাথমিক স্তৰৰ পৰা তৃতীয় শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্ধাৰিত শিকন ফলাফলসমূহ আয়ত্ত কৰিব পৰাকৈ সক্ষম কৰি তোলা।

সেয়েহে এই অভিযানে বুনিয়াদী স্তৰত শিক্ষাৰ্থীসকলৰ মৌখিক ভাষাৰ বিকাশৰ লগতে ধ্বনি আৰু বৰ্ণৰ সমন্বয়ৰ সঠিক জ্ঞানৰ ধাৰণা, পঠন আৰু লিখনৰ দক্ষতা আহৰণত অধিক গুৰুত্ব প্ৰদান কৰিছে।

'নিপুণ অসম'ৰ লক্ষ্যত উপনীত হ'বলৈ সমগ্ৰ শিক্ষা, অসম আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ তত্ত্বাৱধানত প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ আকাংক্ষিত শিকন ফলাফল আয়ত্ব কৰাতো সুনিশ্চিত কৰিবৰ বাবে পদ্ধতিগতভাৱে কিছু শিকন সমল প্ৰস্তুত কৰি উলিওৱা হৈছে। ছাত্ৰ-ছাত্ৰী বাবে কাৰ্যপত্ৰ বিগবুগ, কবিতাৰ পোষ্টাৰ, কথোপকথন চাৰ্ট, বৰ্ণাৱলী জাল, বাক্য কাৰ্ড, চিত্ৰ কাহিনী আদি প্ৰস্তুত কৰি উলিওৱা হৈছে যাতে এই সমলসমূহৰ জৰিয়তে শিশুসকলৰ শিকনত বিশেষকৈ ধ্বনি, বৰ্ণ, শব্দ, বাক্য যুক্তাক্ষৰ আদিৰ জ্ঞান আহৰণৰ লগতে পঠন আৰু পাঠোদ্ধাৰৰ কৌশল আয়ত্ব কৰাত সুবিধা হয়। শিশুসকলৰ বিভিন্ন ক্ৰিয়া-কলাপসমূহ যেনে - ধ্বনি আৰু বৰ্ণৰ সমন্বয়, সাধু কথন, কথোপকথন, ভংগীমা গীত, পদ্য, সাঁথৰ, গীত, খেল, যুক্তাক্ষৰৰ জ্ঞান ইত্যাদি শিকন ফলাফলক ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। এই ক্ৰিয়া-কলাপসমূহ শিশুসকলে শিক্ষকৰ সহায়ত আৰু নিজাববীয়াকৈ কৰিবলৈ চেষ্টা কৰিব। এই সমলসমূহ যথোপযুক্তভাৱে ব্যৱহাৰ কৰিবৰ বাবে শিক্ষকৰ বাবে এই হাতপুথিখন প্ৰস্তুত কৰি উলিওৱা হৈছে।

এই হাতপুথিখন প্ৰস্তুত কৰি উলিয়াবৰ বাবে অবদান আগবঢ়োৱা নিপুণ অসম মিছনৰ ৰাজ্যিক সমল গোটৰ সদস্য সকলক মই অশেষ ধন্যবাদ জনাইছোঁ। এই সমলসমূহৰ প্ৰস্তুতকৰণৰ বিভিন্ন দিশসমূহত ৰাজ্যিক সমল ব্যক্তিসকলক অবিৰতভাৱে সমৃদ্ধ কৰি প্ৰস্তুতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটোত আৰম্ভণিৰ পৰা শেষলৈ অবদান আগবঢ়োৱা Language and Learning Foundation (LLF) ক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আশা কৰিছোঁ বুনিয়াদী সাক্ষৰতাৰ শিক্ষকৰ এই হাতপুথিখনে শিক্ষকসকলক যথেষ্ট উপকৃত কৰিব। সদাশয় ব্যক্তি, অভিভাৱক, শিক্ষক আৰু প্ৰতিজন নাগৰিকৰ সুস্থ প্ৰতিপুষ্টিয়ে এই সমলসমূহৰ মান অধিক উন্নত কৰাত সহায় কৰিব।

নিৰদা দেৱী

সঞ্চালক

**ড° নিৰদা দেৱী**

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী- ৭৮১০১৯

# সূচীপত্ৰ


| ক্ৰমিক সংখ্যা | বিষয়বস্তু | পৃষ্ঠা নং |
|---|---|---|
| ১ | শিক্ষকৰ হাতপুথিৰ ব্যৱহাৰ | ৩ |
| ২ | নিপুণ অসম মিছন | ৪ |
| ৩ | শিশুৰ শিকনৰ পৰিকল্পনা | ৫ |
| ৪ | শিশুৰ শিকনত বিদ্যালয়ৰ ভূমিকা | ৬ |
| ৫ | শিক্ষণ-শিকনৰ কেইটামান বুনিয়াদী নীতি | ৭ |
| ৬ | ভাষা শিক্ষণৰ সন্তুলিত পদ্ধতি | ৮ |
| ৭ | ভাষা শিক্ষণৰ বাবে ব্যৱহাৰ কৰিব লগা সামগ্ৰীৰ বৰ্ণনা | ১১ |
| ৮ | সাপ্তাহিক পৰিকল্পনা | ১৫ |
| ৯ | দ্বিতীয় শ্ৰেণীত ক্ৰিয়া-কলাপবোৰ কেনেদৰে পৰিচালনা কৰিব ? | ৩৬ |
| ১০ | মৌখিক ভাষাৰ বিকাশ | ৩৭ |
| ১১ | সামাজিক আৰু আবেগিক বিকাশ | ৪৫ |
| ১২ | মৌখিক খেল আৰু ক্ৰিয়া-কলাপ | ৪৭ |
| ১৩ | মৌখিক ভাষাৰ লগত জড়িত লিখন ক্ৰিয়া-কলাপ | ৪৯ |
| ১৪ | পাঠোদ্ধাৰ (ডিক'ডিং) আৰু ইয়াৰ সম্বন্ধীয় লিখন ক্ৰিয়া-কলাপ | ৫০ |
| ১৫ | পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ | ৫৬ |
| ১৬ | পঠন ক্ৰিয়া-কলাপ | ৫৮ |
| ১৭ | মূল্যায়ন | ৬৬ |
| ১৮ | অভিভাৱকৰ ভূমিকা আৰু সহযোগ | ৭০ |
| ১৯ | ছপা-সমৃদ্ধ থকা বাতাবৰণ/পৰিৱেশ | ৭২ |
| ২০ | শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা | ৭৪ |
| ২১ | টোকা | |

# হাতপুথিখনত প্ৰয়োগ কৰা চিহ্ন সমূহৰ বিৱৰণ



পৃষ্ঠা নং


দিন, পাঠ, ক্ৰিয়া-কলাপৰ উদ্দেশ্য


শিক্ষণ-শিকন পৰিকল্পনা।


ক্ৰিয়া-কলাপৰ স্তৰ


সাপ্তাহিক মূল্যায়ন (মই শিকিলোঁ)


পুণৰাবৃত্তি


ক্ৰিয়া-কলাপ


মৌখিক ভাষাৰ বিকাশ আৰু লিখন



পাঠোদ্ধাৰ


পঠন


নিৰ্ধাৰিত সময়


শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণ/অতিৰিক্ত কাৰ্য (কাৰ্যপত্ৰ)


প্ৰস্তুতি আৰু সামগ্ৰী


মন কৰিবলগীয়া কথা


শিক্ষক আৰু শিশুৰ কথোপকথন



সাপ্তাহিক পৰিকল্পনা

# শিক্ষকৰ হাতপুথিৰ ব্যৱহাৰ

ভাষা শিক্ষকৰ শিক্ষণ কাৰ্য অধিক সুচল কৰিবলৈ শিক্ষকৰ হাতপুথিখন প্ৰস্তুত কৰা হৈছে। এই হাতপুথিখনত "সন্তুলিত ভাষা শিক্ষণ পদ্ধতি"ৰ অন্তৰ্গত শিক্ষণ প্ৰক্ৰিয়াৰ বিভিন্ন ক্ৰিয়া-কলাপৰ বিষয়ে (কি, কিয় আৰু কেনেকৈ) বহলাই ব্যাখা কৰা হৈছে। শ্ৰেণীকোঠাৰ শিক্ষণ প্ৰক্ৰিয়াত শ্ৰেণীৰ ব্যৱস্থাপনা, শ্ৰেণীৰ পৰিৱেশ, অভিভাৱকৰ ভূমিকা আদিৰ বহু গুৰুত্ব আছে। সেইবাবে এই দিশবোৰো হাতপুথিখনত অন্তৰ্ভুক্ত কৰা হৈছে।

**শিক্ষকৰ হাতপুথিৰ মুখ্য উদ্দেশ্য ঃ**

শিক্ষা বৰ্ষৰ বাবে নিৰ্ধাৰিত কৰা শিকন ফলাফল সমূহৰ ওপৰত শিক্ষণ কাৰ্য কৰাৰ কৌশল, শিকন ক্ৰিয়া-কলাপ আৰু সামগ্ৰীৰ ব্যৱহাৰ আদি দিশবোৰ শিক্ষকক অৱগত কৰাৰ উদ্দেশ্যে হাতপুথিখন প্ৰস্তুত কৰা হৈছে। এই হাতপুথিখনত এই দিশবোৰ বিস্তৃত ভাৱে ব্যাখ্যা কৰা হৈছে।

**হাতপুথিখনৰ ব্যৱহাৰনো সঠিকভাৱে কেনেকৈ কৰিব পাৰি ? আহক আমি বুজি লওঁ ঃ-**

**হাতপুথিখনৰ বিষয়বস্তু বুজোঁ আহক ঃ-**

হাতপুথিখন এবাৰ ভালদৰে পঢ়ি ল'ব । হাতপুথিখন পঢ়াৰ সময়ত নিজৰ বাবে অৱশ্যে টোকা প্ৰস্তুত কৰি ৰাখিব। শিক্ষণ প্ৰক্ৰিয়া চলি থকা সময়ত, শিক্ষণ প্ৰশিক্ষণ আৰু কৰ্মশালাৰ সময়ত এই হাতপুথিখন ব্যৱহাৰ কৰিব।

পৃষ্ঠা ৩ ৰ পৰা ১০ লৈ

হাতপুথিখনৰ নীতিমূলক অংশখিনি প্ৰথমে পঢ়ি ল'ব যাতে ক্ৰিয়া-কলাপখিনি কৰিবলৈ সহজ হয়। এই অংশত কাৰ্যক্ৰমৰ প্ৰেক্ষাপট আৰু নীতিবোৰৰ বিষয়ে বহলাই জনোৱা হৈছে।

**কাৰ্যক্ৰমৰ লক্ষ্য আৰু ভাষা শিক্ষণৰ কৌশল বুজোঁ আহক ঃ**

এই অংশত এই বৰ্ষৰ বাবে নিৰ্দ্ধাৰিত কৰা শিকনফলাফলসমূহ, বাৰ্ষিক আৰু সাপ্তাহিক পৰিকল্পনা, প্ৰয়োজনীয় সামগ্ৰী আদিৰ বিষয়ে কোৱা হৈছে। ইয়াৰ আধাৰতে দৈনিক পৰিকল্পনা সমূহ প্ৰস্তুত কৰা হৈছে।

**শ্ৰেণীকোঠাত শিক্ষণৰ বাবে দৈনিক পৰিকল্পনা আৰু শিক্ষণ সম্বন্ধীয় ক্ৰিয়া-কলাপঃ**

পৃষ্ঠা ৩৪ ৰ পৰা ৬৪ লৈ

এই অংশটো শিক্ষকৰ হাতপুথিৰ এটা অবিচ্ছেদ্য অংশ। এই অংশটো প্ৰথমে বুজি লৈ পাছত শিক্ষণ প্ৰক্ৰিয়াৰ সময়ত দৈনিক পৰিকল্পনা আৰু ক্ৰিয়া-কলাপ ব্যৱহাৰ কৰিব

- দিনটোৰ আৰম্ভণিতে প্ৰথমে সেই দিনটোৰ দৈনিক পৰিকল্পনাখিনি চাব।
- পৰিকল্পনা অনুসৰি প্ৰতিটো ক্ৰিয়া-কলাপৰ বাবে আৱশ্যকীয় সামগ্ৰী আগতিয়াকৈ মজুত ৰাখিব।
- ক্ৰিয়া-কলাপ সম্পাদন কৰাৰ বাবে শিক্ষণ-শিকন পৰিকল্পনা অনুসৰণ কৰিব।
- ক্ৰিয়া-কলাপ কৰাৰ সময়ত আৰু ক্ৰিয়া-কলাপ কৰাৰ শেষত অবিৰত মূল্যায়ন নিশ্চয় কৰিব।
- শেষত শিক্ষকে সাপ্তাহিক পৰিকল্পনা তালিকাৰ ট্ৰেকাৰত নিজৰ চহী আৰু তাৰিখ লিখিব।

**মূল্যায়ন আৰু পুনৰাবৃত্তি ঃ**

পৃষ্ঠা ৬৫ ৰ পৰা ৬৮ লৈ

এই অংশটোত শিশুসকলৰ শিকন স্তৰৰ মূল্যায়নৰ কৌশলৰ বিষয়ে কোৱা হৈছে আৰু মূল্যায়নৰ পাছত প্ৰয়োজন অনুসৰি শিক্ষকে কি ধৰণে নিদানমূলক কাৰ্য আৰু পুনৰাবৃত্তি কাৰ্য কৰিব লাগে, তাৰ বিষয়ে টোকা দিয়া হৈছে।

**ছপা-সমৃদ্ধ পুনৰাবৃত্তি শ্ৰেণীকোঠা, শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা আৰু অভিভাৱকৰ সহযোগিতা ঃ**

পৃষ্ঠা ৬৯ ৰ পৰা ৭৩ লৈ


ইয়াত শিক্ষণ প্ৰক্ৰিয়া ফলপ্ৰসূ কৰিবলৈ শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা আৰু ছপা সামগ্ৰী সমৃদ্ধ পৰিৱেশ সৃষ্টিৰ বিষয়ে কোৱা হৈছে। ইয়াৰ উপৰি শিশুসকলে বিদ্যালয় আৰু ঘৰত কৰা শিকন কাৰ্যত অভিভাৱকৰ কি ভূমিকা হ'ব পাৰে, এই কথাও ইয়াত উল্লেখ কৰা হৈছে।

- শ্ৰেণীকোঠাত প্ৰৱেশ কৰাৰ আগতে পূৰ্ব পৰিকল্পনা আৰু ক্ৰিয়া-কলাপৰ ধৰণবোৰ এবাৰ পঢ়ি ল'ব।
- যদি হাতপুথিখনৰ কোনো দিশৰ ওপৰত আপোনাৰ কোনো প্ৰশ্ন থাকে, তেতিয়াহ'লে আন সমল ব্যক্তিৰ সৈতে আলোচনা কৰি সমস্যা নিৰাময় কৰি ল'ব।

# নিপুণ অসম মিছন

## ২০২৬-২৭ বৰ্ষলৈ নিপুণ অসম মিছনৰ লক্ষ্য ঃ

নিপুণ ভাৰতৰ অনুৰূপভাবে নিপুণ অসম মিছনৰ ৰূপায়ন বৰ্ষত কেইটামান দীৰ্ঘকালীন লক্ষ্যত উপনীত হ'বৰ বাবে আঁচনি প্ৰস্তুত কৰা হৈছে। এই দীৰ্ঘকালীন লক্ষ্যসমূহ ২০২৬-২৭ত উপনীত হোৱাৰ লক্ষ্যৰে ৰাজ্যজুৰি 'মিছন মুড'ত' কাম আৰম্ভ কৰা হৈছে। নিপুণ অসম মিছনৰ মূল লক্ষ্যসমূহ হৈছে এনেধৰণৰ—




### বোধসহ পঠন ঃ

বুনিয়াদী সাক্ষৰতাৰ মুখ্য লক্ষ্য সমূহৰ এটা হৈছে 'বোধসহ পঠন'। শিশুৱে যেতিয়া এটা পাঠ পঢ়ি তাৰ অৰ্থ বুজি পায়, তেতিয়া ধৰি লোৱা হয় যে শিশুটোৱে বোধসহ পঠন কৰিছে। বোধসহ পঢ়িবলৈ প্ৰয়োজন হোৱা কেইটামান ক্ৰমিক মুখ্য দিশ হৈছে ঃ ধ্বনি সজাগতা, বৰ্ণ চিনি পোৱা, পাঠোদ্ধাৰ আৰু পঠন। এই দিশসমূহত সফলতাৰে উপনীত হ'বলৈ এক সঠিক পৰিকল্পনাৰ প্ৰয়োজন।



### লিখন ঃ

বোধৰ সৈতে পঢ়াৰ লগত লিখনৰ কৌশল আয়ত্ব কৰাও বুনিয়াদী সাক্ষৰতাৰ এক মহত্বপূৰ্ণ লক্ষ্য। শিশু এটাই বুজি লিখিব পৰা কৌশল আহৰণ কৰিবলৈ হ'লে তেওঁ ক্ৰমে উদীয়মান লেখন, চাই-চাই লিখা, সৰল লিখন আৰু সৃজনীমূলক লিখন ইত্যাদি ক্ৰমিক স্তৰেৰে আগবাঢ়িব লাগিব।




### বুনিয়াদী গাণিতিক প্ৰক্ৰিয়াঃ

বুনিয়াদী গণিতত গাণিতিক প্ৰক্ৰিয়া বুজি পোৱাটো এক গুৰুত্বপূৰ্ণ দিশ। যোগ, বিয়োগ, পূৰণ আৰু হৰণেৰে কেৱল সংখ্যাৰ বিমূৰ্ত প্ৰয়োগেই নহয়, এই প্ৰক্ৰিয়াবিলাক আমাৰ দৈনন্দিন জীৱনত ব্যাপক ব্যৱহাৰ হয়। এই প্ৰক্ৰিয়াবোৰ বিষয়বস্তুৰ বিশ্লেষণ, বৰ্ণনা আৰু জীৱনত সাধাৰণ সমস্যাৰ ব্যাখ্যা আৰু সমাধান কৰাৰ বাবে জৰুৰী।




### জীৱনৰ বুনিয়াদী কৌশল ঃ

কেৱল বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানেই নিপুণ অসমৰ মূল উদ্দেশ্য নহয়। নিপুণ অসমে শিশু এটিক ঘৰত আৰু বিদ্যালয়ত এনে এক পৰিৱেশ দিয়াৰ কথা কৈছে য'ত শিশুটিয়ে জীৱন নিৰ্বাহৰ বুনিয়াদী কৌশলসমূহ আয়ত্ব কৰিব পাৰে। ইয়াৰ কাৰণে শিশুটিক সামগ্ৰিক আৰু আৱেগিক ভাৱে শক্তিশালী কৰিবৰ বাবে ক্ৰিয়া-কলাপ হাতত লোৱা জৰুৰী।

# শিশুৰ শিকনৰ পৰিকল্পনা

## শিশুৱে কেনেকৈ শিকে ?

সাধাৰণতে শিশুসকলৰ জন্মগত শিকন ক্ষমতা থাকে। জন্মগত ক্ষমতাৰ সমান্তৰালকৈ শিকনৰ বাবে শিশুক অনুকূল তথা উৎসাহজনক পৰিৱেশ দিয়া আৱশ্যক। দুই উপাদান - ‘জন্মগত ক্ষমতা’ আৰু ‘সামাজিক পৰিৱেশ’ একেলগে মিলি শিশুৰ অভিজ্ঞতা আৰু বোধ গঢ়ি তোলে। শিশুৱে নিজৰ এই বোধ আৰু অভিজ্ঞতাক স্বাভাৱিক ৰূপত অংগ-ভংগীৰে নিজৰ ঘৰুৱা ভাষাত সহজে ব্যক্ত কৰে। সেই কাৰণে এই কথা সত্য যে, বিদ্যালয়লৈ অহা শিশু এটিক কেতিয়াও এখন উকা ফলিৰ লগত তুলনা কৰিব নোৱাৰি। শিশু এটি যেতিয়া প্ৰথমবাৰলৈ বিদ্যালয়লৈ আহে, তেওঁ অভিজ্ঞতাসমৃদ্ধ হৈ আহে, যিবোৰক শিশুটিয়ে ঘৰুৱা ভাষাত মৌখিকভাৱে প্ৰকাশ কৰিব পাৰে।




# শিশুৰ শিকনত বিদ্যালয়ৰ ভূমিকা

**শিশু এটিৰ 'শিকন অভিজ্ঞতা' আৰু শিকনৰ 'গতি' খৰতকীয়া কৰিবৰ বাবে আমি বিদ্যালয়ত শিশুটিৰ পৰিৱেশ, বৰ্তমানলৈকে হোৱা অভিজ্ঞতা, ঘৰুৱা ভাষা, আৰু বোধক গুৰুত্ব দিয়াৰ লগতে শিশু সকলক উৎসাহিত কৰিব লাগে। এইধৰণৰ অনুকূল পৰিৱেশে শিশুটিক আত্মবিশ্বাসী আৰু শিকাৰ প্ৰতি আগ্ৰহী কৰি তোলে।**

## শিকন প্ৰক্ৰিয়া ঃ

শিকন এক অবিৰত প্ৰক্ৰিয়া। আমাৰ বাবে যেনেদৰে শিকন এক স্বাভাৱিক আৰু অবিৰত প্ৰক্ৰিয়া, শিশুটিৰ বাবেও ই ঠিক একেধৰণৰ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত শিকাৰুৱে সক্ৰিয় ৰূপত নতুন অভিজ্ঞতা গ্ৰহণ কৰে আৰু গঢ়ে। নতুন অভিজ্ঞতা সমূহ শিশুটিয়ে নিজৰ মস্তিস্কত স্থাপন কৰি নতুন ধাৰণা গঢ়ি লয়। শিশুটিয়ে এই ধৰণে নতুন অভিজ্ঞতা বোৰক পূৰ্বৰ অভিজ্ঞতাৰ লগত সংযোগ স্থাপন কৰে আৰু নিজৰ বোধশক্তি সমৃদ্ধ কৰে। এই নতুন অভিজ্ঞতাই পূৰ্বৰ অভিজ্ঞতাৰ সাল-সলনি বা সংশোধন ঘটাবও পাৰে।




শিশুৰ শিকনৰ এই প্ৰক্ৰিয়াত শিক্ষকসকল শিকন পদ্ধতি, শিশুৰ ক্ৰিয়া-কলাপৰ বাবে দিব লগা সুবিধা, শিক্ষণ-শিকন সামগ্ৰী, শিশুক দি থকা উৎসাহ আৰু শিকনৰ বাধাসমূহ চিনাক্তকৰণ আদিত সজাগ থাকিব লাগে যাতে আকাংক্ষিত দক্ষতাবোৰ আহৰণত তেওঁ শিশুসকলক সহায় কৰিব পাৰে।

এনে কৰিলে শিশুৱে তেওঁলোকৰ পুৰণি অভিজ্ঞতা আৰু বোধক সমৃদ্ধ কৰিব পাৰে তথা সম্পূৰ্ণ নতুন অভিজ্ঞতা আৰু বোধ আহৰণ কৰিব পাৰে। ইয়ে শিশুটিক ভৱিষ্যত শিকনত সহায় কৰে।

# শিক্ষণ-শিকনৰ কেইটামান বুনিয়াদী নীতি


**শিক্ষণ-শিকনৰ কেইটামান সাধাৰণ নীতি আছে। এই নীতিবোৰে শ্ৰেণীকোঠাত শিক্ষনৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়। শিক্ষকে এই নীতিবোৰ গ্ৰহণ কৰি শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ উন্নতি সাধন কৰিব পাৰে।**



১) **সকলো শিশুৱে শিকিব পাৰে ঃ** সকলো শিশুৰ মগজুৰ গঠন একেই। সেয়ে সকলো শিশুৱে শিকনৰ বাবে একেদৰে প্ৰস্তুত হয়। অৱশ্যে কিছুমান শিশুৰ ক্ষেত্ৰত অধিক মনোযোগ আৰু অভ্যাসৰ আৱশ্যক, এইটো নিৰ্ভৰ কৰে শিকিবলৈ কোনে কিমান সুবিধা পাইছে, নিয়মীয়াকৈ শিকিবলৈ কোনে সুবিধা লাভ কৰিছে আৰু শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপত তেওঁলোকে কিমান সক্ৰিয় ভাবে অংশগ্ৰহণ কৰিব পাৰিছে।



২) **শ্ৰেণীত শিশুৰ পূৰ্বজ্ঞান আৰু অভিজ্ঞতাৰ সঠিক ব্যৱহাৰ ঃ** শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ লগত শিশুৰ পূৰ্বজ্ঞান বা অভিজ্ঞতাক জড়িত কৰিলে দুটা লাভ হয়, এফালে শিশুৰ বোধ আৰু অভিজ্ঞতাই স্বীকৃতি লাভ কৰে আৰু আনফালে শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপবোৰ অধিক ৰসাল আৰু প্ৰভাৱশালী হয়। শিশুৰ পূৰ্বজ্ঞান আৰু অভিজ্ঞতাক শ্ৰেণীৰ ক্ৰিয়া-কলাপত জড়িত কৰিলে তেওঁলোকৰ ভাৱ প্ৰকাশৰ অৱকাশ বৃদ্ধি পায় আৰু ই শিকনৰ বাবে অতি প্ৰয়োজনীয়।



৩) **শিশুক সহপাঠীৰ লগত শিকনৰ সুযোগ দিয়া ঃ** শ্ৰেণীকোঠাৰ শিক্ষণ প্ৰক্ৰিয়া কেৱল শিক্ষক কেন্দ্ৰিক হোৱা অনুচিত। শিশু এগৰাকীয়ে সমবয়সীয়া সংগীৰ লগত অধিক সহজ হ'ব পাৰে আৰু একেলগে নতুন কথা সহজে শিকিব পাৰে। সেইবাবে পৰিকল্পিত ভাবে শিশুক তেওঁলোকৰ সহপাঠীৰ লগত একেলগে শিকিবলৈ সুযোগ দিলে অধিক-সুফল লাভ কৰিব পাৰি।



৪) **শিকনত শিশুক সহায় কৰা ঃ** শিক্ষণ প্ৰক্ৰিয়াটোৰ বেছি ভাগ সময়ত শিক্ষকে পথপ্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰিলে শিশুৱে নিজেই ক্ৰিয়া-কলাপ বা অনুশীলন কৰিবলৈ অধিক সুযোগ লাভ কৰে। এই পথ প্ৰদৰ্শনৰ সময়ত শিক্ষকে শিশুৰ ক্ৰিয়া-কলাপকৰণত দৃষ্টিপাত কৰাৰ লগতে শিক্ষাৰ্থীয়ে সন্মুখীন হোৱা সমস্যাৰ সমাধানত শিশুক প্ৰয়োজন অনুসৰি সহায়ৰ হাত আগবঢ়াব পাৰে।



৫) **অনুকূল পৰিৱেশ গঢ়া ঃ** শ্ৰেণীকোঠাৰ পৰিৱেশ অনুকূল হোৱাটো অত্যন্ত আৱশ্যকীয়। এনে এটা পৰিৱেশ গঢ়িবলৈ শিক্ষকে শ্ৰেণীৰ আৰম্ভণিতে গীত বা কবিতা গোৱাব পাৰে, নাইবা খেল-ধেমালি কৰাব পাৰে। শিক্ষক আৰু সহপাঠীৰ লগত শিশুৰ সম্পৰ্ক যিমানেই সহজ হয়, শিক্ষণ-শিকনৰ প্ৰক্ৰিয়াটো সিমানেই ৰসাল আৰু ফলপ্ৰসূ হয়।



৬) **শিক্ষণ-প্ৰক্ৰিয়াত সকলো শিশুৰ জড়িতকৰণ নিশ্চিত কৰা ঃ** এগৰাকী শিক্ষক হিচাপে তেওঁৰ শিক্ষণ প্ৰক্ৰিয়াটো এনে হ'ব লাগে যাতে সকলো শিশুৱে শিকিব পাৰে। তেনে কৰিবলৈ শিশুৰ অভিজ্ঞতা আৰু শিকন স্তৰৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকক পৃথক পৃথক গোটত ভগাই ল'ব পাৰি আৰু তেওঁলোকৰ শিকনৰ বাবে পৃথক-পৃথক কৌশল ল'ব পাৰি।



৭) **শিশুক চিন্তা কৰিবলৈ সুযোগ আৰু উৎসাহ দিয়া ঃ** শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ ক্ষেত্ৰত আমাৰ শিক্ষণৰ কৌশল আৰু ব্যৱস্থা এনে হোৱা উচিত য'ত শিশুৱে অলপমান সময় লৈ নিজে চিন্তা কৰাৰ অৱকাশ পায়। তাৰ লগতে শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ মাজত চিন্তন আৰু অংশগ্ৰহণ কৰাৰ বাবে তেওঁলোকক উৎসাহিত কৰাটো নিশ্চিত কৰিব লাগে।



৮) **শিশুৰ ঘৰুৱা ভাষা ব্যৱহাৰ আৰু সঘনে কথা-বতৰা পতাৰ সুযোগ দিয়া ঃ** প্ৰাথমিক পৰ্যায়ত শিশুসকলে নিজৰ ঘৰুৱা ভাষাত স্বাচ্ছন্দতা অনুভৱ কৰে আৰু ঘৰুৱা ভাষাতেই মৌখিক ৰূপত চিন্তা-চৰ্চা কৰে। সেয়ে তেওঁলোকৰ ঘৰুৱা ভাষা আৰু চিন্তা-কৌশলৰ ব্যৱহাৰ শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ আহিলা হিচাপে ব্যৱহাৰ কৰা উচিত। শিশুৱে যিমানেই কথা পাতিবলৈ সুযোগ লাভ কৰে, তেওঁলোকৰ ভাষাৰ বিকাশ সিমানেই বৃদ্ধি হয়। লগতে তেওঁলোকৰ নিজকে প্ৰকাশ কৰাৰ ক্ষমতা আৰু কল্পনা শক্তিৰো বিকাশ হয়।



৯) **অবিৰত মূল্যায়ন ঃ** অবিৰত মূল্যায়ন প্ৰক্ৰিয়াটো শ্ৰেণীকোঠাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া উন্নত কৰিবলৈ অত্যন্ত আৱশ্যক। কোনগৰাকী শিকাৰু কি শিকন স্তৰত আছে আৰু তেওঁৰ বাবে কেনে ধৰণৰ ফলদায়ক শিক্ষণ ব্যৱস্থা ল'ব লাগে এনে ধৰণৰ কথাবোৰ শিক্ষকে অবিৰত মূল্যায়নৰ দ্বাৰা জানিব পাৰে।



১০) **সামাজিক আৰু আবেগিক বিকাশৰ কাৰ্য্য ঃ** গৱেষণাই প্ৰমাণ কৰিছে যে সামাজিক আৰু আবেগিক দিশত যিসকল শিশু অধিক সবল হয়, তেওঁলোকৰ প্ৰজ্ঞাত্মক বিকাশো অধিক হয়। এনে পৰিপ্ৰেক্ষিতত শিক্ষকে সামাজিক আৰু আবেগিক বিকাশৰ ভিন্ন বিষয়ৰো চিন্তা কৰিব লাগিব।

# সন্তুলিত ভাষা শিক্ষণ পদ্ধতি

এই পদ্ধতিত শিক্ষকে বিভিন্ন পঠন আৰু লিখন সম্বন্ধীয় কৌশল শিকা আৰু অৰ্থ গঢ়া সম্বন্ধীয় কাৰ্যপ্ৰণালীৰ মাজত সন্তুলন বজাই ৰাখে।

কৌশল কেন্দ্ৰিক পদ্ধতি আৰু অৰ্থ গঢ়া কেন্দ্ৰিক পদ্ধতিৰ মাজত সন্তুলন।

বিভিন্ন কৌশল শিকোৱা তথা তাৰ অভ্যাস কৰোৱা যাতে কৌশলবোৰৰ ক্ষেত্ৰত যথাযথ দক্ষতা আহৰণ কৰিব পাৰে।

অৰ্থ গঢ়া সম্বন্ধীয় কাৰ্য্য কৰোৱা যাতে কৌশলৰ ব্যৱহাৰ শিকিব পাৰে তথা উৎসাহ আৰু ৰুচি থাকে।

**ভাষা শিক্ষণৰ সন্তুলিত পদ্ধতিৰ ক্ষেত্ৰত দুটা কথা প্ৰণিধানযোগ্য ঃ**

১) মৌখিক ভাষাৰ দক্ষতা ঃ পঠন কৌশল আৰু লিখন কৌশল— এইকেইটা পৰস্পৰে-পৰস্পৰৰ পৰিপূৰক। সন্তুলিত পদ্ধতিত এই কৌশলবোৰৰ সমাৱেশ ঘটাব লাগে।


২) পঠনত নিহিত দুই প্ৰক্ৰিয়া-- পাঠোদ্ধাৰ (ডিকোডিং) আৰু বোধসহ পঠন। এই দুয়োবিধৰ সমানে সমানে কাম হ'ব লাগে। ইয়াৰে কেৱল মাত্ৰ এটা প্ৰক্ৰিয়াৰ আধাৰিত শিক্ষণৰ দ্বাৰা শিশুৱে ভাষা শিক্ষণৰ সম্পূৰ্ণ লক্ষ্যত উপনীত হ'ব নোৱাৰে।



সন্তুলিত পদ্ধতি ভাষা শিক্ষণৰ এক উৎকৃষ্ট পদ্ধতি। এই পদ্ধতিত ভাষা শিকাবলৈ যাওঁতে চাৰিটা উপাদানত গুৰুত্ব দিয়া হয়। এই চাৰিটা উপাদান হ'ল—

**১। মৌখিক ভাষাৰ বিকাশ ঃ** শিশুৱে ডাঙৰক অনুসৰণ কৰি মৌখিক ভাষা শিকে আৰু কয়। তেওঁলোকে মৌখিক ভাবেই জ্ঞান আহৰণো কৰে আৰু বুজিও লয়। শিশুৱে মৌখিক ভাষাৰ জৰিয়তে মনৰ ভাৱৰ আদান প্ৰদানৰ বাবে (মনৰ ভাব প্ৰকাশৰ বাবে) প্ৰয়োজনীয় বিভিন্ন শব্দ ভাণ্ডাৰৰ লগত পৰিচয় হয়। সাধাৰণতে পঢ়া আৰু লিখা (পঠন আৰু লিখন) হৈছে মৌলিক ভাষা বিকাশৰ এক সম্প্ৰসাৰিত প্ৰক্ৰিয়া। যদি শিশুৱে ঘৰত ব্যৱহাৰ কৰা ঘৰুৱা ভাষা, বিদ্যালয়ৰ ভাষাতকৈ পৃথক হয় তেন্তে এনে পৰিস্থিতিত বিদ্যালয়ৰ ভাষাত সাক্ষৰতাৰ কৌশল বিকাশৰ বাবে শিশুৰ ঘৰুৱা ভাষা ব্যৱহাৰ কৰাৰ প্ৰয়োজন হয়। মৌখিক ভাষাৰ বিকাশ দৰাচলতে শিশুৰ শ্ৰেণীকোঠাৰ প্ৰাৰম্ভিক শ্ৰেণীৰ এক গুৰুত্বপূৰ্ণ অংশ হোৱা উচিত, কাৰণ মৌখিক ভাষাৰ বিকাশে শিশুক চিন্তা কৰা, বুজি পোৱা, তৰ্ক কৰা, যুক্তি দিয়া আদিত সহায় কৰে আৰু তেওঁলোকক পঢ়াৰৰ লগতে লিখিবলৈ শিকাতো সহায় কৰে।

**২। পাঠোদ্ধাৰ ঃ** আমি ছপা কাকত পত্ৰ পঢ়োতে দুটা প্ৰক্ৰিয়া একেলগে চলে— শব্দ পঢ়া আৰু পঢ়া শব্দৰ অৰ্থ বুজা। শব্দ পঢ়াৰ সময়ত যি পদ্ধতিৰে প্ৰথমে বৰ্ণ বা আখৰ চিনাক্ত কৰি সেইবোৰ বৰ্ণ বা আখৰৰ লগত সম্বন্ধ থকা ধ্বনিলৈ পৰিৱৰ্তন কৰা হয় আৰু বৰ্ণ বা আখৰ লগলগাই শব্দ হিচাপে উচ্চাৰণ কৰা হয় তাকেই পাঠোদ্ধাৰ বুলি কোৱা হয়।




যি কোনো শব্দ পঢ়িবলৈ আমি পাঠোদ্ধাৰৰ এই প্ৰক্ৰিয়া ব্যৱহাৰ কৰোঁ। যেতিয়া কোনো শব্দ বাৰে বাৰে বেলেগ বেলেগ পৰিস্থিতিত পাঠোদ্ধাৰ কৰা হয় তেতিয়া সেই ধ্বনিসমূহ পুনৰ পাঠোদ্ধাৰ কৰাৰ আৱশ্যক নহয়।

**৩। পঠন ঃ** বাস্তৱিকতে পঠন অকল আখৰ চিনি শব্দ উচ্চাৰণ কৰা প্ৰক্ৰিয়া নহয়, পঠন মানে ভাবৰ সৈতে অৰ্থ সৃষ্টি কৰিব পৰা এক প্ৰক্ৰিয়া।

**শব্দ চিনাকি** x **বোধ/অৰ্থ সৃষ্টি** = **পঠন**

### পঢ়ি বুজিবলৈ প্ৰয়োজনীয় দিশ ঃ

১) **পূৰ্বজ্ঞান ঃ** যিখিনি জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ মগজুত পূৰ্বৰে পৰা সঞ্চিত হৈ থাকে সেই পূৰ্বজ্ঞান থকাটো পঠনৰ এক প্ৰাকচৰ্ত।

২) **শব্দ জ্ঞান ঃ** শব্দ আৰু তাৰ অৰ্থৰ জ্ঞান আৰু সেই জ্ঞানৰ প্ৰয়োগ কৰিব পৰা ক্ষমতা থাকিব লাগে।

৩) **ভাষা গঠন ঃ** ইয়াৰ অৰ্থ হৈছে ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান আৰু অৰ্থৰ সহায়ত বাক্য কি ধৰণে গঠন কৰিব পাৰে তাৰ ক্ষমতা শিশুৰ থাকিব লাগে।

৪) **মৌখিক দক্ষতা ঃ** পঢ়োৱা পাঠৰ ভিত্তিত অনুমান কৰিব পৰা অৰ্থ উলিয়াব পৰা আৰু মৌকিক ভাবে প্ৰকাশ কৰিব পৰা ক্ষমতা শিশুৰ থাকিব লাগে।

৫) **ছপা সম্বন্ধীয় ধাৰণা ঃ** শিশুসকলৰ ছপা সম্বন্ধীয় ধাৰণা- পাঠবোৰ বাওঁ ফালৰ পৰা সোঁফাললৈ পঢ়া, ওপৰৰ পৰা তললৈ পঢ়া তথা শব্দসমূহৰ মাজত থকা দূৰত্ব ভালদৰে চাই পঢ়াৰ ক্ষমতা থাকিব লাগে।

৬) **ধ্বনি সম্বন্ধীয় জ্ঞান ঃ** অনুৰূপ অনুকাৰ শব্দ সমূহৰ জ্ঞান আৰু শব্দ যে বেলেগ বেলেগ ধ্বনি সংযোগৰ ফলত সৃষ্টি হয় সেই সম্পৰ্কীয় জ্ঞান শিশু সকলৰ থাকিব লাগে।

৭) **পাঠোদ্ধাৰ ঃ** পঢ়ি বুজিবলৈ হ'লে শব্দত থকা বিভিন্ন ধ্বনি চিনি সেই ধ্বনিসমূহ মিলাই সম্পূৰ্ণ শব্দ উচ্চাৰণ (পাঠোদ্ধাৰ) কৰিব পাৰিব লাগে।

৮) **দৃশ্য শব্দ ঃ** যেতিয়া এজন পঢ়ুৱৈয়ে কোনো এটা শব্দ ইতিমধ্যে বাৰে বাৰে পাঠোদ্ধাৰ কৰিছে তেওঁৰ বাবে সেই শব্দটো দৃশ্য শব্দ হৈ পৰে। তেওঁক সেই শব্দটো আৰু দ্বিতীয়বাৰ পাঠোদ্ধাৰ কৰাৰ প্ৰয়োজন নাথাকে। তেওঁ শব্দটো দেখাৰ লগে লগে পঢ়ি পেলাব পাৰে।

**৪। লিখন ঃ** লিখন বুলিলে কেৱল বৰ্ণ/চিহ্নৰ লিখন নহয় লিখন হৈছে লিখকৰ ব্যক্তিগত অনুভৱ আৰু চিন্তা তথা ভাব প্ৰকাশৰ এক মাধ্যম, য'ত শব্দৰ মাজত থকা সম্পৰ্ক বুজি সঠিক বিষয়ে বিৰাম চিহ্ন প্ৰয়োগ কৰি বাক্য গঠন কৰা হয় আৰু ক্ৰম অনুসৰি লিখা হয়। লিখন হৈছে পাঠকক উদ্দেশ্য কৰি লিখা এক দীৰ্ঘদিনীয়া প্ৰক্ৰিয়া।




### লিখাৰ বাবে প্ৰয়োজনীয় দক্ষতাক দুটা গোটত ৰাখিব পাৰি ঃ

**প্ৰাৰম্ভিক লিখন ঃ** লিপি আৰু শব্দৰ মাজৰ সম্পৰ্ক বুজা, সঠিক বাক্য গঠন কৰা আৰু সঠিক বিৰাম চিহ্নৰ ব্যৱহাৰ আদি ইয়াৰ অন্তৰ্গত।

**উচ্চস্তৰীয় লিখন ঃ** কি লিখিব সেই বিষয়ে চিন্তা কৰা, তৰ্ক কৰোঁতে সঠিক ক্ৰমত লিখা আৰু সৃজনশীল হোৱা আদি ইয়াৰ অন্তৰ্গত।


শিশুসকলক প্ৰাৰম্ভিক আৰু উচ্চস্তৰীয় লিখন, দুয়োটাৰে অনুশীলন কৰাব লাগে। প্ৰাৰম্ভিক লিখন, পাঠোদ্ধাৰৰ ক্ৰিয়া-কলাপৰ লগত আৰু আৰু উচ্চস্তৰীয় লিখন মৌখিক ভাষাৰ বিকাশৰ ক্ৰিয়া-কলাপৰ লগত জড়িত থাকে।

# ভাষা শিক্ষণৰ বাবে ব্যৱহাৰ কৰিব লগীয়া সামগ্ৰীৰ বৰ্ণনা





**পাঠ্যপুথি**

পাঠ্যপুথিখন বিভিন্ন ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰা হ'ব।



**কাৰ্যপত্ৰ**

দ্বিতীয় শ্ৰেণীত অধ্যয়ন কৰি থকা প্ৰতিগৰাকী শিশুক কৰ্মপুথি প্ৰদান কৰা হ'ব, কৰ্মপুথিখন মৌখিক ভাষা, পাঠোদ্ধাৰ আৰু লিখনৰ ক্ৰিয়া-কলাপৰ বাবে ব্যৱহাৰ কৰা হ'ব।





**বিকবুক**

দ্বিতীয় শ্ৰেণীত শিশুৰ সৈতে কাম কৰাৰ বাবে দহখন বিগবুক ব্যৱহাৰ কৰা হ'ব। এইবোৰ মুখ্যতঃ অংশীদাৰী পঠনৰ বাবে ব্যৱহাৰ কৰা হ'ব।




**কবিতাৰ পোষ্টাৰ**

প্ৰতিখন বিদ্যালয়ক দহখন ভিন-ভিন কবিতা পোষ্টাৰ যোগান ধৰা হ'ব।




**কথোপকথন চাৰ্ট**

দ্বিতীয় শ্ৰেণীৰ শিশুসকলৰ বাবে মুঠ দহখন কথোপকথন চাৰ্ট দিয়া হ'ব। কথোপকথন চাৰ্টবোৰ মৌখিক ভাষা বিকাশৰ বাবে ব্যৱহাৰ কৰা হ'ব।




**বৰ্ণ/আখৰ/ যুক্তাক্ষৰ জাল ঃ**

দ্বিতীয় শ্ৰেণীত অধ্যয়ন কৰি থকা শিশুসকলৰ বাবে মুঠ ৫ খন বৰ্ণ/আখৰ/যুক্তাক্ষৰ জাল দিয়া কৰা হ'ব। শিক্ষকে শিশু সকলক বৰ্ণ/আখৰ/যুক্তাক্ষৰ চিনাক্ত কৰাবলৈ আৰু সেইবোৰ লগলগাই শব্দ পঢ়িবলৈ বৰ্ণ/আখৰ/যুক্তাক্ষৰ জালৰ ব্যৱহাৰ কৰিব।




**মৌচাক**

দ্বিতীয় শ্ৰেণীৰ প্ৰতি গৰাকী শিশুক পঠনৰ বাবে এখনকৈ 'মৌচাক' কিতাপ দিয়া হ'ব। শিক্ষকে শিশুৰ স্বতন্ত্ৰ অভ্যাস আৰু শিশুৰ সাৱলীল পঠন বৃদ্ধি কৰাৰ বাবে পাঠ্যপুথিৰ উপৰি 'মৌচাক' কিতাপখন ব্যৱহাৰ কৰিব।

सत्यमेव जयते
Ministry of Education
Government of India

# বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা অভিযান, অসম

## শিকন ফলাফল

### দ্বিতীয় শ্ৰেণী বা ৭-৮ বছৰ

NIPUN BHARAT





**শিকন ফলাফলসমূহৰ সংকেত**

বিকাশৰ লক্ষ্য- 1 (Developmental Goal 1)

শিশুসকলে সু-স্বাস্থ্যৰ অধিকাৰী হোৱা আৰু সুস্থ জীৱন যাপন কৰিব পৰাৰ সুখ্য অৰ্হতাসমূহ—

- স্ব-সজাগতা/ আত্ম সচেতনতা
- নিজৰ বিকাশ সম্পৰ্কে ধাৰণা।
- স্ব-নিয়মানুৱৰ্তীতা/ আত্ম নিয়ন্ত্ৰণ
- সিদ্ধান্ত গ্ৰহণ আৰু সমস্যা সমাধান
- সমাজি আচৰণৰ উন্নয়ন/বিকাশ
- স্বাস্থ্যসন্মত অভ্যাস, পৰিষ্কাৰ পৰিচ্ছন্নতা, যথোপযুক্ত অনাময়ৰ ব্যৱহাৰ আৰু আত্ম-সুৰক্ষাৰ প্ৰতি সজাগতাৰ বিকাশ
- স্থূলপেশীয় দক্ষতা বিকাশ
- সূক্ষ্ম অঙ্গ সঞ্চালন দক্ষতা আৰু হাত-চকুৰ সমন্বয়ৰ উন্নয়ন সাধন
- ব্যক্তিগত আৰু দলগত খেলা-ধূলাত অংশগ্ৰহণ

HW 5.1- সঠিক শৰীৰৰ ভংগী বজাই ৰাখিব পাৰিব আৰু বিভিন্ন খেল-ধেমালিত অংশগ্ৰহণ কৰিবলৈ শৰীৰৰ সঞ্চালন কৰিব পাৰিব।

HW 5.2- নিজৰ পৰিয়াল, বিস্তাৰিত/ সম্প্ৰসাৰিত পৰিয়াল, বন্ধুবৰ্গ, ওচৰ-চুবুৰীয়া আৰু পোহনীয়া জীৱ-জন্তুৰ প্ৰতি যতন আৰু সন্মান প্ৰদৰ্শন কৰিব পাৰিব।

HW 5.3- নিয়ম অনুকৰণ কৰিব পাৰিব, শাৰীৰিক সঞ্চালন আৰু তাল-লয় উপভোগ কৰিব পাৰিব আৰু খেল-ধেমালি ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিব পাৰিব।

HW 5.4- জটিল নিৰ্দেশনা/নীতি-নিয়ম পালন কৰিব পাৰিব; নিজাববীয়াকৈ নীতি-নিয়ম সৃষ্টি কৰিব পাৰিব।

HW 5.5- দৈনিক কৰ্মসূচীৰ যিকোনো পৰিৱৰ্তন অনুসৰি নিজকে খাপ খুৱাব পাৰিব আৰু আনকো তেনে কৰিবলৈ ক'ব পাৰিব।

HW 5.6- মনযোগৰ সময়সীমা বৃদ্ধি পাব আৰু যিকোনো কামত একাণপতীয়াকৈ লাগি থাকিব পাৰিব।

HW 5.7- নিয়ম অনুকৰণ কৰিব পাৰিব, শৰীৰিক সঞ্চালন আৰু তাল-লয় উপভোগকৰিব আৰু খেল-ধেমালি, ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিব পাৰিব।

HW 5.8- নিজৰ পছন্দ আৰু ৰুচি অনুযায়ী খেল/খেলৰ সামগ্ৰী বাচনি কৰিব পাৰিব।

HW 5.9- সৰু-সুৰা বিবাদ (সংঘাট) স্বতন্ত্ৰভাৱে নাইবা শিক্ষক আৰু জ্যেষ্ঠসকলৰ সহায়ত নিৰ্মূল কৰিব পাৰিব।

HW 5.10- অন্য শিশুৰ সৈতে খেলা-ধূলা কৰি আনন্দ উপভোগ কৰিব, নীতি-নিয়ম পালন কৰিব আৰু প্ৰয়োজন সাপেক্ষে আগভাগ লোৱাৰ লগতে নেতৃত্বৰ গুণ প্ৰদৰ্শন কৰিব পাৰিব।

HW 5.11- দলীয় সহযোগিতাৰ মনোভাব দেখুৱাব, দলৰ অন্য শিশুসকলক খেল আৰু ক্ৰিয়া-কলাপ কৰিবলৈ শিকাব পাৰিব।

HW 5.12- মানুহৰ মাজত থকা পাৰ্থক্যসমূহৰ প্ৰতি গ্ৰহণযোগ্যতা আৰু সহনশীলতা প্ৰদৰ্শন কৰিব আৰু বৈচিত্ৰ্যসমূহৰ প্ৰতি সংবেদনশীল হ'ব পাৰিব।

HW 5.13 (a)- শৌচালয়ৰ সঠিক ব্যৱহাৰ কৰিব, ব্যৱহাৰৰ পাছত শৌচালয় পৰিষ্কাৰ কৰিব পাৰিব আৰু (নিজৰ আৰু পৰিৱেশৰ) পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰাখি স্বাস্থ্যসন্মত খাদ্যাভ্যাস গঢ়ি তুলিব।

HW 5.13 (b)- স্থানীয়ভাৱে উপলব্ধ বিভিন্ন খাদ্য সামগ্ৰীৰ বেলেগ বেলেগ সোৱাদ চিনাক্ত কৰিব পাৰিব আৰু বিভিন্ন ঋতুত উপলব্ধ ফল-মূল, পাচলি আৰু অন্য খাদ্যবস্তু সম্পৰ্কে সচেতন হ'ব।

HW 5.14- সজাগতা প্ৰদৰ্শন কৰিব আৰু বেয়া স্পৰ্শৰ বিষয়ে অভিযোগ দিব আৰু অচিনাকি ব্যক্তিৰ পৰা দূৰত্ব বজাই ৰাখিব।

HW 5.15- বিদ্যালয়ত (শ্ৰেণীকোঠা/খেলপথাৰ) অসুস্থ অনুভৱ কৰিলে নাইবা আঘাতপ্ৰাপ্ত হ'লে শিক্ষকক আৰু জ্যেষ্ঠসকলক জনাব পাৰিব।

HW 5.16- চকু-হাত আৰু স্নায়ুপেশীয় সমন্বয় প্ৰদৰ্শন কৰিব আৰু ক্ৰিয়া-কলাপসমূহত অংশগ্ৰহণ কৰিব পৰাকৈ সুস্থ হ'ব। শক্তি বৃদ্ধি, বিচাৰ-বিবেচনা আৰু সিদ্ধান্ত গ্ৰহণ কৰিব পৰা দক্ষতাৰ বিকাশ সাধন হ'ব।

HW 5.17- সৃষ্টিশীল ক্ৰিয়া-কলাপ, নৃত্য, গীত, নাটক, ভূমিকা গ্ৰহণ, অনুকৃতি, অনুকৰণ আদিত আগ-ভাগ ল'ব পাৰিব।

HW 5.18 (a)- সূক্ষ্ম সঞ্চালনমূলক ক্ৰিয়া-কলাপ, অংকন কৰা, ৰং কৰা, লিখা ইত্যাদিত শুদ্ধতা প্ৰদৰ্শন কৰিব পাৰিব।

HW 5.18 (b)- লিখা আৰু ৰং কৰা সঁজুলি ব্যৱহাৰ কৰোঁতে সমন্বিত সঞ্চালন ব্যৱহাৰ কৰিব পাৰিব।

HW 5.18 (c)- লিখা আৰু ছবি অঁকা সঁজুলি ব্যৱহাৰ কৰোঁতে সঠিক নিয়ন্ত্ৰণ প্ৰদৰ্শন কৰিব পাৰিব।







**প্ৰস্তুতকৰণ ঃ**

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম (কাহিলিপাৰা, গুৱাহাটী- ৭৮১০১৯)ৰ দ্বাৰা
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত

সত্যমেৱ জয়তে
Ministry of Education
Government of India

# বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা অভিযান, অসম

## শিকন ফলাফল

### দ্বিতীয় শ্ৰেণী বা ৭-৮ বছৰ

NIPUN BHARAT

### শিকন ফলাফলসমূহৰ সংকেত

বিকাশৰ লক্ষ্য- ২ (Developmental Goal 2)

মূল অৰ্হতা— শিশুসকল সফল ভাব-বিনিময়কাৰী হ'ব [EC] Effective Communicator




**শ্ৰৱণ আৰু কথন**
- শুনি বুজি পোৱা
- সৃষ্টিশীল আত্ম প্ৰকাশ আৰু কথোপকথন (সৃষ্টিশীলভাৱে নিজক প্ৰকাশ কৰা আৰু কথোপকথন কৰা)
- ভাষা আৰু সৃজনীমূলক চিন্তাধাৰা
- শব্দকোষৰ বিকাশ
- কথোপকথন আৰু কথন কৌশল
- ভাষাৰ অৰ্থপূৰ্ণ ব্যৱহাৰ

**পঢ়ি বুজি পোৱা**
- কিতাপৰ সৈতে সম্পৰ্ক স্থাপন
- ছপা সজাগতা আৰু অৰ্থ আৰোপিত কৰা
- পঠনৰ ভাও ধৰা
- ধ্বনি সজাগতা
- ধ্বনি প্ৰতীকৰ সংযোগ স্থাপন
- অনুমান আৰু জ্ঞানৰ সৈতে পূৰ্বঅভিজ্ঞতাৰ ব্যৱহাৰ
- আনন্দ উপভোগ কৰিবলৈ আৰু বিভিন্ন উদ্দেশ্য আগত ৰাখি নিজাববীয়াকৈ পঢ়া

**উদ্দেশ্য ভিত্তিক লিখন**
- প্ৰাক-সাক্ষৰতা কৌশল
- স্ব-প্ৰকাশৰ বাবে লিখন
- বৰ্ণ আৰু শব্দৰ জ্ঞান ব্যৱহাৰ কৰিব পৰা, লিখনৰ বাবে বানান উদ্ভাৱন কৰিব পৰা
- পৰাম্পৰাগত ধৰণে লিখাৰ বাবে চেষ্টা কৰা
- ছবি/শব্দ আৰু অৰ্থপূৰ্ণ বাক্যৰ সৈতে পঠনৰ প্ৰতি সহাৰি জনোৱা
- উচ্চাৰণৰ মিল থকা শব্দ লিখন
- নাম বুজোৱা শব্দ আৰু কাৰ্য বুজোৱা শব্দ ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ বাক্য লিখন
- স্ব-প্ৰকাশৰ বাবে বাৰ্তা লিখন
- মিশ্ৰিত ভাষাৰ সংকেতৰ ব্যৱহাৰ
- শ্ৰেণীকোঠাৰ আৰু ঘৰুৱা বিভিন্ন কাৰ্যৰ বাবে লিখিব পৰা, যেনে- তালিকা প্ৰস্তুত কৰা, ককা-আইতাৰ বাবে শুভেচ্ছাবাণী লিখা, বন্ধু-বান্ধৱীসকলৰ বাবে বাৰ্তা/নিমন্ত্ৰণী পত্ৰ লিখা



ECL1 5.1- নিজৰ মতামত প্ৰকাশ কৰিবলৈ বিভিন্ন উদ্দেশ্যৰ বাবে প্ৰশ্ন কৰিবলৈ বিদ্যালয়ৰ ভাষা ব্যৱহাৰ কৰিব।
ECL1 5.2- পৰিচিত সাধুত থকা চৰিত্ৰৰ বিষয়ে কথোপকথন কৰিব পাৰিব। তেওঁলোকৰ প্ৰিয় চৰিত্ৰৰ ছবি আঁকি নামবোৰো লিখিব পাৰিব।
ECL1 5.3 (a)- নিজস্ব-শৈলীৰে নিজৰ ভাষাত সাধুকথা বৰ্ণনা, পদ্য/কবিতা আবৃত্তি কৰিব পাৰিব।
ECL1 5.3 (b)- বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ কাৰ্যক্ৰমত অংশগ্ৰহণ কৰিব পাৰিব।
ECL1 5.3 (c)- নিজৰ পছন্দৰ সাধুকথা বৰ্ণনা কৰিব আৰু কবিতা আবৃত্তি কৰিব পাৰিব।
ECL1 5.4- পৰিচিত কবিতা আৰু গীতৰ পৰা ছন্দযুক্ত শব্দ, একে উচ্চাৰণৰ ধ্বনিযুক্ত শব্দ সৃষ্টি কৰি ক'ব আৰু লিখিব পাৰিব
ECL1 5.5 (a)- পৰিচিত প্ৰাসংগিক পাঠ্যপুথি আৰু শিশু-সাহিত্য পঢ়িব পাৰিব আৰু অৰ্থ অনুমান কৰিব পাৰিব।
ECL1 5.5 (b)- নিজৰ ভাব প্ৰকাশ কৰি সঁহাৰি জনাব, পছন্দ-অপছন্দ ব্যক্ত কৰিব আৰু প্ৰশ্ন কৰিব।
ECL1 5.5 (c)- পৰিচিত আৰু অপৰিচিত পাঠ পঢ়িবলৈ চেষ্টা কৰিব আৰু সেই বিষয়ে ক'ব। উদাহৰণস্বৰূপে- আখৰ আৰু ছবিৰ সহায়ত অনুমান কৰিব, ধ্বনি আৰু চিহ্নৰ সমন্বয় ঘটাই, পূৰ্বজ্ঞান আৰু অভিজ্ঞতা ব্যৱহাৰ কৰি শব্দ চিনাক্ত কৰিব পাৰিব।
ECL1 5.6- ছবিৰ সাধু/সাধুৰ ফলক/ (সাধু কিতাপ)ত থকা ঘটনা আৰু চৰিত্ৰসমূহ বুজি পাব আৰু সেই বিষয়ে লিখিব পাৰিব (পৰম্পৰাগত লিখন)।
ECL1 5.7- পাঠত থকা সাধু, কবিতা আৰু অন্যান্য পাঠৰ ওপৰত ভিত্তি কৰি ঘটনা, চৰিত্ৰৰ বিষয়ে ক'ব পাৰিব।
ECL1 5.8- উপযুক্ত শব্দ/বাক্য (পৰম্পৰাগত লিখন) আৰু বিভিন্ন ধৰণৰ প্ৰকাশভংগী ব্যৱহাৰ কৰি লিখিব পাৰিব।
ECL1 5.9- সাধু লিখোঁতে কল্পনাশক্তি আৰু সৃষ্টিশীলতাৰে সাধুটো আগবঢ়াই নিব পাৰিব।
ECL2 5.1 (a)- সাধুটোৰ কাহিনীভাগ, চৰিত্ৰ ইত্যাদিৰ বিষয়ে পছন্দ/অপছন্দবোৰ ইংৰাজী ভাষাত নাই বা ঘৰুৱা ভাষাত মৌখিকভাৱে প্ৰকাশ কৰিব পাৰিব।
ECL2 5.1 (b)- 'দুৱাৰখন বন্ধ কৰা', 'কিতাপখন আনি দিয়া' ইত্যাদিৰ দৰে অন্য সাধাৰণ নিৰ্দেশনাবোৰ অনুসৰণ কৰিব পাৰিব।
ECL2 5.2- গান আৰু ছন্দযুক্ত পদ্য অংগ-ভংগিৰে গাব পাৰিব। নতুন ছন্দযুক্ত শব্দ গঠন কৰিব পাৰিব।
ECL2 5.3- সাধুটো অনুমান কৰিব পাৰিব আৰু চৰিত্ৰবোৰৰ বিষয়ে দ্বিভাষাত ক'ব পাৰিব।
ECL2 5.4- সাধু, কবিতাৰ সৈতে সম্পৰ্কিত প্ৰশ্নসমূহৰ ঘৰুৱা ভাষাত নাইবা ইংৰাজী ভাষাত নাইবা প্ৰতীকি ভাষাত মৌখিকভাৱে আৰু লিখিতভাৱে (দফা/চুটি বাক্য) সঁহাৰি জনাব পাৰিব।
ECL2 5.5- ওচৰে-পাজৰে পালন কৰা উৎসৱ আদিৰ দৰে ঘটনাবোৰৰ বিষয়ে দ্বিভাষাত মৌখিকভাৱে প্ৰকাশ কৰিব পাৰিব।
ECL2 5.6- পঢ়ি থকা সাধুত সঘনাই দেখা পোৱা ছবি আৰু শব্দ চিনাক্ত কৰি আঁকিব আৰু লিখিব পাৰিব।
ECL2 5.7- পঠনৰ সময়ত অপৰিচিত শব্দবোৰ বুজিবলৈ চেষ্টা কৰিব পাৰিব।
ECL2 5.8- নিজে সাজি লিখা সাধুৰ বাবে প'ষ্টাৰ প্ৰস্তুত কৰিব পাৰিব।
ECL2 5.9- নিজৰ পুতলাটোৰ প্ৰতি থকা অনুভৱবোৰ প'ষ্টাৰত আঁকি দেখুৱাব পাৰিব।
ECL2 5.10- নিৰ্দিষ্ট ছন্দযুক্ত শব্দ যুৰীয়াভাৱে লিখিব পাৰিব।
ECL2 5.11- কোমল, পাতল, গধুৰ ৰঙা, গোলাপী ডাঙৰ সৰু, গোল আদি আকৃতি বুজাবলৈ শব্দ ব্যৱহাৰ কৰিব পাৰিব।
ECL2 5.12- পাঠ্যপুথিৰ উপৰি আন পুথি যেনে- শিশু আলোচনী আদি পঢ়িব পাৰিব।
ECL2 5.13- কাৰ্টুন/ চলচিত্ৰৰ বিষয়ে চুটি বাক্য লিখিব পাৰিব। নিজৰ বিষয়ে যতি চিহ্ন প্ৰয়োগ কৰি চুটি বাক্য লিখিব পাৰিব।
ECL2 5.14- পৰিৱেশৰ বিষয়ে (চৰাই, উদ্ভিদ, বাগিচা ইত্যাদি) শব্দ নাইবা চুটি বাক্য আদিৰে পদ্য আৰু সাধুকথা লিখিব আঁকিব পাৰিব।
ECL2 5.15- শব্দৰ মাজত ব্যৱধান ৰাখি সহজ, চুটি বাক্য লিখি নিজক প্ৰকাশ কৰিব পাৰিব।



প্ৰস্তুতকৰণ ঃ
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম (কাহিলিপাৰা, গুৱাহাটী- ৭৮১০১৯)ৰ দ্বাৰা
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত

सत्यमेव जयते
Ministry of Education
Government of India

# বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা অভিযান, অসম

## শিকন ফলাফল

### দ্বিতীয় শ্ৰেণী বা ৭-৮ বছৰ

NIPUN BHARAT

## শিকন ফলাফলসমূহৰ সংকেত

**বিকাশৰ লক্ষ্য- ৩ (Developmental Goal 3)**

শিশুসকল অংশগ্ৰহকাৰী শিকাৰুত পৰিণত হ'ব আৰু তেওঁলোকৰ আসন্নপৰিৱেশৰ সৈতে সম্বন্ধ স্থাপন কৰিব (IL)

প্ৰধান অৰ্হতাৱলী—



**ইন্দ্ৰিয় বিকাশ**
- দৃষ্টি, শব্দ, স্পৰ্শ, গোন্ধ, সোৱাদ/স্বাদ

**ধাৰণা স্থাপন**
- বৰণ, আকৃতি, দুৰত্ব, জোখ-মাপ, আকাৰ, দৈৰ্ঘ্য, ওজন, উচ্চতা, সময়
- স্থানসম্বন্ধীয় অনুভৱ
- এটাৰ লগত আন এটাৰ যোগাযোগ

**জোখ-মাপ**
- দৈৰ্ঘ্য, ভৰ, আয়তন, উষ্ণতা

**প্ৰজ্ঞাত্মক কৌশল**
- নিৰীক্ষণ, চিনাক্তকৰণ, স্মৃতি, মিলোৱা, শ্ৰেণী বিভাজন, সাজোন/অনুক্ৰমিক চিন্তন, সৃজনশীল চিন্তন,সমালোচনামূলক চিন্তন, সমস্যা সমাধান, তুলনা, জিজ্ঞাসা, পৰীক্ষণ,অন্বেষণ/ অনুসন্ধান

**সংখ্যাৰ জ্ঞান**
- গণনা কৰি কিমান আছে কোৱা
- সংখ্যা চিনাক্তকৰণ
- ক্ৰমৰ ধাৰণা (১০লৈ গণনা কৰিব পাৰিব)।

**আকৃতি**
- দ্বিমাত্ৰিক আৰু ত্ৰিমাত্ৰিক, আকাৰ, সৰলৰেখা, বক্ৰৰেখা, সমতল আৰু বক্ৰতল

**পৰিৱেশৰ লগত সংযুক্ত/জড়িত ধাৰণাসমূহ**
- প্ৰাকৃতিক— জীৱ-জন্তু, ফল, পাচলি, খাদ্য
- ভৌতিক— পানী, বায়ু, ঋতু, সূৰ্য, চন্দ্ৰ, দিন আৰু ৰাতি
- সামাজিক— স্বয়ং, পৰিয়াল, পৰিবহণ, উৎসৱ, সম্প্ৰদায়, সহায়ক ইত্যাদি

**সংখ্যাৰ কাৰ্যকৰণ প্ৰক্ৰিয়া**
- যোগ
- বিয়োগ
- পূৰণ
- হৰণ

**তথ্যৰ ব্যৱহাৰ**
- চানেকী
- কেলেণ্ডাৰৰ কাৰ্যাৱলী
- প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ



IL 5.1- বস্তু সহজে নিৰীক্ষণ কৰিব পৰা বৈশিষ্ট্যৰ চিনাক্তকৰণ যেনে - চৌপাশৰ পৰিৱেশত পোৱা গছ-গছনি, জীৱ-জন্তু ইত্যাদি।
IL 5.2 (a)- চৌপাশৰ পৰিৱেশত পোৱা বস্তু, চিহ্ন, স্থান, সাধাৰণ কাৰ্যাৱলীৰ চিনাক্তকৰণ কৰিব পাৰিব।
IL 5.2 (b)- দিশ চিনাক্তকৰণ কৰিব পাৰিব আৰু চিত্ৰ/নক্সাত ঘৰ, বিদ্যালয় আদি বিচাৰি উলিয়াব পাৰিব।
IL 5.3 (a)- একেসময়তে দেখা বহুতো বস্তু স্মৰণ কৰি মনত পেলাব পাৰিব আৰু তাৰে কেইটামানৰ বিষয়ে নিজৰ ভাষাৰে বৰ্ণনা কৰিব পাৰিব।
IL 5.3 (b)- প্ৰদত্ত বস্তু/চিত্ৰৰ সাদৃশ্য আৰু বৈসাদৃশ্য তুলনা আৰু চিনাক্তকৰণ।

**সংখ্যাৰ জ্ঞান বিকাশৰ বাবে গণিতত সংখ্যাজ্ঞানৰ প্ৰগতিৰ বিষয়ে বুজা যাব।**

IL 5.5- বহু বৈশিষ্ট্যৰ বস্তু/চিত্ৰৰ ধৰ্ম ব্যৱহাৰ কৰি তুলনা কৰা, শ্ৰেণীবিভাজন কৰা আৰু বৰ্ণনা কৰা।
IL 5.6- সংখ্যাক্ৰম; জোখ-মাপ ইত্যাদিৰ ক্ষেত্ৰত ক্ৰমৰ প্ৰয়োগ কৰিব পাৰিব।
IL 5.7- দিনৰ হিচাপত সময়ত দৈৰ্ঘ্যৰ ক্ৰমত ঘটনাসমূহ সজোৱা (যেনে- শিশু এগৰাকীয়ে ঘৰত বেছি সময় থাকে নে বিদ্যালয়ত বেছি সময় থাকে)
IL 5.8 (a)- দৈনন্দিন জীৱনৰ সাধাৰণ পৰিস্থিতিৰ সমস্যা সমাধানৰ কৌশল বৰ্ণনা কৰিব।
IL 5.8 (b)- পৰীক্ষণ আৰু অন্বেষণত জিজ্ঞাসা, আগ্ৰহ প্ৰকাশ কৰা, অনুমান আৰু যুক্তি দেখুৱাব পৰা
IL 5.8 (c)- পৰিৱেশ সম্পৰ্কে সজাগতা আৰু সংবেদনশীলতা প্ৰদৰ্শন কৰিব পাৰিব। যেনে- খাদ্য নষ্ট নকৰা,পেলনীয়াসমূহ ডাষ্টবিনত পেলোৱা, চৰাই-চিৰিকটি আৰু জীৱ-জন্তুৰ বাবে খাদ্য আৰু পানী ৰাখি থোৱা ইত্যাদি কাৰ্য।
IL 5.9- ১০গোট হিচাপে ১০০ টা বস্তুৰ গণনা কৰিব পাৰিব।
IL 5.10- এটা নিৰ্দ্দিষ্ট সংখ্যাৰ পৰা ৯৯লৈকে সংখ্যাবোৰ একাদিক্ৰমে আগলৈ আৰু পাছলৈ গণনা কৰিব পাৰিব।
IL 5.11- ৯৯৯ লৈ সংখ্যা পঢ়িবলৈ আৰু লিখিবলৈ শিকিব লগতে সংখ্যাচিহ্নৰ জ্ঞান লাভ কৰিব।
IL 5.12- স্থানীয় মানত শূণ্যৰ ব্যৱহাৰ শিকিব পাৰিব।
IL 5.13- দুটা অংকৰ সংখ্যাৰ ডাঙৰ আৰু সৰু সংখ্যা গঠন কৰিব আৰু তুলনা কৰিবলৈ শিকিব। (প্ৰদত্ত সংখ্যাৰ পুনৰাবৃত্তি কৰি আৰু নকৰাকৈ)
IL 5.14- দুটা সংখ্যাৰ যোগৰ ক্ষেত্ৰত শিকাৰুৱে নিজৰ কাৰ্য কৌশলৰ বিকাশ ঘটাব (যোগফল ৯৯ তকৈ ওপৰত নহ'ব) আৰু সেইবোৰ দৈনন্দিন জীৱনৰ বিভিন্ন সমস্যা/পৰিস্থিতিৰ সমাধানত ব্যৱহাৰ কৰিব পাৰিব।
IL 5.15- ৯৯ লৈ নিজা কৌশল ব্যৱহাৰ কৰি বিয়োগ কৰিবলৈ শিকিব আৰু দৈনন্দিন জীৱনৰ সাধাৰণ সমস্যা/পৰিস্থিতি সমাধান কৰিবলৈ সেইবোৰ ব্যৱহাৰ কৰিব পাৰিব।
IL 5.16- সংখ্যাৰ যোগ আৰু বিয়োগৰ মাজৰ সম্বন্ধৰ বিষয়ে উৎসাহিত হ'ব আৰু সেইবোৰ প্ৰয়োগ কৰিব শিকিব।
IL 5.17- বাস্তৱ বস্তু আৰু ক্ৰিয়া-কলাপৰ জৰিয়তে সংখ্যাবোৰৰ পূৰণৰ ধাৰণা বিকাশ কৰিব, লগতে ২, ৩ আৰু ৪ ৰ নেওঁতা সাজিব পাৰিব আৰু দৈনন্দিন জীৱনত এইবোৰৰ প্ৰয়োগ কৰিব পাৰিব।
IL 5.18- সমবিতৰণ/অংশীদাৰ হিচাপে সংখ্যাৰ হৰণৰ ধাৰণাৰ বিকাশ ঘটিব।
IL 5.19- এটা পৰিচিত পৰিৱেশত প্ৰসঙ্গত সমস্যাসমূহ সমাধান কৰিবলৈ উপযুক্ত পদ্ধতি (যোগঅথবা বিয়োগ) চিনাক্ত কৰিব পাৰিব।
IL 5.20- মুঠতে ১০০ টকালৈ কাগজী মুদ্ৰা/টকা ব্যৱহাৰ জানিব।
IL 5.21- অনিৰ্ধাৰিত একক যেনে- মাৰি, পেঞ্চিল/সুতা আদি ব্যৱহাৰ কৰি দৈৰ্ঘ্য/দূৰত্বৰ জোখ-মাখ ল'ব পাৰিব।
IL 5.22- সাধাৰণ তুলাচনী ব্যৱহাৰেৰে বস্তুৰ তুলনা কৰিব পাৰিব। যেনে- এইটোতকৈ গধুৰ/এইটোতকৈ পাতল ইত্যাদি।
IL 5.23- অনিৰ্ধাৰিত একক যেনে- কাপ/চামুচ/বাল্টি আদি ব্যৱহাৰ কৰি বিভিন্ন পাত্ৰৰ ধাৰণক্ষমতা তুলনা কৰিব পাৰিব।
IL 5.24- পৰ্যবেক্ষণ কৰিব পৰা ধৰ্ম যেনে-ঘনীভৱন /বাষ্পীভৱন আদিৰ দ্বাৰা বস্তুবোৰ এইটোৰ দৰে গৰম /এইটোৰ দৰে চেঁচা হিচাপে তুলনা কৰিব পাৰিব।
IL 5.25- চৌকাষে থকা দ্বিমাত্ৰিক বস্তু যেনে- আয়ত, ত্ৰিভুজ, বৃত্ত আৰু অন্যান্য আকৃতিবোৰ চিনাক্ত কৰি বৰ্ণনা কৰিব পাৰিব। উদাহৰণস্বৰূপে- কিতাপ এখনৰ পৃষ্ঠা, আয়ত আকৃতিৰ আৰু ইয়াৰ ৪ টা কাষ ৪টা চুক আছে, খাৰুৰ নক্সাৰ কোনো চুক নাই।
IL 5.26- কাগজ ভাঁজ কৰি দৈনন্দিন জীৱনৰ প্ৰসঙ্গ যেনে-ৰুটি/চেণ্ডউইচ আদি আৰু কাপোৰ (বিচনা-চাদৰ, ৰুমাল আদিৰ) ভাঁজ কৰি অৰ্ধ, চতুৰ্থাংশ আৰু সম্পূৰ্ণৰ মাজত সম্পৰ্ক চিনাক্ত কৰিব।
IL 5.27- পূৰণৰ নেঁওতা.....সংখ্যাবোৰেও, ১-১০০ লৈ সংখ্যাৰ গাঁথনিত অথবা পৰিৱেশ বিভিন্ন বস্তুত সংখ্যাৰ চানেকি পৰ্যবেক্ষণ কৰিব, সম্প্ৰসাৰণ আৰু সাধাৰণীকৰণ কৰিব পাৰিব।
IL 5.28- সংগ্ৰহিত তথ্যৰ পৰা সিদ্ধান্তত উপনীত হ'ব পাৰিব। যেনে- সমীৰৰ ঘৰত ব্যৱহৃত যান-বাহনৰ সংখ্যা এঞ্জেলিনাৰ ঘৰত ব্যৱহৃত যান-বাহনৰ সংখ্যাতকৈ বেছি, মূল্য তালিকাত উল্লিখিত এটা বস্তুৰ মূল্য আন এটা বস্তুতকৈ বেছি।
IL 5.29- কেলেণ্ডাৰ ব্যৱহাৰ কৰি নিজৰ দৈনন্দিন জীৱনৰ ঘটনাবোৰত সপ্তাহৰ দিনবোৰ আৰু বছৰৰ মাহবোৰ চিনাক্ত কৰিব পাৰিব।
IL 5.30- শিশুৱে নিজৰ সন্দৰ্ভত নতুন প্ৰযুক্তিত আগ্ৰহ/কৌতূহল প্ৰদৰ্শন কৰিব।





**প্ৰস্তুতকৰণ ঃ**

**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম (কাহিলিপাৰা, গুৱাহাটী- ৭৮১০১৯)ৰ দ্বাৰা**

**সমগ্ৰ শিক্ষা, অসমৰ সহযোগত**

# সাপ্তাহিক পৰিকল্পনা

## সপ্তাহ ১

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • কবিতাঃ আমাৰ পঢ়াশালি (পৃষ্ঠা ১) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ অৰণ্যত দীপু (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১৭ | • পুনৰালোচনা ঃ 'ম' আৰু 'ব' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১ দিন ১ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনাঃ বিগবুক ১ | চহী<br>................ |
| ২ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ অৰণ্যত দীপু (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১৭ | • পুনৰালোচনা ঃ 'ক' আৰু 'ল' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১ দিন ২ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে বিতং আলোচনাঃ বিগবুক ১ | চহী<br>................ |
| ৩ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ অৰণ্যত দীপু (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১৭ | • পুনৰালোচনা ঃ 'খ' আৰু 'অ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১ দিন ৩ | • বিগবুকৰ পৰা সমবেত পঠন ঃ বিগবুক ১ | চহী<br>................ |
| ৪ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ২<br>• মৌখিক কাহিনী বৰ্ণনাঃ কেৰ্কেটুৱালৈ মৰম। পৃষ্ঠা ৯ | • পুনৰালোচনা ঃ 'া' কাৰৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১ দিন ৪ | • বিগবুকৰ পৰা সমবেত আৰু প্ৰতীক ভিত্তিক পঠন ঃ বিগবুক ১ | চহী<br>................ |
| ৫ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ১<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ 'ৰ' আৰু 'আ' বৰ্ণৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১ দিন ৫ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |
| ৬ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ২ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১ দিন ৬ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |

## সপ্তাহ ২

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী: মৌখিক ভাষাৰ বিকাশ | নিপুন অসম শিকন সামগ্ৰী: পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | নিপুন অসম শিকন সামগ্ৰী: পঠন | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ২ ঃ কেৰ্কেটুৰাৰৈ মৰম | • কবিতাঃ গাওঁ আহা (পৃষ্ঠা ১১) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বুধিয়ক বীৰবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৩৭ | • পুনৰালোচনা ঃ 'ন' আৰু 'জ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২ দিন ১ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনাঃ বিগবুক ২ | চহী ................ |
| ২ | পাঠ ২ ঃ কেৰ্কেটুৰাৰৈ মৰম | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বুধিয়ক বীৰবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৩৭ | • পুনৰালোচনা ঃ 'ি' কাৰৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২ দিন ২ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে বিতং আলোচনাঃ বিগবুক ২ | চহী ................ |
| ৩ | পাঠ ২ ঃ কেৰ্কেটুৰাৰৈ মৰম | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৩<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বুধিয়ক বীৰবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৩৭ | • পুনৰালোচনা ঃ 'ণ' আৰু 'ত' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২ দিন ৩ | • বিগবুকৰ পৰা সমবেত পঠন ঃ বিগবুক ২ | চহী ................ |
| ৪ | পাঠ ২ ঃ কেৰ্কেটুৰাৰৈ মৰম | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৪<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ 'উ' আৰু 'এ' বৰ্ণৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২ দিন ৪ | • বিগবুকৰ পৰা সমবেত আৰু প্ৰতীক ভিত্তিক পঠন ঃ বিগবুক ২ | চহী ................ |
| ৫ | পাঠ ২ ঃ কেৰ্কেটুৰাৰৈ মৰম | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৩<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ 'ই' আৰু 'ঋ' বৰ্ণৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২ দিন ৫ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী ................ |
| ৬ | পাঠ ২ ঃ কেৰ্কেটুৰাৰৈ মৰম | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৪ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২ দিন ৬ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী ................ |

## সপ্তাহ ৩

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৩ ঃ অৰণ্যত দীপু | • কবিতাঃ পখিলা (পৃষ্ঠা ২৭) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাৱে কাহিনীৰ বৰ্ণনা ঃ সাহসী ল'ৰাজন (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৪৭ | • পুনৰালোচনা ঃ 'ে' কাৰৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৩ দিন ১ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনাঃ বিগবুক ৩ | চহী<br>................ |
| ২ | পাঠ ৩ ঃ অৰণ্যত দীপু | • মৌখিক ভাৱে কাহিনীৰ বৰ্ণনা ঃ সাহসী ল'ৰাজন (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৪৭ | • পুনৰালোচনা ঃ 'ও' আৰু 'ঈ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৩ দিন ২ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে বিতং আলোচনাঃ বিগবুক ৩ | চহী<br>................ |
| ৩ | পাঠ ৩ ঃ অৰণ্যত দীপু | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৫<br>• মৌখিক ভাৱে কাহিনীৰ বৰ্ণনা ঃ সাহসী ল'ৰাজন (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৪৭ | • পুনৰালোচনা ঃ 'উ' আৰু 'ঐ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৩ দিন ৩ | • বিগবুকৰ পৰা সমবেত পঠন ঃ বিগবুক ৩ | চহী<br>................ |
| ৪ | পাঠ ৩ ঃ অৰণ্যত দীপু | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৬<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ ' ু ' কাৰৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৩ দিন ৪ | • বিগবুকৰ পৰা সমবেত আৰু প্ৰতীক ভিত্তিক পঠন ঃ বিগবুক ৩ | চহী<br>................ |
| ৫ | পাঠ ৩ ঃ অৰণ্যত দীপু | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৫<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ 'ঊ' আৰু 'শ' বৰ্ণৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৩ দিন ৫ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |
| ৬ | পাঠ ৩ ঃ অৰণ্যত দীপু | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ১ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৩ দিন ৬ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |

## সপ্তাহ ৪

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্রিয়া-কলাপৰ ক্রম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৪ ঃ পখিলা | • কবিতাঃ কবিতাটি আবৃত্তি কৰোঁ আহা (পৃষ্ঠা ৫২) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ভালুকে খেলিলে ফুটবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৫৭ | • পুনৰালোচনা ঃ 'ো' কাৰৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৪ দিন ১ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনাঃ বিগবুক ৪ | চহী<br>................ |
| ২ | পাঠ ৪ ঃ পখিলা | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ভালুকে খেলিলে ফুটবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৫৭ | • পুনৰালোচনা ঃ 'য়' আৰু 'ঞ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৪ দিন ২ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে বিতং আলোচনাঃ বিগবুক ৪ | চহী<br>................ |
| ৩ | পাঠ ৪ ঃ পখিলা | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৭<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ভালুকে খেলিলে ফুটবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৫৭ | • পুনৰালোচনা ঃ 'ষ' আৰু 'য' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৪ দিন ৩ | • বিগবুকৰ পৰা সমবেত পঠন ঃ বিগবুক ৪ | চহী<br>................ |
| ৪ | পাঠ ৪ ঃ পখিলা | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৮<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্রিয়া-কলাপ। | • পুনৰালোচনা ঃ 'ী' কাৰৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৪ দিন ৪ | • বিগবুকৰ পৰা সমবেত আৰু প্ৰতীক ভিত্তিক পঠন ঃ বিগবুক ৪ | চহী<br>................ |
| ৫ | পাঠ ৪ ঃ পখিলা | • সামাজিক তথা আবেগিক ক্রিয়া-কলাপঃ ক্রিয়া-কলাপ ২<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্রিয়া-কলাপ। | • পুনৰালোচনা ঃ 'ট' আৰু 'চ' বৰ্ণৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৪ দিন ৫ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |
| ৬ | পাঠ ৪ ঃ পখিলা | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্রিয়া-কলাপঃ ক্রিয়া-কলাপ ৩ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৪ দিন ৬ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |

## সপ্তাহ ৫

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | • কবিতাঃ বোন্দাৰ বিলৈ (পৃষ্ঠা ৬৬) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বেলি আৰু বতাহ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৮৬ | • পুনৰালোচনা ঃ 'ৈ' কাৰৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৫ দিন ১ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনাঃ বিগবুক ৫ | চহী<br>................ |
| ২ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বেলি আৰু বতাহ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৮৬ | • পুনৰালোচনা ঃ 'ফ' আৰু 'প' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৫ দিন ২ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে বিতং আলোচনাঃ বিগবুক ৫ | চহী<br>................ |
| ৩ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৯<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বেলি আৰু বতাহ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৮৬ | • পুনৰালোচনা ঃ 'স' আৰু 'গ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৫ দিন ৩ | • বিগবুকৰ পৰা সমবেত পঠন ঃ বিগবুক ৫ | চহী<br>................ |
| ৪ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১০<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ 'ৌ' কাৰৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৫ দিন ৪ | • বিগবুকৰ পৰা সমবেত আৰু প্ৰতীক ভিত্তিক পঠন ঃ বিগবুক ৫ | চহী<br>................ |
| ৫ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৪<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ 'হ' আৰু 'ছ' বৰ্ণৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৫ দিন ৫ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |
| ৬ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৫ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৫ দিন ৬ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |

# সপ্তাহ ৬

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কবিতাঃ ঋতু আহে ঋতু যায় (পৃষ্ঠা ১১৯) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ৰান্ধনিঘৰৰ আলাপ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৯৫ | • পুনৰালোচনা ঃ 'ূ' কাৰৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৬ দিন ১ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনাঃ বিগবুক ১ | চহী<br>................ |
| ২ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ৰান্ধনিঘৰৰ আলাপ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৯৫ | • পুনৰালোচনা ঃ 'ঘ', 'ঠ' আৰু 'ঁ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৬ দিন ২ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে বিতং আলোচনাঃ বিগবুক ১ | চহী<br>................ |
| ৩ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ৰান্ধনিঘৰৰ আলাপ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৯৫ | • পুনৰালোচনা ঃ 'থ', 'ঢ়' আৰু 'ঢ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৬ দিন ৩ | • বিগবুকৰ পৰা সমবেত পঠন ঃ বিগবুক ১ | চহী<br>................ |
| ৪ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ২<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ 'ৃ' কাৰৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৬ দিন ৪ | • বিগবুকৰ পৰা সমবেত আৰু প্ৰতীক ভিত্তিক পঠন ঃ বিগবুক ১ | চহী<br>................ |
| ৫ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ১<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পুনৰালোচনা ঃ 'ভ','ঝ' আৰু 'ড' বৰ্ণৰ ওপৰত কাৰ্য।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৬ দিন ৫ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |
| ৬ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ২ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৬ দিন ৬ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |

## সপ্তাহ ৭

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | • কবিতাঃ আমাৰ পঢ়াশালি (পৃষ্ঠা ১) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ আমাৰ দিৱস (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১০২ | • পুনৰালোচনা ঃ 'দ', 'ৱ' আৰু 'ধ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৭ দিন ১ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনাঃ বিগবুক ২ | চহী<br>................ |
| ২ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ আমাৰ দিৱস (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১০২ | • পুনৰালোচনা ঃ 'ড়', 'ক্ষ' আৰু 'ৎ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৭ দিন ২ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে বিতং আলোচনাঃ বিগবুক ২ | চহী<br>................ |
| ৩ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৩<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ আমাৰ দিৱস (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১০২ | • পুনৰালোচনা ঃ 'ং' আৰু 'ঃ' বৰ্ণৰ ওপৰত কাৰ্য<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৭ দিন ৩ | • বিগবুকৰ পৰা সমবেত পঠন ঃ বিগবুক ২ | চহী<br>................ |
| ৪ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৪<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৭ দিন ৪ | • বিগবুকৰ পৰা সমবেত আৰু প্ৰতীক ভিত্তিক পঠন ঃ বিগবুক ২ | চহী<br>................ |
| ৫ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৩<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৭ দিন ৫ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |
| ৬ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৪ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৭ দিন ৬ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |

## সপ্তাহ ৮

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৮ ঃ বোন্দাৰ বিলৈ | • কবিতাঃ গাওঁ আহা (পৃষ্ঠা ১১) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ডাক-ঘৰ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১১১ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৮ দিন ১ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনাঃ বিগবুক ৩ | চহী<br>................ |
| ২ | পাঠ ৮ ঃ বোন্দাৰ বিলৈ | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ডাক-ঘৰ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১১১ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৮ দিন ২ | • বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে বিতং আলোচনাঃ বিগবুক ৩ | চহী<br>................ |
| ৩ | পাঠ ৮ ঃ বোন্দাৰ বিলৈ | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৫<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ডাক-ঘৰ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১১১ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৮ দিন ৩ | • বিগবুকৰ পৰা সমবেত পঠন ঃ বিগবুক ৩ | চহী<br>................ |
| ৪ | পাঠ ৮ ঃ বোন্দাৰ বিলৈ | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৬<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৮ দিন ৪ | • বিগবুকৰ পৰা সমবেত আৰু প্ৰতীক ভিত্তিক পঠন ঃ বিগবুক ৩ | চহী<br>................ |
| ৫ | পাঠ ৮ ঃ বোন্দাৰ বিলৈ | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৫<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৮ দিন ৫ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |
| ৬ | পাঠ ৮ ঃ বোন্দাৰ বিলৈ | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ১ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ৮ দিন ৬ | • মৌচাক-২ ৰ পৃষ্ঠাবোৰ উলট-পালট কৰিব আৰু চৰ্চা কৰিব। | চহী<br>................ |

## সপ্তাহ ১০

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্রিয়া-কলাপৰ ক্রম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্রেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৯ ঃ চাফ-চিকুণতা | • কবিতাঃ পখিলা (পৃষ্ঠা ২৭) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ অৰণ্যত দীপু (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১৭ | • পাঠোদ্ধাৰ 'ঁ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্রিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১০ দিন ১ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ৯ ঃ চাফ-চিকুণতা | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ অৰণ্যত দীপু (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১৭ | • পাঠোদ্ধাৰ 'ঁ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্রিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১০ দিন ২ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ৯ ঃ চাফ-চিকুণতা | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৯<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ অৰণ্যত দীপু (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১৭ | • পাঠোদ্ধাৰ 'ঁ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্রিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১০ দিন ৩ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ৯ ঃ চাফ-চিকুণতা | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১০<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্রিয়া-কলাপ। | • পাঠোদ্ধাৰ 'ঁ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্রিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১০ দিন ৪ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ৯ ঃ চাফ-চিকুণতা | • সামাজিক তথা আবেগিক ক্রিয়া-কলাপঃ ক্রিয়া-কলাপ ৪<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্রিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১০ দিন ৫ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ৯ ঃ চাফ-চিকুণতা | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্রিয়া-কলাপঃ ক্রিয়া-কলাপ ৫ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১০ দিন ৬ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

# সপ্তাহ ১১

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ১০ঃ বেলি আৰু বতাহ | ● কবিতাঃ কবিতাটি আবৃত্তি কৰোঁ আহা (পৃষ্ঠা ৫২) (পাঠ্যপুথিৰ পৰা)<br>● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বুধিয়ক বীৰবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৩৭ | ● পাঠোদ্ধাৰ 'য' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১১ দিন ১ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ১০ঃ বেলি আৰু বতাহ | ● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বুধিয়ক বীৰবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৩৭ | ● পাঠোদ্ধাৰ 'য' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১১ দিন ২ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ১০ঃ বেলি আৰু বতাহ | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১<br>● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বুধিয়ক বীৰবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৩৭ | ● পাঠোদ্ধাৰ 'য' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১১ দিন ৩ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ১০ঃ বেলি আৰু বতাহ | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ২<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● পাঠোদ্ধাৰ 'য' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১১ দিন ৪ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ১০ঃ বেলি আৰু বতাহ | ● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ১<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১১ দিন ৫ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ১০ঃ বেলি আৰু বতাহ | ● কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ২ | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১১ দিন ৬ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

# সপ্তাহ ১২

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ১১ ঃ ৰান্ধনিঘৰৰ আলাপ | • কবিতাঃ বোন্দাৰ বিলৈ (পৃষ্ঠা ৬৬) (পাঠ্যপুথিৰ পৰা)<br>• কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | • পাঠোদ্ধাৰ 'ত্ৰ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১২ দিন ১ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ২ | পাঠ ১১ ঃ ৰান্ধনিঘৰৰ আলাপ | • কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | • পাঠোদ্ধাৰ 'ত্ৰ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১২ দিন ২ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ৩ | পাঠ ১১ ঃ ৰান্ধনিঘৰৰ আলাপ | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৩<br>• কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | • পাঠোদ্ধাৰ 'ত্ৰ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১২ দিন ৩ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ৪ | পাঠ ১১ ঃ ৰান্ধনিঘৰৰ আলাপ | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৪<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পাঠোদ্ধাৰ 'ত্ৰ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১২ দিন ৪ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ৫ | পাঠ ১১ ঃ ৰান্ধনিঘৰৰ আলাপ | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৩<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১২ দিন ৫ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ৬ | পাঠ ১১ ঃ ৰান্ধনিঘৰৰ আলাপ | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৪ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১২ দিন ৬ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |

## সপ্তাহ ১৫

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্রিয়া-কলাপৰ ক্রম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্রেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ১২ ঃ আমাৰ দিৱস | ● কবিতাঃ পঢ়া, কোৱা আৰু লিখা (পৃষ্ঠা ৭০) (পাঠ্যপুথিৰ পৰা)<br>● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'ন্দ' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্রিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৫ দিন ১ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ১২ ঃ আমাৰ দিৱস | ● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'ন্দ' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্রিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৫ দিন ২ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ১২ ঃ আমাৰ দিৱস | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৫<br>● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'ন্দ' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্রিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৫ দিন ৩ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ১২ ঃ আমাৰ দিৱস | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৬<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্রিয়া-কলাপ। | ● পাঠোদ্ধাৰ 'ন্দ' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্রিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৫ দিন ৪ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ১২ ঃ আমাৰ দিৱস | ● সামাজিক তথা আবেগিক ক্রিয়া-কলাপঃ ক্রিয়া-কলাপ ৫<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্রিয়া-কলাপ। | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৫ দিন ৫ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ১২ ঃ আমাৰ দিৱস | ● কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>● সামাজিক তথা আবেগিক ক্রিয়া-কলাপঃ ক্রিয়া-কলাপ ১ | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৫ দিন ৬ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

## সপ্তাহ ১৬

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ১৩ ঃ ডাক-ঘৰ | • কবিতাঃ ৰান্ধনিঘৰৰ আলাপ (পৃষ্ঠা ৯৫) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ সাহসী ল'ৰাজন (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৪৭ | • পাঠোদ্ধাৰ 'ন্ধ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৬ দিন ১ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ১৩ ঃ ডাক-ঘৰ | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ সাহসী ল'ৰাজন (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৪৭ | • পাঠোদ্ধাৰ 'ন্ধ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৬ দিন ২ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ১৩ ঃ ডাক-ঘৰ | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৭<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ সাহসী ল'ৰাজন (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৪৭ | • পাঠোদ্ধাৰ 'ন্ধ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৬ দিন ৩ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ১৩ ঃ ডাক-ঘৰ | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৮<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পাঠোদ্ধাৰ 'ন্ধ' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৬ দিন ৪ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ১৩ ঃ ডাক-ঘৰ | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ২<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৬ দিন ৫ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ১৩ ঃ ডাক-ঘৰ | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৩ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৬ দিন ৬ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

# সপ্তাহ ১৭

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ১৪ ঃ ঋতু আহে ঋতু যায় | ● কবিতাঃ বোন্দাৰ বিলৈ (পৃষ্ঠা ৬৬) (পাঠ্যপুথিৰ পৰা)<br>● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ভালুকে খেলিলে ফুটবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৫৭ | ● পাঠোদ্ধাৰ 'ন্ম' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৭ দিন ১ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ১৪ ঃ ঋতু আহে ঋতু যায় | ● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ভালুকে খেলিলে ফুটবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৫৭ | ● পাঠোদ্ধাৰ 'ন্ম' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৭ দিন ২ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ১৪ ঃ ঋতু আহে ঋতু যায় | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৯<br>● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ভালুকে খেলিলে ফুটবল (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৫৭ | ● পাঠোদ্ধাৰ 'ন্ম' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৭ দিন ৩ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ১৪ ঃ ঋতু আহে ঋতু যায় | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১০<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● পাঠোদ্ধাৰ 'ন্ম' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৭ দিন ৪ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ১৪ ঃ ঋতু আহে ঋতু যায় | ● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৪<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৭ দিন ৫ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ১৪ ঃ ঋতু আহে ঋতু যায় | ● কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৫ | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৭ দিন ৬ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

## সপ্তাহ ১৮

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • কবিতাঃ পখিলা (পৃষ্ঠা ২৭) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বেলি আৰু বতাহ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৮৬ | • পাঠোদ্ধাৰ 'ন্ত' আৰু 'ন্ন' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৮ দিন ১ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বেলি আৰু বতাহ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৮৬ | • পাঠোদ্ধাৰ 'ন্ত' আৰু 'ন্ন' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৮ দিন ২ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ বেলি আৰু বতাহ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-৮৬ | • পাঠোদ্ধাৰ 'ন্ত' আৰু 'ন্ন' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৮ দিন ৩ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ২<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পাঠোদ্ধাৰ 'ন্ত' আৰু 'ন্ন' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৮ দিন ৪ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ১<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৮ দিন ৫ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ১ ঃ আমাৰ পঢ়াশালি | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ২ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৮ দিন ৬ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

## সপ্তাহ ১৯

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ২ : কেৰ্কেটুৱাৰে মৰম | ● কবিতাঃ কবিতাটি আবৃত্তি কৰোঁ আহা (পৃষ্ঠা ৫২) (পাঠ্যপুথিৰ পৰা)<br>● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'প্ত' আৰু 'ক্ত' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৯ দিন ১ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ২ : কেৰ্কেটুৱাৰে মৰম | ● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'প্ত' আৰু 'ক্ত' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৯ দিন ২ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ২ : কেৰ্কেটুৱাৰে মৰম | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৩<br>● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'প্ত' আৰু 'ক্ত' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৯ দিন ৩ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ২ : কেৰ্কেটুৱাৰে মৰম | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৪<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● পাঠোদ্ধাৰ 'প্ত' আৰু 'ক্ত' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৯ দিন ৪ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ২ : কেৰ্কেটুৱাৰে মৰম | ● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৩<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৯ দিন ৫ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ২ : কেৰ্কেটুৱাৰে মৰম | ● কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৪ | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ১৯ দিন ৬ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

## সপ্তাহ ২১

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৩ ঃ অৰণ্যত দীপু | ● কবিতাঃ ৰান্ধনিঘৰৰ আলাপ (পৃষ্ঠা ৯৫) (পাঠ্যপুথিৰ পৰা)<br>● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'ত্ত' আৰু 'ল্ল' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২১ দিন ১ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ২ | পাঠ ৩ ঃ অৰণ্যত দীপু | ● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'ত্ত' আৰু 'ল্ল' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২১ দিন ২ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ৩ | পাঠ ৩ ঃ অৰণ্যত দীপু | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৫<br>● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'ত্ত' আৰু 'ল্ল' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২১ দিন ৩ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ৪ | পাঠ ৩ ঃ অৰণ্যত দীপু | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৬<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● পাঠোদ্ধাৰ 'ত্ত' আৰু 'ল্ল' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২১ দিন ৪ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ৫ | পাঠ ৩ ঃ অৰণ্যত দীপু | ● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৫<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২১ দিন ৫ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |
| ৬ | পাঠ ৩ ঃ অৰণ্যত দীপু | ● কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ১ | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২১ দিন ৬ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>............... |

# সপ্তাহ ২২

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৪ ঃ পখিলা | • কবিতাঃ ঋতু আহে ঋতু যায় (পৃষ্ঠা ১১৯) (পাঠ্যপুথিৰ পৰা)<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ আমাৰ দিৱস (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১০২ | • পাঠোদ্ধাৰ 'স্ব' আৰু 'স্ত' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২২ দিন ১ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ৪ ঃ পখিলা | • মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ আমাৰ দিৱস (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১০২ | • পাঠোদ্ধাৰ 'স্ব' আৰু 'স্ত' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২২ দিন ২ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ৪ ঃ পখিলা | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৭<br>• মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ আমাৰ দিৱস (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১০২ | • পাঠোদ্ধাৰ 'স্ব' আৰু 'স্ত' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২২ দিন ৩ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ৪ ঃ পখিলা | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৮<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পাঠোদ্ধাৰ 'স্ব' আৰু 'স্ত' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২২ দিন ৪ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ৪ ঃ পখিলা | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ২<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২২ দিন ৫ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ৪ ঃ পখিলা | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৩ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২২ দিন ৬ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

# সপ্তাহ ২৩

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | ● কবিতাঃ আমাৰ পঢ়াশালি (পৃষ্ঠা ১) (পাঠ্যপুথিৰ পৰা)<br>● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ডাক-ঘৰ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১১১ | ● পাঠোদ্ধাৰ 'শ্ন' আৰু 'শ্চ' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৩ দিন ১ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | ● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ডাক-ঘৰ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১১১ | ● পাঠোদ্ধাৰ 'শ্ন' আৰু 'শ্চ' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৩ দিন ২ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৯<br>● মৌখিক ভাবে কাহিনীৰ বৰ্ণনা ঃ ডাক-ঘৰ (পাঠ্যপুথিৰ পৰা) পৃষ্ঠা-১১১ | ● পাঠোদ্ধাৰ 'শ্ন' আৰু 'শ্চ' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৩ দিন ৩ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১০<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● পাঠোদ্ধাৰ 'শ্ন' আৰু 'শ্চ' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৩ দিন ৪ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | ● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৪<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৩ দিন ৫ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ৫ ঃ বুধিয়ক বীৰবল | ● কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৫ | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৩ দিন ৬ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

# সপ্তাহ ২৪

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কবিতাঃ পখিলা (পৃষ্ঠা ২৭) (পাঠ্যপুথিৰ পৰা)<br>• কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | • পাঠোদ্ধাৰ 'ষ্ক' আৰু 'ষ্ট' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৪ দিন ১ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | • পাঠোদ্ধাৰ 'ষ্ক' আৰু 'ষ্ট' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৪ দিন ২ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ১<br>• কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | • পাঠোদ্ধাৰ 'ষ্ক' আৰু 'ষ্ট' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৪ দিন ৩ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ২<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • পাঠোদ্ধাৰ 'ষ্ক' আৰু 'ষ্ট' ৰ ওপৰত কাৰ্য।<br>• পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>• কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৪ দিন ৪ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ১<br>• শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৪ দিন ৫ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ৬ ঃ সাহসী ল'ৰাজন | • কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>• সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ২ | • কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৪ দিন ৬ | • মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |


# সপ্তাহ ২৫

| দিন | পাঠ্যপুথি (পাঠ্যপুথিৰ ক্ৰিয়া-কলাপৰ ক্ৰম অনুসাৰে) | নিপুন অসম শিকন সামগ্ৰী | | | ট্ৰেকাৰ |
|---|---|---|---|---|---|
| | | মৌখিক ভাষাৰ বিকাশ | পাঠোদ্ধাৰ আৰু পাঠোদ্ধাৰ ভিত্তিক লিখন | পঠন | |
| | ৩০ মিনিট | ১০ মিনিট | ৩৫ মিনিট | ১৫ মিনিট | |
| ১ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | ● কবিতাঃ বোন্দাৰ বিলৈ (পৃষ্ঠা ৬৬) (পাঠ্যপুথিৰ পৰা)<br>● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'স্ব' আৰু 'স্প' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৫ দিন ১ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ২ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | ● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'স্ব' আৰু 'স্প' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৫ দিন ২ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৩ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৩<br>● কথোপকথন চাৰ্টৰ ওপৰত আলোচনা। | ● পাঠোদ্ধাৰ 'স্ব' আৰু 'স্প' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৫ দিন ৩ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৪ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | ● কবিতাঃ (কবিতা পোষ্টাৰৰ পৰা) কবিতা পোষ্টাৰ ৪<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● পাঠোদ্ধাৰ 'স্ব' আৰু 'স্প' ৰ ওপৰত কাৰ্য।<br>● পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ।<br>● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৫ দিন ৪ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৫ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | ● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৩<br>● শব্দ ভাণ্ডাৰ বিকশিত কৰাৰ ক্ৰিয়া-কলাপ। | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৫ দিন ৫ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |
| ৬ | পাঠ ৭ ঃ ভালুকে খেলিলে ফুটবল | ● কবিতা ঃ যিকোনো স্থানীয় বা আঞ্চলিক কবিতা।<br>● সামাজিক তথা আবেগিক ক্ৰিয়া-কলাপঃ ক্ৰিয়া-কলাপ ৪ | ● কাৰ্যপত্ৰৰ ভিত্তিত কাৰ্য ঃ সপ্তাহ ২৫ দিন ৬ | ● মৌচাক ২ ৰ পৰা পঠন। | চহী<br>................ |

# দ্বিতীয় শ্ৰেণীত ক্ৰিয়া-কলাপবোৰ কেনেদৰে পৰিচালনা কৰিব ?

এই শিক্ষকৰ হাতপুথিখনৰ ৩৭-৬৪ পৃষ্ঠাত সাপ্তাহিক আৰু দৈনিক পৰিকল্পনাবোৰৰ বাবে ক্ৰিয়া-কলাপ সমূহ বিস্তৃত ভাৱে বৰ্ণনা কৰা হৈছে। এইবোৰ নিম্নলিখিত ধৰণে ৰখা হৈছে ঃ

- মৌখিক ভাষা বিকাশ আৰু লিখনৰ সম্পৰ্কীয় ক্ৰিয়া-কলাপ।
- পাঠোদ্ধাৰ, পঠন আৰু লিখন সম্পৰ্কীয় ক্ৰিয়া-কলাপ।
- পঠন ক্ৰিয়া-কলাপ আৰু শিক্ষণ-শিকন পৰিকল্পনাৰ উদাহৰণ।



## ক্ৰিয়া-কলাপৰ মুখ্য স্তৰসমূহ

প্ৰতিটো ক্ৰিয়া-কলাপ পৰিচালনা কৰিববলৈ মুখ্যস্তৰসমূহ দিয়া হৈছে। শিক্ষকসকলে শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপবোৰ কৰোৱাবলৈ এই স্তৰবোৰ সঠিকভাৱে পঢ়ি বুজি ল'ব। এইস্তৰসমূহৰ আধাৰত নতুন পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে।



## শিক্ষণ-শিকন পৰিকল্পনা

শিক্ষণ-শিকন পৰিকল্পনা হৈছে শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপবোৰ কৰোৱাব পৰা এক পৰিকল্পনা। আপুনি প্ৰদত্ত ক্ৰিয়া-কলাপৰ বাবে লক্ষ্য, প্ৰয়োজনীয় প্ৰস্তুতি তথা সামগ্ৰীসমূহৰ বিষয়ে জানিব পাৰিব। ইয়াৰ উপৰি শিক্ষকে লক্ষ্য কৰিব লগীয়া মুখ্য দিশসমূহৰ লগতে ক্ৰিয়া-কলাপসমূহ কৰোৱা প্ৰক্ৰিয়াবোৰো দিয়া হৈছে।

## শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপসমূহ ফলপ্ৰসূভাৱে কৰোৱাবলৈ নিম্নলিখিত দিশসমূহ মন কৰিব ঃ

- শিক্ষকে শ্ৰেণীকোঠালৈ যোৱাৰ আগতে দৈনিক পৰিকল্পনা খন ভালকৈ পঢ়ি বুজি ল'ব। লগতে যিবোৰ ক্ৰিয়া-কলাপ শ্ৰেণীকোঠাত কৰোৱাব, সেইবোৰৰ বাবে দিয়া শিক্ষণ-শিকন পৰিকল্পনা আৰু স্তৰসমূহ বুজি লৈ প্ৰয়োজনীয় প্ৰস্তুতি আগতীয়াকৈ কৰি ল'ব।
- আটাইকেইটা ক্ৰিয়া-কলাপ শ্ৰেণীকোঠাত কৰোৱাবলৈ ক্ৰিয়া-কলাপসমূহৰ মুখ্য উদ্দেশ্য আৰু স্তৰসমূহ নিৰ্ধাৰিত কৰা হৈছে। এই স্তৰসমূহৰ বাবে প্ৰতীকটো ব্যৱহাৰ কৰা হৈছে। শিক্ষণ-শিকন পৰিকল্পনাৰ বাবে প্ৰতীকটো ব্যৱহাৰ কৰা হৈছে।
- ক্ৰিয়া-কলাপসমূহ কৰাই থকা সময়ছোৱাত অবিৰত মূল্যায়নৰ দ্বাৰা শিশুসকলৰ শিকন পৰ্যায়ৰ উমান ল'ব আৰু নিজৰ শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণ কৰিব। সময়ে-সময়ে পুনৰীক্ষণৰ আধাৰত শিক্ষণ প্ৰক্ৰিয়াত প্ৰয়োজনীয় পৰিৱৰ্তন আনিব।
- শিক্ষকে নিজেও বিভিন্ন বিষয়বস্তু আৰু কৌশলৰ বিকাশৰ বাবে শিক্ষণ-শিকন পৰিকল্পনা কৰি প্ৰয়োগ কৰিব পাৰে। শিক্ষকে নিজৰ শিক্ষণ-শিকন পৰিকল্পনা কৰিববলৈ হাতপুথি খনত দিয়া শিক্ষণ-শিকন পৰিকল্পনাৰ উদাহৰণবোৰৰ সহায় ল'ব পাৰে।

# মৌখিক ভাষাৰ বিকাশ

**মৌখিক ভাষাৰ বিকাশ (১০-১৫ মিনিট)**

- কবিতাৰ ক্ৰিয়া-কলাপ
- পাঠ্যপুথিৰ পাঠৰ দ্বাৰা মৌখিক ভাষা বিকাশ
- কথোপকথন চাৰ্ট/চিত্ৰ কাহিনীৰ বিষয়ে কাৰ্য
- মৌখিক কাহিনী শুনোৱা/পঢ়ি শুনোৱা আৰু আলোচনা কৰা
- সামাজিক আৰু আৱেগিক বিকাশ
- মৌখিক খেল আৰু লিখন ক্ৰিয়া-কলাপ
- সৃজনীমূলক কাৰ্যাৱলী

## কবিতাৰ ক্ৰিয়া-কলাপ

সময়ঃ ৫-৭ মিনিট

সামগ্ৰী ঃ কবিতাৰ পোষ্টাৰ, পাঠ্যপুথি

এই ক্ৰিয়া-কলাপৰ বাবে পাঠ্যপুথি আৰু কবিতা পোষ্টাৰৰ যিকোনো কবিতা ল'ব পাৰি। আপুনি স্থানীয় কবিতাও ল'ব পাৰে। আৰম্ভণিতে সৰু সৰু কবিতা ব্যৱহাৰ কৰিব পাৰে আৰু যিকোনো কবিতাৰ ক্ৰিয়া-কলাপ কৰিবলৈ তলত দিয়া ক্ৰম অনুসৰণ কৰিব।

1. শিক্ষকে প্ৰথমে কবিতাটো লয় আৰু ছন্দ মিলাই গাই শুনাব।
2. শিক্ষকে গাই থাকোতে শিক্ষাৰ্থীসকলক তেওঁৰ লগত গাবলৈ ক'ব।
3. এইদৰে ক্ৰিয়া-কলাপটো ২-৩ বাৰ কৰি যাওক, যাতে শিক্ষাৰ্থীসকলে কবিতাৰ লয় আৰু শব্দবোৰ ভালদৰে ধৰিব পাৰে।
4. শুনোৱা কবিতাৰ বিষয়ৰ লগত জড়িত বিষয়বস্তু আলোচনা কৰক।

## পাঠ্যপুথিৰ পাঠৰ দ্বাৰা মৌখিক ভাষা বিকাশ

সময়ঃ ৭-১০ মিনিট

সামগ্ৰী- পাঠ্যপুথি

ইয়াত দ্বিতীয় শ্ৰেণীৰ পাঠ্যপুথিৰ পাঠ সমূহক লৈ মৌখিক ভাষা বিকাশৰ বাবে এটা কাৰ্যপন্থা প্ৰস্তুত কৰা হৈছে। প্ৰত্যেক পাঠৰ ওপৰত তিনিদিন কাৰ্য কৰিব। এই সময়ত শিক্ষাৰ্থী সকলক পাঠ শুনি, বুজি, উচ্চস্তৰত মৌখিক কাৰ্য (যেনে- যুক্তি তৰ্ক কৰা, কল্পনা কৰা, মতামত ৰখা) আৰু বোধৰ ওপৰত ভিত্তি কৰি লিখনৰ কাৰ্য দিয়া হ'ব।

পাঠৰ ওপৰত ক্ৰিয়া-কলাপ কৰিবলৈ তিনিদিনৰ পৰিকল্পনা এনেধৰণৰ—

## প্ৰথম দিন ঃ পাঠ পঢ়া আৰু থূল-মূল আলোচনা কৰা

- পাঠৰ চিত্ৰ আৰু শিৰোনাম দেখুৱাই আলোচনা কৰিব আৰু পাঠটোৰ বিষয়ে অনুমান কৰিবলৈ দিব।
- পাঠটো স্পষ্টকৈ পঢ়ি শুনাব।
- শিশুসকলে বিষয়বস্তু বুজি পাইছেনে নাই সেইটো জানিবৰ বাবে তেওঁলোকক প্ৰশ্ন কৰিব।
- পাঠৰ কাৰ্যৰ শেষত বিষয়বস্তুৰ বোধৰ বাবে থূল-মূল আলোচনা কৰিব।

## দ্বিতীয় দিন ঃ পাঠ পঢ়া আৰু বিস্তৃত আলোচনা কৰা

- পাঠটো স্পষ্টকৈ পঢ়ি শুনাব
- পাঠটো পঢ়ি শুনোৱাৰ পাছত শিশুসকলক বোধৰ ওপৰত আধাৰিত প্ৰশ্ন কৰিব।
- পাঠৰ কাৰ্যৰ শেষত পাঠ্যপুথিত দিয়া মৌখিক ক্ৰিয়া-কলাপ কৰাব।
- শিশুসকলক কিছুমান লিখন, কাৰ্য, যেনে- বিষয়বস্তু/কাহিনীৰ চৰিত্ৰ পাত্ৰবোৰৰ নাম লিখা ইত্যাদি কৰিবলৈ দিব।

## তৃতীয় দিন ঃ পাঠটোৰ বিষয়বস্তুৰ বোধৰ ওপৰত আধাৰিত ক্ৰিয়া-কলাপসমূহঃ

পাঠৰ বিষয়ে পুনৰ সংক্ষিপ্ত আলোচনা কৰিব।

শিশুসকলৰ সৈতে পাঠটোৰ বোধৰ ওপৰত আধাৰিত ক্ৰিয়া-কলাপসমূহ, যেনে- শব্দ ভাণ্ডাৰৰ লগত জড়িত খেল, পাঠৰ মুখ্য ভাববোৰ বুজা, অভিনয় কৰা, কাহিনীৰ মুখ্য অংশৰ সৈতে চিনাকি হোৱা, কাহিনীৰ শেষ অংশ সাল-সলনি কৰা, কাহিনীত নতুন শব্দ অন্তৰ্ভুক্ত কৰি নতুন কাহিনী প্ৰস্তুত কৰা ইত্যাদি কৰাব।

পাঠৰ শেষত দিয়া পাঠ্যপুথিৰ অনুশীলনীবোৰ মৌখিকভাবে কৰাব।

*টোকা ঃ শিক্ষকে পাঠৰ ধৰণ বা প্ৰকৃতি অনুসৰি পৰিকল্পনা সাল-সলনি কৰিব পাৰে।*

### কথোপকথন চাৰ্ট/চিত্ৰ কাহিনীৰ বিষয়ে কাৰ্য

সামগ্ৰী- কথোপকথন চাৰ্ট, পাঠ্যপুথি

সময়ঃ ২০-২৫ মিনিট

চিত্ৰৰ বিষয়ে আলোচনা কৰিবলৈ কথোপকথন চাৰ্ট/চিত্ৰ কাহিনী আৰু পাঠ্যপুথিৰ চিত্ৰবোৰ ল'ব পাৰি। চিত্ৰৰ বিষয়ে আলোচনা কৰাৰ বাবে বিভিন্ন স্তৰ থাকিব পাৰে। সেইবোৰ ক্ৰমশঃ এনেধৰণৰ হ'ব পাৰে— যেনে, চিত্ৰত দেখা বিষয়বস্তু/চৰিত্ৰৰ নাম, সেইবোৰৰ বিষয়ে কোৱা, যুক্তি তৰ্ক কৰা, নিজৰ অভিজ্ঞতাৰ সৈতে জড়িত কৰি কোৱা ইত্যাদিবোৰ হ'ব পাৰে। এই কথা লক্ষ্য কৰা অতি প্ৰয়োজন যেনে- আলোচনা কৰাৰ বাবে শিশুৰ ঘৰুৱা ভাষা প্ৰয়োগ কৰিবলৈ সুযোগ দিয়া উচিত।

এই ক্ৰিয়া-কলাপৰ বাবে তলত দিয়া নিৰ্দেশনা সমূহ অনুসৰণ কৰিব—

শিক্ষাৰ্থী সকলক দলে প্ৰতি এখনকৈ কথোপকথন চাৰ্ট/চিত্ৰ কাহিনী দিব আৰু তেওঁলোকক পৰস্পৰে-পৰস্পৰত সৈতে চিত্ৰৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰিবলৈ ক'ব।

শিক্ষাৰ্থী সকলক চিত্ৰবোৰৰ বিষয়ে ক'ব আৰু প্ৰশ্নৰ জড়িয়তে তেওঁলোকক আলোচনাৰ বাবে উৎসাহিত কৰিব।

সকলো শিক্ষাৰ্থীয়ে আলোচনাত ভাগ লৈছে নে নাই লক্ষ্য ৰাখিব।

সহজ আৰু অভিজ্ঞতা জড়িত প্ৰশ্ন সুধি প্ৰতিটো দলত আলোচনা কৰিব।

পিছত শিক্ষাৰ্থীসকলক কল্পনা কৰিবলগীয়া, অনুমান কৰিবলগীয়া প্ৰশ্ন আদিৰ সহায়ত আলোচনা কৰিব।

শিক্ষাৰ্থী সকলক তেওঁলোকৰ কল্পনাৰ লগত জড়িত লিখন কাৰ্য, যেনে- (কথোপকথন চাৰ্ট হ'লে)- বজাৰৰ পৰা কি কি কিনা, সেইবোৰৰ চিত্ৰ আঁকা ইত্যাদি দিয়া।

## শিক্ষণ-শিকন পৰিকল্পনাৰ উদাহৰণ



### ছবিৰ বিষয়ে নিজা ভাষাত ২-৩ টা বাক্য কোৱা

মৌখিক ভাষা ১০ মিনিট

ছবিৰ বিষয়ত আলোচনা আৰু লিখন ক্ৰিয়া-কলাপ।

প্ৰস্তুতি আৰু সামগ্ৰী ঃ কথোপকথন চাৰ্ট, বোৰ্ড, চক

কথোপকথনচাৰ্ট খন চাই বুজি ল'ব আৰু আলোচনাত ব্যৱহাৰ হ'বলগীয়া বন্ধ পৰিসীমাৰ উত্তৰ (Closed ended) আৰু যুক্ত উত্তৰৰ (Open ended) প্ৰশ্নৰ নিৰ্বাচন কৰি থ'ব।

### শিক্ষকৰ বাবে কেইটামান প্ৰধান লক্ষ্য ৰাখিবলগীয়া দিশ ঃ

- শিশুৰ ঘৰুৱা ভাষাৰেই আলোচনা আৰম্ভ কৰিব।
- শিশুক নিজৰ মাজত কথা-বতৰা পাতিবলৈ সুযোগ দিব।
- কথা-বতৰাৰ মাজত যদি কোনো শব্দ বেছিভাগ শিশুৰ মাজত অপ্ৰচলিত বা অপৰিচিত হয়, তেনেহলে শব্দটো ঘৰুৱা ভাষাত কি বুলি কয় জানি লব।
- একে ধৰণৰ কথা-বতৰা যদি আগতেও হৈছিল, তেনেহলে সেইবোৰ কথাও আনিব।
- যুক্ত উত্তৰৰ প্ৰশ্নৰ উত্তৰ একাধিক হব পাৰে। উত্তৰ দিয়া সময়ত যেন শিশুক নিৰুৎসাহ কৰা নহয় সেই কথা মন কৰিব।

### প্ৰক্ৰিয়া (দিন-১) ঃ

শিশুসকলক ৪/৫ জনীয়া দলত বিভক্ত কৰি বহাওক। প্ৰতিটো দলকে এখনকৈ কথোপকথন চাৰ্ট দিব।

- শিশু সকলক ছবিবোৰ চাবলৈ কব আৰু প্ৰশ্নবোৰৰ জৰিয়তে কথা-বতৰা পাতিবলৈ উৎসাহ দিব।
- প্ৰথমে এটা দলত সোমাই শিশুক পোনপটীয়া আৰু সৰল প্ৰশ্ন সোধক। যেনে- এইখন কিহৰ ছবি? ছবিখনত কি কি হৈ থকা দেখিছা?
- আলোচনাটো আগবঢ়াওক আৰু শিশুৰ অভিজ্ঞতাৰ লগত খাপ খোৱা বিভিন্ন প্ৰশ্ন সুধিব।
- অন্য দলতো সোমাই একেদৰে শিশুসকলৰ সৈতে কাৰ্য কৰিব।
- বিষয় ভিত্তিক লিখন-ক্ৰিয়া-কলাপ, যেনে- ছবিখনৰ লগত জড়িত শব্দবোৰ লিখিব আৰু তাৰ পাছত একেলগে পঢ়িব আৰু সমবেত লিখন কাৰ্য কৰিবলৈ দিব।
- শিশুসকলক সৰু সৰু দলত বহাব। প্ৰতিটো দলক এখনকৈ কথোপকথন চাৰ্ট দিব আৰু নিজৰ মাজত বিষয়বস্তু সম্পৰ্কে আলোচনা কৰিবলৈ কব। শ্ৰেণীত ইফালে সিফালে চলা-ফুৰা কৰি মন কৰিব যে শিশুসকলে আলোচনাত ভাগ লৈছেনে নাই। আলোচনাত ভাগ লোৱাত তেওঁলোকক সহায় কৰিব।
- যিকোনো এটা দলৰ মাজলৈ গৈ যুক্ত উত্তৰৰ প্ৰশ্ন সুধিব- যেনে, লৰাবোৰ চাৰ্কাচলৈ কেনেদৰে গ'ল? সিহঁতে আইচক্ৰীম কেই টকাত কিনিলে? ইত্যাদি
- অন্য দলবোৰলৈ গৈও একেধৰণে কথাপতাত সহায় কৰিব।
- বিষয় ভিত্তিক লিখন ক্ৰিয়া-কলাপ কৰাব। যেনে- মেলাৰ পৰা তুমি কি কি কিনিবা? ছবি আঁকা।

## শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ

- সকলো শিশুৱে আলোচনাত ভাগ লৈছিলনে? যদি নাই লোৱা, তেনেহলে সেই শিশুসকলক চিনাক্ত কৰক, যদি পিছ পৰি ৰৈছে তেওঁলোকক পৰৱৰ্তী পৰ্যায়ত বিশেষ সুযোগ দিব আৰু আলোচনাত ভাগ লবলৈ উৎসাহিত কৰিব।

**পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনাৰ বাবে এনেধৰণৰ ক্ৰিয়া-কলাপ ক্ৰম অনুসৰণ কৰিব।**

### দিন - ১

- শিশুসকলৰ সৰু সৰু দল (৪-৫জনীয়া) গঠন কৰি তেওঁলোকক কথোপকথন চাৰ্টখন চাবলৈ দিব।
- শিশুসকলক ছবিৰ বিষয়ে সুধিব আৰু প্ৰশ্নৰ জৰিয়তে তেওঁলোকক আলোচনা কৰিবলৈ উৎসাহিত কৰিব।
- সৰল আৰু অভিজ্ঞতা ভিত্তিক প্ৰশ্ন সুধি আলোচনা কৰিব।
- ছবিৰ লগত জড়িত শব্দবোৰ শিশুসকলক সুধি বোৰ্ডত লিখিব আৰু তেওঁলোকৰ লগত একেলগে পঢ়িব।

### দিন - ২

- প্ৰথম দিনৰ দৰে শিশুসকলক দলত চাৰ্ট দিব আৰু তেওঁলোকৰ নিজৰ মাজত আলোচনা কৰিবলৈ দিব।
- শিশুসকলৰ মাজত কথা-বতৰা পাতিবলৈ দিব আৰু সকলো শিশুৱে এই কথা-বতৰাত ভাগ লৈছে নে নাই নিৰীক্ষণ কৰিব।
- দলৰ মাজলৈ গৈ শিশুসকলক কল্পনা, অনুমান কৰিব পৰাকৈ মুক্ত উত্তৰৰ প্ৰশ্ন সুধিব।
- শিশুসকলক তেওঁলোকৰ নিজা কল্পনাৰ আধাৰত ক্ৰিয়া-কলাপ কৰিবলৈ দিব।
  যেনে— দোকানৰ পৰা কি কি কিনিবা, তাৰ ছবি আঁকা ইত্যাদি।


## শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ

- সকলো শিশুৱে আলোচনাত ভাগ লৈছেনে?
- যি সকলে ভাগ লোৱা নাই বা যি সকল পিছ পৰি আছে, তেওঁলোকক চিনাক্ত কৰক আৰু শ্ৰেণীকোঠাত বিশেষভাৱে সুবিধা দিয়ক আৰু ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰক।

**মনত ৰাখিবলগীয়া কথা ঃ**

- শিশু সকলৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব লাগে।
- কথা-বতৰাৰ সময়ছোৱাত শিশুৰ উচ্চাৰণৰ ভুলক আওকাণ কৰিব পাৰিব।
- ঘৰুৱা ভাষা ব্যৱহাৰ কৰিবলৈ শিশুক উৎসাহিত কৰিব।

**বন্ধ পৰিসীমাৰ উত্তৰ আৰু মুক্ত উত্তৰৰ প্ৰশ্নৰ উদাহৰণঃ**
ছবি চাৰ্ট, এখন গাঁও



**বন্ধ পৰিসীমাৰ উত্তৰ প্ৰশ্নৰ উদাহৰণ ঃ**

- এইখন ছবিত কি কি দেখিছা?
- কোনে কি কৰিছে?

**মুক্ত উত্তৰৰ উদাহৰণঃ**

- এই ছবিখনত সকলোতকৈ ভাল লগা কামটো কি?
- তোমাৰ গাওঁখনক তুমি কিয় ভাল পোৱা?

## শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ উদাহৰণ

### মৌখিক কাহিনী শুনোৱা আৰু আলোচনা কৰা
**সামগ্ৰীঃ স্থানীয় কাহিনী/সাধু, পাঠ্যপুথি**
**সময় ঃ ১০ মিনিট**

কাহিনী/সাধু শুনোৱাৰ আগতে শিক্ষকে পঢ়ি বুজি ল'ব। শিশুসকলৰ বাবে কাহিনীটো/সাধুটো ৰসাল, চুটি, সৰল আৰু শিশুৰ বৌদ্ধিক স্তৰৰ সমপৰ্যায়ৰ হয়। কাহিনী শুনোৱাৰ বাবে স্পষ্ট আৰু সৰল ভাষাৰ প্ৰয়োগ কৰিব। ইয়াৰ লগে লগে স্থানীয় ভাষা/ঘৰুৱা ভাষা প্ৰয়োগ কৰিব। থলুৱাভাৱে প্ৰচলিত সাধুও নিৰ্বাচন কৰিব পাৰে।

### কাহিনী/সাধু শুনোৱাৰ উদ্দেশ্য ঃ

- শিশুৱে কাহিনী/সাধুটো শুনি বুজি পোৱা আৰু প্ৰতিক্ৰিয়া প্ৰকাশ কৰা।
- মৌখিক ভাৱে কাহিনী/সাধু শুনোৱা আৰু আলোচনা কৰা।

### প্ৰস্তুতি আৰু সামগ্ৰী ঃ

- শিক্ষকে আগতীয়াকৈ কাহিনী/সাধুটো পঢ়ি বুজি ল'ব আৰু কাহিনী/সাধুটোত থকা কঠিন শব্দ বা ধাৰণাবোৰৰ চিনাক্ত কৰিব।

### শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশ ঃ

- কাহিনী/সাধু শুনোৱাৰ সময়ছোৱাত সৰল আৰু স্পষ্ট ভাষা ব্যৱহাৰ কৰিব।
- শিশুৰ বাবে আমোদজনক, সৰল, চুটি আৰু শিশুৰ বৌদ্ধিক স্তৰৰ সমপৰ্যায়ৰ কাহিনী/সাধুহে নিৰ্বাচন কৰিব।
- কাহিনী/সাধুটোৰ আলোচনাত প্ৰয়োজন সাপেক্ষে স্থানীয়/ঘৰুৱা ভাষা ব্যৱহাৰ কৰিব।

### প্ৰক্ৰিয়া ঃ

- শ্ৰেণীটোৰ আৰম্ভণি অংগ-ভংগীৰে, থলুৱা গীত মাতেৰে কৰিব। ইয়াত সকলো শিশুকে ভাগ লবলৈ উৎসাহিত কৰিব।
- শিশুসকলক ঘূৰণীয়াকৈ বহুৱাই শিক্ষকজন মাজত বহি লৈ ক'ব- 'মই তোমালোকক এটা ধুনীয়া কাহিনী কম', শিশুক কাহিনীটোৰ নামটোৰ পৰা কাহিনীটোৰ বিষয়বস্তু অনুমান কৰিবলৈ দিব। যেনে- কাহিনীটোত কোন কোন থাকিব পাৰে? কাহিনীটোত কি হ'ব পাৰে? ইত্যাদি।
- তাৰ পাছত শিক্ষকে নিজৰ কণ্ঠস্বৰৰ উঠা নমা কৰি আৰু অংগ ভংগী কৰি কাহিনী/সাধুটো কব। প্ৰয়োজনত স্থানীয়/ঘৰুৱা ভাষা ব্যৱহাৰ কৰিব।
- কাহিনীটো শুনাই থকাৰ সময়ত মাজে মাজে শিশুসকলে কাহিনীটো ঠিকেই বুজিছেনে নাই পৰীক্ষা কৰিবলৈ, লগতে তেওঁলোকে কাহিনী/সাধুটো অনুমান কৰিব পাৰিছে নে নাই সেইটো জানিবলৈ দুই এটা প্ৰশ্ন কৰিব।
- কাহিনী/সাধু কোৱাৰ সময়ছোৱাত যদি কোনো কঠিন বা অপৰিচিত শব্দ আহি পৰে, তেনেহলে শব্দটোৰ প্ৰসংগৰ সৈতে অৰ্থ বুজাই দিব।
- কাহিনী/সাধু শুনোৱাৰ পাছত শিশুক কাহিনী/সাধুটো সন্দৰ্ভত বন্ধ পৰিসীমা আৰু মুক্ত উত্তৰৰ (উচ্চ স্তৰৰ চিন্তাৰ সুযোগ থকা) প্ৰশ্ন সুধিব, যেনে- কাহিনী/সাধুটোত কোন কোন আছিল? তোমাৰ কোনটো চৰিত্ৰ ভাল লাগিল আৰু কিয়? ইত্যাদি।
- বিভিন্ন প্ৰশ্নৰ সহায়ত আলোচনাটো সজীৱ কৰিব।

### শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ

- শিশুসকলে কাহিনী/সাধুটো বুজি পোৱাত অসুবিধা পাইছিল নে? যদি পাইছিল তাৰ কাৰণ জানিবলৈ চেষ্টা কৰিব।
- যিসকল শিশুৱে ভাগ লোৱা নাছিল, তেওঁলোকৰ লগত কথা-পাতিব আৰু সেই বিষয়ে ক্ৰিয়া-কলাপ কৰিব।

## পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনাৰ বাবে এনেধৰণৰ ক্ৰিয়া-কলাপৰ স্তৰসমূহ অনুসৰণ কৰিব ঃ

শিশুক কাহিনী/সাধুটোৰ নামটোৰ পৰা কাহিনী/সাধুটো অনুমান কৰিবলৈ দিব। যেনে কাহিনী/সাধুটোত কোন কোন থাকিব পাৰে? কাহিনী/সাধুটোত কি হ'ব পাৰে? ইত্যাদি।

তাৰপাছত শিক্ষকে কাহিনীটো/সাধুটো কণ্ঠস্বৰৰ উঠা-নমা কৰি আৰু অংগ-ভংগী কৰি কাহিনী/সাধুটো প্ৰয়োজনত ঘৰুৱা ভাষা প্ৰয়োগ কৰিব, কৰি মৌখিক ৰূপত শুনাব।

কাহিনীটো/সাধু শুনাই থকাৰ সময়ত মাজে-মাজে শিশুসকলে কাহিনীটো ঠিকেই বুজিছেনে নাই পৰীক্ষা কৰিবলৈ আৰু তেওঁলোকে কাহিনীটো অনুমান কৰিব পাৰিছে নে নাই তাক জানিবলৈ দুই এটা প্ৰশ্ন কৰিব পাৰে।

কাহিনী/সাধু কোৱাৰ সময়ছোঁৱাত যদি কোনো কঠিন বা অপৰিচিত শব্দ আহি পৰে, তেনেহলে শব্দটোৰ প্ৰসংগৰ সৈতে অৰ্থ বুজাই দিব।

কাহিনী/সাধু শুনোৱাৰ পাছত শিশুক কাহিনী/সাধুৰ সন্দৰ্ভত একমুখী আৰু বহুমুখী (উচ্চ স্বৰৰ চিন্তাৰ সুযোগ থকা) প্ৰশ্ন সুধিব।

অৱশেষত কাহিনীটোৰ লগত জড়িত কোনো লিখন ক্ৰিয়া-কলাপ, যেনে ছবি অঁকা, চৰিত্ৰৰ নাম লিখা, ৰং কৰা ইত্যাদি কৰিবলৈ দিব।

## কাহিনী পঢ়ি শুনোৱা আৰু আলোচনা কৰা

**সামগ্ৰীঃ স্থানীয় কাহিনী/সাধু, পাঠ্যপুথি**

**সময় ঃ ২০-২৫ মিনিট**

পঢ়ি শুনোৱাটো এটা ভাব বিনিময়মূলক প্ৰক্ৰিয়া যাৰ দ্বাৰা শিক্ষক আৰু শিক্ষাৰ্থীয়ে লিখিত পাঠক আধাৰ হিচাপে লৈ সাৰ্থক আলোচনা কৰিব পাৰে। ইয়াৰ বাবে বিগবুক বা যিকোনো ভাল সাধুপুথি ল'ব পৰা যায়। শিশুৰ পৰিৱেশ, শিকন স্তৰ, ৰুচিবোধ, ইত্যাদি দিশ বিবেচনা কৰি কাহিনী/সাধুপুথি নিৰ্বাচন কৰিব। কাহিনী/সাধু পঢ়ি শুনোৱা আৰু আলোচনাৰ শিক্ষণ-শিকন পৰিকল্পনা এনেধৰণৰ ঃ

### কাহিনী/সাধু পঢ়ি শুনোৱা

**সামগ্ৰীঃ কাহিনী/সাধু কিতাপ**

**সময় ঃ ১০ মিনিট**

**উদ্দেশ্য ঃ**

- শিশুৱে কাহিনী/সাধুটোৰ লিখিত ভাষা শুনি বাক্যৰ গঠন আৰু শব্দাৱলী বুজিব পাৰিব।
- শিক্ষকে কাহিনী/সাধু পঢ়ি শুনোৱা আৰু আলোচনা।

**প্ৰস্তুতি আৰু সামগ্ৰী ঃ**

- কাহিনী/সাধু কিতাপ এখন উলিয়াই ল'ব।
- শিক্ষকে কাহিনী/সাধুটো আগতীয়াকৈ পঢ়ি ল'ব আৰু কাহিনী/সাধুটোত থকা জটিল শব্দ চিনাক্ত কৰিব আৰু ধাৰণাবোৰ বুজি ল'ব।
- শিক্ষকে কাহিনী/সাধুটোৰ প্ৰধান শব্দ কেইটামানৰ কাৰ্ড সাজি লৈ দেৱালত আঁৰি দিব নাইবা বোৰ্ডত ডাঙৰ-ডাঙৰ আকাৰত লিখি ল'ব।

## শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশ ঃ

- পঢ়ি শুনোৱাৰ সময়ছোৱাত সৰল ভাষা ব্যৱহাৰ কৰিব।

## প্ৰক্ৰিয়া ঃ

- শ্ৰেণীটোৰ আৰম্ভণি, অংগ-ভংগীসহ থলুৱা গীত-মাতেৰে কৰিব। ইয়াত সকলো শিশুকে ভাগ ল'বলৈ উৎসাহিত কৰিব। এই ক্ৰিয়া-কলাপৰ বাবে ৫-৭ মিনিট সময় ৰাখিব।
- শিশুসকলক বৃত্তাকাৰে বহুৱাব। তাৰ পাছত শিশুক পুথিখনত থকা ছবিবোৰ দেখুৱাই কেইটামান প্ৰশ্ন সুধি অনুমান কৰিবলৈ দিব, যেনে কাহিনীটোত কোন কোন থাকিব পাৰে? কাহিনীটোত কি হব পাৰে?
- তাৰপাছত শিক্ষকে কাহিনী/সাধুটো কণ্ঠস্বৰৰ উঠা-নমা কৰি আৰু অংগ-ভংগী কৰি কাহিনী/সাধুটো পঢ়ি শুনাব। লিখিত পাঠটো শিক্ষকে সঠিক ৰূপত পঢ়াটো আৱশ্যকীয়। কাহিনী/সাধুটো দুই তিনিবাৰ পঢ়িব। কাহিনী/সাধুটোত থকা কঠিন শব্দৰ অৰ্থ থলুৱা ভাষাত বুজাই দিব। কাহিনী/সাধুটো শুনোৱাৰ পাছত শিক্ষকে শিশুৰ অনুমানৰ আধাৰত আলোচনা কৰিব, যেনে- তোমালোকে কাহিনী/সাধুটো শুনাৰ আগতে যি অনুমান কৰিছিলা, সেয়া মিলিছেনে? যদি মিলা নাই, তেনেহ'লে কি কি অমিল হৈছে? কাহিনী/সাধুটোত যিসকল থাকিব বুলি ভাবিছিলা, তেওঁলোক সকলো কাহিনীত আছিলনে? ইত্যাদি।
- এতিয়া প্ৰশ্নৰ সহায়ত আলোচনাটো সজীৱ কৰিব। শিশুক কাহিনীটো সন্দৰ্ভত বন্ধ পৰিসীমা আৰু যুক্ত উত্তৰ (উচ্চস্বৰৰ চিন্তাৰ সুযোগ থকা) প্ৰশ্ন সুধিব।
- অৱশেষত শিক্ষকে আগতীয়াকৈ লিখি থোৱা প্ৰধান শব্দবোৰ সকলো শিশুৰ লগতে একেলগে পঢ়িব।
- অৱশেষত কাহিনীটোৰ লগত জড়িত কোনো লিখন ক্ৰিয়া-কলাপ কৰিবলৈ দিব।

### শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ



- কাহিনীটো শিশুসকলে শুনি বুজিব পাৰিছেনে?
- যিসকল শিশুৱে কাহিনীটো বুজি পোৱা নাই, তেওঁলোকক কাহিনীটো পুনৰ বুজাই দিব।
- কথা-বতৰা পাতোতে প্ৰয়োজনত থলুৱা ভাষা ব্যৱহাৰ কৰিব।

## পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনা কৰাৰ বাবে তলত দিয়া স্তৰসমূহ অনুসৰণ কৰিব ঃ

**কাহিনী পঢ়ি শুনোৱাৰ আগতে কাহিনী/সাধুটোৰ শিৰোনাম আৰু ছবি দেখুৱাই কাহিনী/সাধুটোৰ বিষয়ে অনুমান কৰিবলৈ দিব।**

**শিশুসকলক বৃত্তাকাৰে বা ওচৰা-ওচৰিকৈ বহুৱাই আৰু কণ্ঠস্বৰৰ উঠা-নমাৰে কাহিনী/সাধুটো দুই তিনিবাৰকৈ পঢ়ি শুনাব।**

**কাহিনীটো শুনোৱাৰ পাছত শিশুৰ অনুমান সন্দৰ্ভত আলোচনা কৰিব আৰু কঠিন শব্দবোৰৰ অৰ্থ বুজাই দিব।**

**শিশুক বন্ধ পৰিসীমা আৰু যুক্ত উত্তৰৰ প্ৰশ্ন কৰিব।**

**অৱশেষত কাহিনীটোৰ লগত জড়িত যিকোনা লিখন ক্ৰিয়া-কলাপ কৰাব।**

# সামাজিক আৰু আবেগিক বিকাশ

**সামগ্ৰী ঃ ক্ৰিয়া-কলাপৰ ধৰণ অনুসৰি বিভিন্ন সামগ্ৰী** **সময়ঃ ৭ মিনিট**

শিশুসকলৰ লগত কাৰ্য কৰিবলৈ এইটো খুবেই গুৰুত্বপূৰ্ণ যে শিশুসকলৰ শাৰীৰিক বিকাশৰ সৈতে জড়িত দিশসমূহৰ লগতে মানসিক, সামাজিক আৰু আৱেগিক প্ৰয়োজনীয়তা সমূহকো বুজাটো প্ৰয়োজন এইটো তেতিয়াহে সম্ভৱ হয়, যেতিয়া শিক্ষকে শিশুসকলৰ সৈতে জড়িত হ'ব। বিগত কিছু বছৰ ধৰি হোৱা গৱেষণাই দেখুৱাইছে যে, যদি শিশুৱে আবেগিক আৰু সামাজিক ভাৱে নিৰাপদ, সহজ আৰু ভয় মুক্ত পৰিৱেশ পায়, তেন্তে শিকন প্ৰক্ৰিয়াত ই এক ইতিবাচক প্ৰভাৱ পেলায়।

বিভিন্ন বৈজ্ঞানিক গৱেষণাই দেখুৱাই যে, 'আনন্দমনৰ শিশুসকল সু-স্বাস্থ্যৰো অধিকাৰী হয়।" অৰ্থাৎ শিশুসকলৰ ৰং মনৰ আৱেগে তেওঁলোকৰ শিক্ষণ-শিকনত প্ৰভাৱিত কৰে। শিশুৱে যদি কিবা কৰণত বিমোৰত পৰে, সহজ আৰু নিৰাপদ অনুভৱ নকৰে বা নিজকে শ্ৰেণীকোঠাৰ এক গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপে গণ্য কৰিব নোৱাৰে, তেন্তে শ্ৰেণীকোঠাৰ কাৰ্যৰ লগতে আন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সৈতে তেওঁ আত্মীয়তা অনুভৱ নকৰে। ইয়াৰ ফলত তেওঁলোকৰ শিকনত যথেষ্ট নেতিবাচক প্ৰভাৱ পৰে।

সেইবাবেই শ্ৰেণীকোঠাত ভয়মুক্ত পৰিৱেশ সৃষ্টি কৰাটো খুবেই আৱশ্যক। তাৰবাবে আমি সকলো ছাত্ৰ-ছাত্ৰীক সূক্ষ্মভাৱে দৃষ্টিত ৰাখিবলৈ আৰু বুজিবলৈ প্ৰয়াস কৰিব লাগিব। শিশু সকলক নিজৰ ভাৱ প্ৰকাশ কৰিবলৈ পৰ্যাপ্ত সুযোগ দিব লাগিব, যদিওবা তেওঁলোক কোনো কথাত ক্ষুণ্ণ বা দুখ কৰি থাকে। ইয়াৰ লগতে ভাবনা বা আৱেগক ভুল বা শুদ্ধ হিচাপে মন্তব্য নিদিবলৈ যত্ন কৰিব লাগিব। শিক্ষকে এইটো বুজিবলৈ যত্ন কৰিব লাগিব যে তেওঁলোক কিয় আৰু কিহৰ বাবে আবেগিক হৈ পৰিছে? প্ৰয়োজন হ'লে শিশুসকলৰ পৰিয়ালৰ সৈতে কথা পাতিব আৰু যিকোনো পৰিস্থিতিতে শিশুসকলৰ প্ৰতি নেতিবাচক ধাৰণা লোৱাৰ পৰা বিৰত থাকিব।

## ক্ৰিয়া-কলাপ- ১ ঃ কি ভাল লাগিল ঃ-

**পদ্ধতি ঃ -**

১। শিক্ষকে শিশুসকলক ইজনে সিজনক দেখা পোৱাকৈ বহুৱাব (উদাহৰণ ঃ বৃত্তাকাৰত বা ইংৰাজী 'U' ৰ আকাৰত)

২। শিক্ষকে সৰু বল এটা (কাগজৰ বল) ল'ব। শিক্ষকে যিকোনো এজন শিশুক বলটো দিব আৰু সুধিব- যে "ভাষাৰ শ্ৰেণীত কৰা ক্ৰিয়া-কলাপৰ ভিতৰত কোনটো আটাইতকৈ ভাল লাগিছে?"

৩। যিজন শিশুৰ হাতত বল থাকিব, তেওঁ ভাল লগা ক্ৰিয়া-কলাপটো কৈ আন যিকোনো এজনলৈ বলটো দিব। এনেদৰে খেলটো আগবঢ়াই নিব। সকলো শিশুক ক'বলৈ সুযোগ দিব আৰু নিৰাপদ পৰিৱেশ সৃষ্টি কৰি শিশুক নিজৰ মতামত প্ৰকাশ কৰাৰ সুযোগ দিব।

## ক্ৰিয়া-কলাপ- ২ ঃ মোৰ ভাল লগা ঃ-

**পদ্ধতি ঃ -**

১। শিশুসকলক বৃত্তাকাৰত থিয় কৰাব আৰু শিক্ষকে বৃত্তৰ মাজত থিয় হৈ নিজৰ ভাল লগা কিছুমান বিষয়ৰ ৪-৫ টা বাক্য ক'ব, যেনে- পৰিয়াল, প্ৰিয় খাদ্য, প্ৰিয় খেল, প্ৰিয় বন্ধুৰ বিষয়ে আদি।

২। ইয়াৰ পিছত শিক্ষকে যিকোনো এজন শিশুক মাজলৈ আহি নিজৰ বিষয়ে ক'বলৈ দিব। শিশুজনে কোৱা কথাখিনি বৃত্তাকাৰত থকা কোনো শিশুৰ সৈতে একে হ'লে বৃত্তাকাৰৰ সেই শিশুসকলে "মোৰ সৈতে একে"। বুলি হাত দাঙি ক'ব।

৩। ইয়াৰ মাজত ইতিমধ্যে মাজলৈ আহি কোৱা ছাত্ৰ-গৰাকীয়ে বৃত্তত হাত নদঙা যিকোনো ছাত্ৰ-ছাত্ৰীৰ ওচৰলৈ যাব আৰু তেওঁ একেদৰে বৃত্তৰ মাজলৈ আহি তেওঁৰ ভাল লগা বিষয়ে ক'ব।

৪। এনেদৰে খেলটো চলাই থাকিব।

## ক্ৰিয়া-কলাপ- ৩ ঃ সুৰৰ লহৰ ঃ-

**পদ্ধতি ঃ -**

১। ছাত্ৰ-ছাত্ৰীক এটা পৰিচিত গীত সমূহীয়াভাবে গাবলৈ দিব।

২। যেতিয়া শিশুৱে গীত গাব, তেতিয়া শিক্ষকে নিজৰ হাত তল-ওপৰ কৰিব। শিশুৱে শিক্ষকৰ হাত লক্ষ্য কৰি গাই থকা গীতৰ সুৰ উচ্চ আৰু নিম্ন স্বৰত গাব। যদি শিক্ষকে লাহে লাহে হাত ওপৰলৈ নিয়ে তেন্তে শিশুৱে গাই থকা গীতৰ সুৰ লাহে লাহে সলনি কৰি উচ্চ স্বৰত আৰু হাত তললৈ নিলে নিম্ন স্বৰত গাব। হাত ওপৰলৈ আৰু তললৈ নিয়াৰ গতি অনুসৰি সুৰৰ মাত্ৰা সলনি কৰিব।

৩। প্ৰথমে শিক্ষকে অনুশীলন কৰি ক্ৰিয়া-কলাপটো শিশুক বুজি পোৱাত সহায় কৰিব।

## ক্ৰিয়া-কলাপ- ৪ ঃ একেবাৰে মোৰ দৰে ঃ-

**পদ্ধতি ঃ -**

১। শিশু সকলক বৃত্তাকাৰে বহিবলৈ দিব, যাতে ইজনে সিজনক সহজে দেখা পায়।

২। শিশুসকলৰ মাজত এটা কাগজৰ বল দিয়া হ'ব যিটো এজনে আনজনলৈ আগবঢ়াব। তেওঁলোকক ক'ব যে যাৰ ওচৰত কাগজৰ বলটো থাকিব, তেওঁ নিজে ভাল পোৱা খাদ্য এবিধৰ বিষয়ে ক'ব লাগিব আৰু তাৰপিছত বলটো পৰৱৰ্তী শিশুজনলৈ আগবঢ়াই দিব। কোনো এগৰাকীয়ে নিজৰৰ ভাল পোৱা খাদ্যটো কওঁতে যদি আগতে কোৱা আন এগৰাকীৰ লগত মিলে, তেন্তে আগতে কোৱা গৰাকীয়ে "একেবাৰে মোৰ দৰে" বুলি ক'ব। তলৰ দিশবোৰ সামৰি নিজে ভাল পোৱা খাদ্যটোৰ বিষয়ে ক'ব।

- ভাল পোৱা খোৱা বস্তুৰ নাম
- বস্তুটো কেতিয়া আৰু ক'ত খায়?
- কোনে তৈয়াৰ কৰি দিয়ে?
- কাৰ সৈতে ভগাই খায়?
- ইয়াক কেনেদৰে তৈয়াৰ কৰা হয়।
- ইয়াৰ সৈতে জড়িত স্মৃতি, ইত্যাদি।
- শিক্ষকে নিজেই এবাৰ কৰি দেখুৱাব।

## ক্ৰিয়া-কলাপ- ৫ ঃ সমনীয়াক প্ৰশংসা কৰোঁ আহা ঃ-

**পদ্ধতি ঃ -**

১। প্ৰথমে শিশুসকলক পৰিপাটিকৈ বৃত্তাকাৰে বহুৱাব। এতিয়া এগৰাকী শিশুক এটা কাগজৰ বল দিব। তাৰ পাছত কাগজৰ বলটো ইজনৰ পৰা সিজনৰ ওচৰলৈ নিবলৈ শিশুসকলক ক'ব। এতিয়া শিক্ষকে এটা চিনাকী গানৰ কলি গাব। কলিটো শেষ হোৱাৰ লগে লগে বলটো যাৰ কাষ পাব তেওঁ শ্ৰেণীকোঠাত থকা কোনো সমনীয়াৰ বিষয়ে প্ৰশংসা কৰি এটা বাক্য ক'ব। সকলো শিক্ষাৰ্থীয়ে কমকৈ/সামান্যকৈ হ'লেও নিজৰ মত প্ৰকাশ কৰিব।

২। শিক্ষকে প্ৰথমে কৰাৰ পাছত বাকী শ্ৰেণীকোঠাৰ শিশুসকলে খেলটো এইদৰে আগবঢ়াব।

৩। শিশুসকলক কমকৈ হ'লেও স্বতঃস্ফূৰ্তভাৱে নিজৰ মত প্ৰকাশ কৰাৰ ক্ষেত্ৰত শিক্ষকে সহায় কৰক।

৪। শিশুসকলৰ সহযোগিতা বৃদ্ধি কৰিবলৈ এটা সুৰক্ষিত পৰিৱেশ সৃষ্টি কৰিব।

# মৌখিক খেল আৰু ক্ৰিয়া-কলাপ

**সামগ্ৰী ঃ বেলেগ বেলেগ ক্ৰিয়া-কলাপ অনুসৰি লোৱা বিভিন্ন সামগ্ৰী সমূহ।** **সময়ঃ ১০-১৫ মিনিট**

**এই ক্ৰিয়া-কলাপৰ মুখ্য উদ্দেশ্য হৈছে—**

১। শিশুৰ আনন্দৰ বাবে ভাষা ব্যৱহাৰ কৰা।
২। শিশুৰ মানসিক ক্ষমতাৰ বিকাশ কৰা।
৩। শিশুৰ চিন্তা, ভাৱনা, বিচাৰ প্ৰকাশ কৰিবলৈ দিয়া আৰু অধিক কথা ক'বলৈ দিয়া।
৪। শিশুৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰা।

**প্ৰায় ১০ মিনিট সময়ৰ বাবে সকলো শিশুৰ লগত সৰু-সৰু মৌখিক খেল আৰু ক্ৰিয়া-কলাপ কৰা হ'ব আৰু এইবোৰৰ বিৱৰণ তলত দিয়া হৈছে—**

**মন কৰিবলগীয়া কথা—**

১। শিশুৰ ৰুচি অনুসৰি একোটা ক্ৰিয়া-কলাপ কিছুদিন একেধাৰে কৰাব পাৰি আৰু প্ৰয়োজন অনুসৰি সাল-সলনি কৰিবও পাৰি।
২। কিছুমান ক্ৰিয়া-কলাপ আকৌ এনেধৰণৰ, যিবোৰ বিভিন্ন ধৰণে কৰাব পাৰি। এই ক্ষেত্ৰত প্ৰয়োজন অনুসৰি ক্ৰিয়া-কলাপৰ ধৰণ আৰু জটিলতাবোৰ অৱশ্যে সাল-সলনি কৰিব পাৰি।
৩। খেল চলি থকা সময়ত সকলো শিশুৱে কথা ক'বলৈ সুবিধা পোৱাটো নিশ্চিত কৰিব। যিবোৰ শিশুৱে কম কথা কয়, তেওঁলোকক কথা ক'বলৈ অধিক উৎসাহ দিব। সকলো শিশুৰ সহযোগিতা আৰু অংশগ্ৰহণ সুনিশ্চিত কৰিব।
৪। কিছুমান ক্ৰিয়া-কলাপৰ উদাহৰণ দিয়া হৈছে, যিবোৰ আপুনি শ্ৰেণীকোঠাত একেধৰণে বা সাল-সলনি কৰি কৰিব পাৰে বা আপুনি আৰু তেনে ধৰণৰ নতুন নতুন খেলৰ ক্ৰিয়া-কলাপো কৰিব পাৰে।

## ক্ৰিয়া-কলাপ- ১ ঃ কৰি দেখুৱাও আহা ঃ-

এই খেলত শিশুসকলে বেলেগ বেলেগ ধৰণৰ বিষয়, কৌশল আৰু বিভিন্ন বস্তু সম্পৰ্কীয় কিছমান বাক্য ক'বলৈ প্ৰয়াস কৰিব।
সামগ্ৰী ঃ কাগজৰ টুকুৰা, কিছুমান লিখিত চানেকি/পোষ্টাৰ।

### পদ্ধতি ঃ

১। শিক্ষকে বিভিন্ন বিষয়ৰ চানেকি/পোষ্টাৰ কিছুমান প্ৰস্তুত কৰি লব। যেনে- কবিতা শুনোৱা, কাহিনী/গল্প শুনোৱা, গান গোৱা, জন্তুৰ মাত উলিওৱা, কৌতুক শুনোৱা ইত্যাদি।
২। শিশু সকলৰ লগত বৃত্তাকাৰে ঘেৰত বহি লওক। লিখিত চানেকিবোৰ নিজৰ সম্মুখত ৰাখক আৰু যিকোনো এগৰাকী শিশুক কাগজৰ টুকুৰাৰে প্ৰস্তুত কৰা বল এটা দিয়ক। এতিয়া সকলোৱে তালি বজাওক আৰু যেতিয়ালৈ তালি বাজিব, তেতিয়ালৈ শিক্ষাৰ্থীসকলে ক্ৰম অনুসৰি ইজনে-সিজনক কাগজৰ বলটো দি যাব।
৩। তালি বন্ধ কৰাৰ লগে লগে কাগজৰ টুকুৰাৰ বলটো যিগৰাকী শিশুৰ ওচৰ পায়, তেওঁ সন্মুখত থকা চানেকি/পোষ্টাৰবোৰৰ পৰা এখন উঠাই আনি সেই বিষয়ে পঢ়ি শুনাব।
৪। শিশুসকলে চানেকি/পোষ্টাৰত লিখা থকা কাৰ্যটো কৰি দেখুৱাব, যেনে- যদি চানেকিত "কবিতা শুনোৱা" লিখা থাকে, শিশুগৰাকীয়ে কবিতা শুনাব। এইদৰে পুনৰ শিক্ষকে শিশুসকলৰ লগত তালি বজাব আৰু খেলটো আগবঢ়াব।

## ক্ৰিয়া-কলাপ- ২ ঃ এইটো কি ? ঃ-

এই খেলটোত এগৰাকী শিশুৱে নিৰ্বাচিত বস্তুৰ বিষয়ে বিশেষভাৱে ক'ব আৰু আন সকলে সেই বিশেষত্বৰ ওপৰত ভিত্তি কৰি বস্তুটোৰ 'নাম কি হ'ব' সেই বিষয়ে অনুমান কৰিব। এনেদৰে খেলটো আগবঢ়াই নিব।
সামগ্ৰী ঃ কিছুমান চিত্ৰ কাৰ্ড।

### পদ্ধতি ঃ

১। সকলো শিশুক 'ইউ' (U) আকাৰত বহুৱাব আৰু কাৰ্ডবোৰ ওলোটা কৰি ৰাখিব । কোনো এজন শিক্ষাৰ্থীক আগবাঢ়ি আহি এখন চিত্ৰকাৰ্ড উঠাই চাবলৈ দিয়ক। লক্ষ্য ৰাখিব লাগে যাতে এই চিত্ৰকাৰ্ডখন বাকী শিক্ষাৰ্থী সকলে দেখা নাপায়।

২। এতিয়া চিত্ৰকাৰ্ডত থকা জন্তু/ফল/বস্তুৰ বিষয়ে তেওঁলোকক ক'বলৈ দিয়ক, উদাহৰণস্বৰূপে - যদি চিত্ৰকাৰ্ডখনত 'আম'ৰ চিত্ৰ থাকে তেন্তে তেওঁ ক'ব পাৰিব যে- "এইটো এটা ফল, ইয়াৰ সোৱাদ মিঠা। আমি গৰমৰ দিনত এই ফল খাওঁ ইত্যাদি।"

৩। এইবোৰ শুনি শ্ৰেণীৰ বাকী শিশু সকলে কাৰ্ডত থকা বস্তুটোৰ নাম কি হ'ব আদি অনুমান কৰি কব। (আৰম্ভণিতে শিক্ষকে কৈ থকা শিশুসকলক ক্ৰিয়া-কলাপটো আগবঢ়াই নিয়াত সহায় কৰিব আৰু ক'ব "এতিয়া ইয়াৰ ৰঙৰ বিষয়ে কোৱা," "ইয়াৰ আকাৰ কেনেকুৱা কোৱাচোন", ই কি শ্ৰেণীত পৰে কোৱা, যেনে- ফল, জন্তু শাক-পাচলি; চৰাই-চিৰিকটি ইত্যাদি।) এবাৰ শিশু সকলে খেলটো বুজি উঠাৰ পাছত শিক্ষকে সহায় কৰিবলৈ এৰি দিব। শেষত শিশুসকলে নিজে কৰিব।



শিল্পী ঃ য়েভনিল ডুবিন্‌কো

# মৌখিক ভাষাৰ লগত জড়িত লিখনৰ ক্ৰিয়া-কলাপ

মৌখিক ভাষাৰ লগত জড়িত ক্ৰিয়া-কলাপবোৰৰ লগত লিখন কাৰ্যও জড়িত আছে। লিখন ক্ৰিয়া-কলাপ সমূহ মৌখিক ক্ৰিয়া-কলাপ যেনে- চাৰ্টৰ বিষয়ে আলোচনা, কাহিনী শুনোৱা, খেল খেলা আদিৰ সৈতে জড়িত।

**এইবোৰ কৰাৰ সময়ত তলত দিয়া স্তৰবোৰ অনুসৰণ কৰিব—**

**চিত্ৰ অংকন ঃ** **সময় ঃ ৫-৭ মিনিট**

- মৌখিক ক্ৰিয়া-কলাপৰ পাছত শিশুসকলক চিত্ৰ আঁকিবলৈ দিব, ৰং কৰিবলৈ দিব আৰু নাম লিখিবলৈ দিব।
- অংকিত চিত্ৰৰ বিষয়ে কিছুমান অন্য শব্দ/বাক্য লিখিবলৈ দিব।
- অংকিত চিত্ৰৰ বিষয়ে শ্ৰেণীকোঠাত শিশু সকলৰ লগত আলোচনা কৰিব।

**মন কৰিবলগীয়া কথা ঃ**

শিশুসকলক চিত্ৰ আঁকিবলৈ সুবিধা দিব। এই সময়ত শিশু সকলক চিত্ৰ কেনেকৈ আঁকিব লাগে, কি ৰং ব্যৱহাৰ কৰিব লাগে আদি ক'ব নালাগে।

চিত্ৰবোৰ সেইদিনা কোৱা বা শুনোৱা কাহিনী বা পাঠৰ লগত সম্পৰ্ক থকা হ'ব পাৰে। শিশু সকলে যি ধৰণৰ চিত্ৰ আঁকে তাৰ বিষয়ে আলোচনা কৰিব।


**স্বতন্ত্ৰ লিখন ঃ**

- শিশু সকলক কোনো চিত্ৰ/কাহিনী বা যিকোনো অভিজ্ঞতাৰ বিষয়ে নিজৰ ভাষাত লিখিবলৈ কিছু সময় দিব।
- লিখাৰ পাছত তেওঁলোকক নিজৰ লিখাখিনিৰ বিষয়ে পঢ়িবলৈ ক'ব আৰু ইয়াৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিশুসকলৰ লিখাখিনি শ্ৰেণীকোঠাত প্ৰদৰ্শন কৰিব আৰু এটা নিৰ্দিষ্ট সময়ৰ বিৰতিৰ পাছত সেইবোৰ আলোচনা কৰি সলনি আৰু সংশোধন কৰি গৈ থাকিব।

**মন কৰিবলগীয়া কথা ঃ**

লিখনৰ সময়ত শিশুসকলক নিজৰ ইচ্ছানুসৰি লিখিব দিব। তেওঁলোকে ভালকৈ লিখিব নোৱাৰিবও পাৰে, কেৱল আক্‌বাক্, আকৃতি বা বৰ্ণৰ দৰে কিবা লিখি থ'ব পাৰে। আপুনি শিশুসকলৰ লগত সেইবোৰ চাব ,পঢ়িব আৰু তেওঁলোকক উৎসাহিত কৰি যাব।

# পাঠোদ্ধাৰ (ডিক'ডিং) আৰু ইয়াৰ সম্বন্ধীয় লিখন ক্ৰিয়া-কলাপ




## শব্দৰ প্ৰথম ধ্বনিৰ পৰিচিতি (১০-১৫ মিনিট)

- শিক্ষকে যিকোনো বিশেষ ধ্বনিৰ দ্বাৰা আৰম্ভ হোৱা (যেনে- মৰম, শব্দটোত 'ম') যিকোনো (শিশুৰ ঘৰুৱা ভাষাত ব্যৱহাৰ হোৱা শব্দ হলেও হ'ব) শব্দ ক'ব। তাৰপাছত শব্দটোৰ প্ৰথম ধ্বনিটো স্পষ্টকৈ ক'ব। তাৰপাছত আৰু তিনি-চাৰিটা সেই একে ধ্বনিৰে আৰম্ভ হোৱা শিশুৰ চিনাকি শব্দ ক'ব (যেনে-মকৰা, মটৰ, মলম, মম ইত্যাদি)। শিশুৰ মনোযোগ 'ম' ধ্বনিটোৰ প্ৰতি নিবদ্ধ কৰিব।
- তাৰপাছত শিক্ষকে আৰু কেইটামান বেলেগ শব্দ ক'ব। তাৰ মাজতে সেই বিশেষ ধ্বনিৰে আৰম্ভ হোৱা শব্দও থাকিব। যদি শব্দকেইটাৰ মাজত সেই বিশেষ ধ্বনিৰ 'ম' ৰে আৰম্ভ হোৱা শব্দ থাকে, তেনেহ'লে শিশুক হাত দাঙিবলৈ ক'ব।
- এতিয়া শিক্ষকে সেই ধ্বনিৰে আৰম্ভ হোৱা শব্দ ক'বলৈ শিশুসকলক কব (এই শব্দবোৰৰ মাজত শিশুৰ ঘৰুৱা ভাষাৰ শব্দ থাকিলেও শিক্ষকে তেওঁলোকক ক'বলৈ উৎসাহিত কৰিব)।

## বৰ্ণ পৰিচয়ৰ ক্ৰিয়া-কলাপ (১৫ মিনিট)

ধৰি লওক 'ম' বৰ্ণটোৰ সৈতে চিনাকি হৈ ধ্বনিটো ক'ব আৰু লিখিব লাগে।

**শিক্ষণ-শিকন পৰিকল্পনাৰ উদাহৰণ—**

**বৰ্ণ পৰিচয়ৰ ক্ৰিয়া-কলাপ**
**সামগ্ৰীঃ বোৰ্ড, চ'ক, বৰ্ণকাৰ্ড, পাঠ্য পুথি আৰু কাৰ্যপত্ৰ**
**সময় ঃ ১৫ মিনিট**

**প্ৰস্তুতি আৰু সামগ্ৰী ঃ**

- সামগ্ৰী - বোৰ্ড, চ'ক, বৰ্ণকাৰ্ড, পাঠ্য পুথি আৰু কাৰ্যপত্ৰ
- শিক্ষকে আগতীয়াকৈ বৰ্ণকাৰ্ড বাচি ৰাখিব।
- 'ম' বৰ্ণৰে আৰম্ভ হোৱা সৰল আৰু শিশুৰ চিনাকি শব্দৰ এখন তালিকা প্ৰস্তুত কৰিব।

**শিক্ষকৰ বাবে মনত ৰাখিব লগীয়া কেইটামান দিশ ঃ**

- বৰ্ণ শিকাৰ অৰ্থ হল বৰ্ণৰ আকৃতিৰ লগত ধ্বনি মিলোৱা, বৰ্ণটোৰ আকৃতিটো চাই বৰ্ণৰ ধ্বনি ক'ব পৰা আৰু লিখিব পৰা।
- শিশুৱে পাঠ্যপুথি আৰু কাৰ্যপত্ৰ- উভয়কে ব্যৱহাৰ কৰিব পৰা।

**প্ৰক্ৰিয়া ঃ**

- শিশুক বৃত্তাকাৰে বহুৱাব আৰু শিক্ষকেও তেওঁলোকৰ লগত বহিব।
- শিশুসকলৰ মাজত চিনাকি শব্দ এটা লৈ শিক্ষকে সেই শব্দটো প্ৰথমে কৈ পাছত ধ্বনিবোৰ এটা এটাকৈ ভাঙি ক'ব। যেনে- মৰম (ম-ৰ-ম)। শিক্ষকে 'মৰম' শব্দটোৰ পৰা 'ম' ধ্বনিটো, শিশুসকলক চিনাক্ত কৰিবলৈ ক'ব। একে পদ্ধতিৰে তেওঁ শিশুসকলৰ চিনাকি আৰু একে ধ্বনিৰে আৰম্ভ হোৱা আন কেইটামান (তিনি-চাৰিটা) শব্দ ক'ব আৰু 'ম' ধ্বনিটো চিনাক্ত কৰিবলৈ দিব।
- 'মকৰা' শব্দটো বোৰ্ডত লিখিব আৰু প্ৰথম ধ্বনি 'ম'ত গোল চিন দিব। লগতে তেওঁ 'ম'ৰ উচ্চাৰণ কৰি শিশুসকলক শুনাব।
- তাৰ পাছত তেওঁ শিশুসকলক 'ম' থকা বৰ্ণ কাৰ্ড দেখুৱাব আৰু ৩/৪ বাৰ 'ম'ৰ উচ্চাৰণ কৰি দেখুৱাব। তাৰ পাছত শিশুসকলক 'ম' ৰে আৰম্ভ হোৱা শব্দ কবলৈ ক'ব আৰু শিশুসকলৰ সঁহাৰিবোৰ বোৰ্ডত লিখি যাব, যেনে- মনোজ, মটৰ, মহ, মহৰম ইত্যাদি। (শিশুৰ ঘৰুৱা ভাষাৰ শব্দবোৰো ইয়াত অন্তৰ্ভুক্ত হ'ব)। শিক্ষকে সকলো শিশুৰ লগতে শব্দবোৰ পঢ়িব আৰু প্ৰথম ধ্বনি 'ম'ত ঘেৰ চিন দি যাব।
- ইয়াৰ পাছত শিশুসকলক শ্ৰেণীকোঠা আৰু পাঠ্যপুথিত চকু ফুৰাই 'ম' বৰ্ণটো বিচাৰি উলিয়াবলৈ দিব। শিক্ষকে পাঠ্যপুথিত দেখাপোৱা 'ম' বৰ্ণটোত পেঞ্চিলেৰে গোল চিন দিবলৈও ক'ব পাৰে।
- শিক্ষকে পাঠোদ্ধাৰৰ খেল-ধেমালিৰ "এইটো মোৰ আখৰ" শীৰ্ষক ক্ৰিয়া-কলাপটো কৰোৱাব।
- শিক্ষকে পাঠোদ্ধাৰৰ খেল-ধেমালিৰ মাধ্যমেৰে 'ম' বৰ্ণটো শিশুসকলৰ সৈতে একেলগে লিখিব। যেনে, সকলো শিশুক বৃত্তাকাৰে থিয় কৰি শূণ্যত নাইবা পৰস্পৰৰ পিঠিত বা মজিয়াত 'ম' বৰ্ণটো লিখিবলৈ দিব। শেষত 'ম' বৰ্ণৰ লগত জড়িত অনুশীলনটো কাৰ্যপত্ৰৰ পৰা কৰোৱাব।

**শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণঃ**

- শিশুৱে 'ম' বৰ্ণটো চিনিবলৈ অসুবিধা পাইছে নেকি? যদি পাইছে ক্ৰিয়া-কলাপখিনি পুনৰ কৰোৱাব।
- শিশুৱে 'ম' বৰ্ণটো লিখিবলৈ অসুবিধা পাইছে নেকি, মূল্যায়ন কৰক। যদি পাইছে ক্ৰিয়া-কলাপখিনি পুনৰ কৰোৱাব।

শিক্ষকে পৰৱৰ্তী শিক্ষণ- শিকন পৰিকল্পনা প্ৰস্তুত কৰোতে নিম্নলিখিত পদক্ষেপ/স্তৰ কেইটা অনুসৰণ কৰিব।

শিক্ষকে যিকোনো পৰিচিত শব্দ, যেনে- ‘কলম’ শব্দটো প্ৰথমে ক’ব। তাৰ পাছত ধ্বনিবোৰ এটা এটাকৈ ভাঙি ক’ব, শেষত ধ্বনিবোৰ লগলগাই সম্পূৰ্ণ শব্দ ‘কলম’ ক’ব। ইয়াৰপাছত প্ৰথম ধ্বনি ‘ক’-টোক পৃথককৈ ক’ব।

(কলম ⟶ ক ল ম (কলম) ⟶ ক )

‘কলম’ শব্দটো বোৰ্ডত লিখিব আৰু প্ৰথম বৰ্ণ ‘ক’ টোত গোল চিন দিব। তাৰপাছত তেওঁ ‘ক’-ৰ বৰ্ণকাৰ্ডখন দেখুৱাই তিনি চাৰিবাৰমান মাতি শুনাব। তাৰ পাছত শিশুসকলক ‘ক’ ৰে আৰম্ভ হোৱা কেইটামান শব্দ কবলৈ দিব আৰু তেওঁলোকৰ সঁহাৰিবোৰ বোৰ্ডত লিখি যাব। বোৰ্ডৰ শব্দবোৰ ভাঙি প্ৰথম ধ্বনিটোত (ক) বিশেষ গুৰুত্ব দি ক’ব আৰু বৰ্ণ ‘ক’ টোত গোল চিন দিব।

শিশুসকলক শ্ৰেণীকোঠা আৰু প্ৰথম শ্ৰেণীৰ পাঠ্যপুথিত চকু ফুৰাই ‘ক’ বৰ্ণটো বিচাৰি উলিয়াবলৈ দিব। শিক্ষকে পাঠ্যপুথিত দেখা পোৱা ‘ক’ বৰ্ণটোত পেঞ্চিলেৰে গোল চিন দিবলৈও ক’ব পাৰে।

পাঠোদ্ধাৰৰ খেল-ধেমালিৰ যিকোনো এটা ক্ৰিয়া-কলাপ কৰোৱাব।

বেলেগ-বেলেগ খেল-ধেমালিৰে শূণ্যত আৰু মজিয়াত বৰ্ণ লিখনৰ অভ্যাস কৰোৱাব।

কাৰ্যপত্ৰ আৰু পাঠ্যপুথিৰ পৰা বৰ্ণ পৰিচয়ৰ অভ্যাস কৰাব।

## আখৰ আৰু যুক্তাক্ষৰ পৰিচয়ৰ ক্ৰিয়া-কলাপ (১০-১৫ মিনিট)

### শিক্ষণ-শিকন পৰিকল্পনাৰৰ উদাহৰণ ঃ

**আখৰৰ সৈতে পৰিচয় হৈ তাৰ ধ্বনিটো কোৱা আৰু লিখা।**

**সামগ্ৰীঃ বোৰ্ড, চ’ক, বৰ্ণকাৰ্ড, পাঠ্য পুথি আৰু কাৰ্যপত্ৰ**

**সময় ঃ ১৫ মিনিট**

**প্ৰস্তুতি আৰু সামগ্ৰী ঃ**

- বৰ্ণ/আখৰ জাল, আখৰ কাৰ্ড, পাঠ্যপুথি, কাৰ্যপত্ৰ।
- শিক্ষকে শিকনীয় স্বৰচিহ্ন অনুসৰি প্ৰয়োজনীয় বৰ্ণ বা আখৰ জাল, আখৰ কাৰ্ড আগতীয়াকৈ সাজু কৰি ৰাখিব।

**শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশ ঃ**

- গা, ৰা, মা আদি আখৰবোৰ এটা ধ্বনি হিচাপে পোনপটীয়াকৈ শিকোৱা হয়। বৰ্ণ আৰু স্বৰচিহ্ন পৃথক কৰি কোৱা নহয়।
- বৰ্ণ/আখৰ জালক দুই তিনি ধৰণে ব্যৱহাৰ কৰিব।

**প্ৰক্ৰিয়া ঃ**

- শিক্ষকে বোৰ্ডত যিকোনো এটা বৰ্ণ লিখিব আৰু উচ্চাৰণ কৰিব। তাৰপাছত সেই বৰ্ণটোত আকাৰ যোগ কৰি বোৰ্ডত লিখিব আৰু স্বৰচিহ্নৰ সৈতে বৰ্ণ (আখৰ)টো উচ্চাৰণ কৰিব। যেনে, 'ম—মা'। অন্য কেইটামান বৰ্ণ লৈ (ইতিমধ্যে যিকেইটা বৰ্ণক লৈ তাৰ আগতে ক্ৰিয়া-কলাপ কৰা হৈছে) তাত স্বৰচিহ্ন আকাৰ যোগ কৰি বৰ্ণ/আখৰ জাল গঠন কৰিব আৰু সেই আখৰকেইটা উচ্চাৰণ কৰিবলৈ ব্যৱহাৰ কৰিব।
- এতিয়া আখৰ/বৰ্ণ জালৰ পৰা স্বৰচিহ্ন আকাৰটো থকা বৰ্ণ/আখৰ পঢ়িব আৰু শিশুক তেওঁৰ লগত মাতিবলৈ ক'ব।
- শ্ৰেণীকোঠাত চকুফুৰাই শিশুসকলক সেই আখৰটো চিনাক্ত কৰিবলৈ ক'ব।
- শিক্ষকে চাৰি-পাঁচজনীয়া দলত শিশুসকলক ভাগ কৰিব আৰু প্ৰতিটো দলক বৰ্ণ/আখৰ জাল দি দলগতভাৱে পঢ়িবলৈ দিব।
- শিশুসকলক পাঠ্যপুথিতো সেই আখৰটো বিচাৰি উলিয়াবলৈ কব আৰু আখৰবোৰত গোল চিন দিবলৈ ক'ব।
- শিক্ষকে পাঠোদ্ধাৰৰ খেল-ধেমালিৰ "এইটো মোৰ আখৰ" শীৰ্ষক ক্ৰিয়া-কলাপটো কৰোৱাব।
- শেষত আকাৰ সম্পৰ্কীয় অনুশীলনটো কাৰ্যপত্ৰৰ পৰা কৰোৱাব।

**শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণঃ**

- সকলো শিশুৱে আখৰটো চিনিবলৈ অসুবিধা পাইছে নেকি? যদি পাইছে তেনেহলে অতিৰিক্ত ক্ৰিয়া-কলাপ কৰোৱাব।

## পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনা কৰাৰ বাবে তলত দিয়া স্তৰসমূহ অনুসৰণ কৰিব ঃ

নিৰ্দিষ্ট বৰ্ণ-স্বৰচিহ্নক উদ্দেশ্য কৰি বোৰ্ডত বৰ্ণ/আখৰ জাল প্ৰস্তুত কৰিব।

শিক্ষকে আখেৰেৰে গঠিত এই বৰ্ণ/আখৰ জালৰ আখৰবোৰ উচ্চাৰণ কৰি শুনাব আৰু তেওঁৰ লগে লগে শিশুকো উচ্চাৰণ কৰিবলৈ দিব।

শিক্ষকে চাৰি-পাঁচজনীয়া দলত শিশুসকলক ভাগ কৰিব আৰু প্ৰতিটো দলক বৰ্ণ/আখৰ জাল দি দলগতভাৱে পঢ়িবলৈ দিব।

শিশুসকলক পাঠ্যপুথিতো সেই আখৰটো বিচাৰিবলৈ কব আৰু আখৰবোৰত ঘেৰ/গোল চিন দিবলৈ ক'ব।

শিক্ষকে পাঠোদ্ধাৰৰ খেল-ধেমালিৰ "এইটো মোৰ আখৰ" শীৰ্ষক ক্ৰিয়া-কলাপটো কৰোৱাব।

## বৰ্ণ আৰু আখৰ লগ লগাই শব্দ গঠন আৰু পঠন (১০-১৫ মিনিট)

**শিক্ষণ-শিকন পৰিকল্পনাৰ উদাহৰণ ঃ**

**বৰ্ণ আৰু আখৰ লগ লগাই শব্দ গঠন আৰু পঠন**

**সামগ্ৰীঃ বৰ্ণ/আখৰ কাৰ্ড, কাৰ্যপত্ৰ, বৰ্ণ/আখৰ জাল, পাঠ্যপুথি**

**সময় ঃ ১৫ মিনিট**

**প্ৰস্তুতি আৰু সামগ্ৰী ঃ**

- সামগ্ৰী- বৰ্ণ/আখৰ কাৰ্ড, কাৰ্যপত্ৰ, বৰ্ণ/আখৰ জাল, পাঠ্যপুথি
- শিক্ষকে শিকনীয় বৰ্ণ/আখৰ জাল আগতীয়াকৈ সাজু কৰি ৰাখিব।

**শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশ ঃ**

- শিশুৱে অৰ্থ থকা বা অৰ্থহীন দুয়োপ্ৰকাৰৰ শব্দ গঠন কৰিব পাৰিব।
- শিক্ষকে ইতিমধ্যে শিকোৱা বৰ্ণ/আখৰবোৰ পুনৰাবৃত্তি কৰাব।

**প্ৰক্ৰিয়া -**

- শিক্ষকে বোৰ্ডত ইতিমধ্যে শিকোৱা বৰ্ণ/আখৰ প্ৰয়োগ কৰি গঠন কৰা শব্দ এটা বাকচত ভাঙি উচ্চাৰণ কৰি কৰি লিখিব । যেনে- না ম
- ইয়াৰ পাছত শিক্ষকে ওপৰোক্ত বৰ্ণ/আখৰৰ দ্বাৰা গঠন হোৱা শব্দ একেলগে লিখিব না— ম নাম
  এনে কৰোতে দুয়োটা আখৰক বেলেগ বেলেগ কৈ উচ্চাৰণ কৰি পাছত একেলগে আকৌ উচ্চাৰণ কৰিব। এনেধৰণৰ শব্দটো তিনি-চাৰিবাৰকৈ উচ্চাৰণ কৰিব।
- ইতিমধ্যে শিকোৱা সকলো বৰ্ণ/আখৰ মিলাই অধিক শব্দ গঠন কৰিব আৰু প্ৰতিটো শব্দ ৩/৪ বাৰকৈ উচ্চাৰণ কৰিব। যেনে, কাম, দাম, লাম, পাম, ধাম ইত্যাদি।
- শিশুসকলক সৰু-সৰু দলত বিভক্ত কৰিব আৰু ইতিমধ্যে শিকোৱা বৰ্ণ/আখৰৰ কাৰ্ড বিলাই দিব আৰু নতুন শব্দ গঠন কৰিবলৈ দিব। ইয়াত অৰ্থহীন শব্দ আৰু শিশুৰ ঘৰুৱা ভাষাৰ শব্দও অন্তৰ্ভূক্ত কৰিব পাৰিব।
- শেষত কাৰ্যপত্ৰত দিয়া 'পঢ়োঁ আহা' ভাগত দিয়া ক্ৰিয়া-কলাপখিনি কৰাব।



**শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ**

- সকলো শিশুৱে বৰ্ণ/আখৰ লগ লগাই শব্দ গঠন কৰিবলৈ অসুবিধা পাইছে নেকি? যদি পাইছে, তেনেহ'লে অতিৰিক্ত ক্ৰিয়া-কলাপ কৰাব।

## শিক্ষকে পৰৱৰ্তী শিক্ষণ-শিকণ পৰিকল্পনা প্ৰস্তুত কৰোতে নিম্নলিখিত পদক্ষেপ/স্তৰসমূহ অনুসৰণ কৰিবঃ



শিক্ষকে বোৰ্ডত দুটা বাকচ আঁকিব আৰু তাত বৰ্ণ/আখৰ উচ্চাৰণ কৰি লিখিব। তাৰ পাছত এই দুটা বাকচৰ সন্মুখত এটা ডাঙৰ বাকচ আঁকি সৰু দুটাত থকা বৰ্ণ/আখৰ মিলাই এটা শব্দ গঠন কৰি লিখিব। তাৰ পাছত প্ৰথমে বেলেগ বেলেগকৈ আৰু তাৰপাছত একেলগে উচ্চাৰণ কৰি দুই তিনিবাৰ পঢ়িব।

ওপৰত দিয়া প্ৰক্ৰিয়ামতে বৰ্ণ/আখৰ বেলেগ বেলেগকৈ আৰু তাৰ পাছত একেলগে শিশুসকলৰ লগত দুই তিনিবাৰ পঢ়িব।

শিশুসকলৰ লগত এটা শব্দ গঠন কৰি সমূহীয়াকৈ পঢ়াৰ ক্ৰিয়া-কলাপ কৰাব।

এই ক্ৰিয়া-কলাপৰ লগত জড়িত কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ শিশুসকলৰ দ্বাৰা কৰাব।

## শব্দ/বাক্য গঠন আৰু পঠন (১০-১৫ মিনিট)

### শিক্ষণ-শিকন পৰিকল্পনাৰৰ উদাহৰণ ঃ

**শব্দ/বাক্য গঠন আৰু পঠন**
**সামগ্ৰীঃ কাৰ্যপত্ৰ, বৰ্ণ/আখৰ জাল, পাঠ্যপুথি**
**সময় ঃ ১৫ মিনিট**

### প্ৰস্তুতি আৰু সামগ্ৰী ঃ

- সামগ্ৰী - কাৰ্যপত্ৰ, বৰ্ণ/আখৰ জাল, পাঠ্যপুথি
- শিক্ষকে আগতীয়াকৈ বৰ্ণ/আখৰ জাল নিৰ্বাচন কৰি ৰাখিব।

### শিক্ষকৰ বাবে প্ৰধান দিশ ঃ

- কাৰ্যপত্ৰত শব্দ পঠনৰ বাবে দিয়া শব্দখিনি আগতীয়াকৈ পঢ়ি ল'ব।

### প্ৰক্ৰিয়া ঃ

শিক্ষকে কাৰ্যপত্ৰত থকা চাৰি-পাঁচটা শব্দ বোৰ্ডত লিখিব আৰু প্ৰতিটো শব্দ দুই/তিনিবাৰ উচ্চাৰণ কৰিব।

- শ্ৰেণীত থকা শিশুসকলক বোৰ্ডত থকা শব্দবোৰ পঢ়িবলৈ ক'ব।
- শব্দ পঠনৰ সম্পৰ্কীয় কোনো ক্ৰিয়া-কলাপ শিশুসকলৰ সৈতে কৰিব।
- শিশুসকলক কৰ্মপুথিত থকা শব্দবোৰ যুটীয়াভাৱে পঢ়িবলৈ ক'ব।
- শিশুসকলৰ কাষলৈ গৈ শিক্ষকে তেওঁলোকক পঢ়াত সহায় কৰিব।

### শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ

- সকলো শিশুৱে ক্ৰিয়া-কলাপত ভাগ লৈছেনে? যদি নাইলোৱা, তেনেহ'লে তেওঁলোকক চিনাক্ত কৰিব আৰু পৰৱৰ্তী সময়ত তেওঁলোকক অংশগ্ৰহণৰ বাবে উৎসাহিত কৰিব।
- ইতিমধ্যে শিকোৱা বৰ্ণ/আখৰ সমূহ পুনৰ অভ্যাস কৰোৱাব।

### শিক্ষকে পৰৱৰ্তী শিক্ষণ-শিকণ পৰিকল্পনা প্ৰস্তুত কৰোতে নিম্নলিখিত পদক্ষেপ/স্তৰসমূহ অনুসৰণ কৰিবঃ

1. কাৰ্যপত্ৰত থকা শব্দৰ চাৰি/পাঁচটামান শব্দ এটা/দুটা বাক্য বোৰ্ডত লিখিব আৰু দুবাৰ লাহে লাহে পঢ়িব।
2. তাৰ পাছত শিশুসকলক বোৰ্ডত লিখা শব্দবোৰ পঢ়িবলৈ ক'ব আৰু প্ৰয়োজন অনুসৰি তেওঁলোকক সহায় কৰিব।
3. এতিয়া কাৰ্যপত্ৰত পৰা শব্দ/বাক্যবোৰ পঢ়িবলৈ ক'ব আৰু প্ৰয়োজন অনুসৰি শিক্ষকে সহায় কৰিব।
4. যিকোনো এটা শব্দখেল শিশুসকলক খেলিবলৈ দিব।
5. 'মৌচাক-৩' পঠন পুস্তিকাৰ সংশ্লিষ্ট পৃষ্ঠা পঠন কৰিবলৈ দিব।

# পাঠোদ্ধাৰৰ সৈতে জড়িত খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ

হাতপুথিখনত পাঠোদ্ধাৰৰ বাবে বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপ সন্নিবিষ্ট কৰা হৈছে, খেল সম্বন্ধীয় ক্ৰিয়া-কলাপো অন্তৰ্ভুক্ত কৰা হৈছে। এই খেল সম্বন্ধীয় ক্ৰিয়া-কলাপ কৰোতে পৰিকল্পনা অনুসৰি দিয়া ক্ৰমিক স্তৰবোৰ কাৰ্যকৰী কৰিব লাগিব। ইয়াৰে পৰা এনে এটা ক্ৰিয়া-কলাপ শ্ৰেণীকোঠাত কৰোৱাব যিটো সেই নিৰ্দিষ্ট দিনা শিকোৱা বৰ্ণ বা কাৰ্য তালিকাৰ বাবে উপযুক্ত হয়।

## ক্ৰিয়া-কলাপ- ১ ঃ এইটো মোৰ আখৰ ঃ- সময়ঃ ১০-১৫ মিনিট

মজিয়াত ডাঙৰকৈ এখন বৰ্গাকাৰ জাল প্ৰস্তুত কৰি বৰ্গবোৰত লিখা থকা বৰ্ণ/আখৰৰ ওপৰত শিশুসকলক এজন এজনকৈ জপিয়াব।

### পদ্ধতি ঃ -

১। মজিয়াত এটা ডাঙৰ বৰ্গাকাৰ জাল প্ৰস্তুত কৰি তাৰ প্ৰত্যেকটো বৰ্গ (ঘৰ)ত এটাকৈ বৰ্ণ/আখৰ লিখিব।

২। এজন এজনকৈ শিশুসকলক জালখনত থকা বৰ্ণ/আখৰবোৰৰ ওপৰত জাঁপ মাৰিবলৈ ক'ব। উদাহৰণস্বৰূপে, এগৰাকী শিশুক 'ব' বৰ্ণটোত জঁপিয়াবলৈ ক'ব। শিশুজনে 'ব' বৰ্ণটোত জঁপিয়াব আৰু ডাঙৰকৈ 'ব' বুলি মাতিব। ইয়াৰ পিছত আন শিশুসকলে যে তেওঁ শুদ্ধ বৰ্ণটোত জঁপিয়াইছে নে নাই ক'ব।

৩। যদি শিশুজনে ভুল বৰ্ণত জঁপিয়ায়, তেনেহ'লে আন শিশুসকলে ক'ব যে সেইটো আচলতে কোনটো বৰ্ণ হয়।

৪। একে ধৰণে, আন আন শিশুসকলৰ বাবে এটা এটা বৰ্ণ/আখৰ ক'ব আৰু শিশুসকলে সেই বৰ্ণ/আখৰবোৰত জঁপিয়াব।

## ক্ৰিয়া-কলাপ- ২ ঃ মিলিজুলি বিচাৰোঁ আহা ঃ- সময়ঃ ১০-১৫ মিনিট

এই খেলটোত শিশুসকলে বিভিন্ন প্ৰকাৰৰ কিতাপ, বহী, ওচৰে-পাজৰে থকা পঠন সামগ্ৰী ইত্যাদিৰ পৰা বৰ্ণ/আখৰ বিচাৰি উলিয়াব।

### পদ্ধতি ঃ -

১। শিশুসকলে বৃত্তাকাৰত বহিব। বৃত্তটোৰ মাজত বৰ্ণ/আখৰ লিখা থকা কেইটামান কাগজৰ টুকুৰা ৰাখিব। প্ৰতিটো বৰ্ণ/আখৰৰ বাবে শিশুসকলৰ সংখ্যা অনুযায়ী কাগজৰ টুকুৰাবোৰ ৰাখিব।

২। প্ৰত্যেক শিশুৱে এটা এটাকৈ কাগজৰ টুকুৰা হাতত ল'ব আৰু পঢ়িব।

৩। শিশুসকলে ইজনে-সিজনৰ মাজত বিচাৰি চাব যে তেওঁলোকে পোৱা বৰ্ণ/আখৰ আন কোনে পাইছে। ইয়াৰ বাবে নিজৰ কাগজৰ টুকুৰাটোত লিখা বৰ্ণ/আখৰটো মুখেৰে মাতি নিজৰ সংগীসকলক বিচাৰিব।

৪। নিজৰ সংগী বিচাৰি পোৱাৰ পিছত শিশুসকলে সেই বৰ্ণ/আখৰটো সাধুৰ কিতাপ, বেৰত আঁৰি থোৱা তালিকা, বহী ইত্যাদিৰ পৰা বিচাৰি উলিয়াব আৰু শিক্ষকক দেখুৱাব।

## শব্দখেল ঃ নতুন শব্দ বিচাৰোঁ আহা ঃ সময়ঃ ১০ মিনিট

এই খেলত শিশুসকলক শিক্ষকে কৈ দিয়া শব্দবোৰ, শব্দ/আখৰ জালৰ পৰা বিচাৰি উলিয়াই ক'ব।

### পদ্ধতি ঃ -

১। শিশুসকলক যুৰীয়াভাৱে বহুওৱাওক আৰু প্ৰতিটো যোৰকে এখন আখৰ/জালকাৰ্ড দিব।

২। পাছত যিকোনো এটা এনেধৰণৰ শব্দ কওক, যিটো শব্দ জালখনত আছে।

৩। শিশুসকলক এতিয়া কোৱা শব্দটো বিচাৰিবলৈ ক'ব।

৪। শিশুৱে শব্দ বিচাৰি উলিওৱাৰ পাছত সেই শব্দটো শিশুসকলক ডাঙৰকৈ উচ্চস্বৰত ক'বলৈ দিয়ক। উদাহৰণস্বৰূপে, যদি শিশুৱে বিচাৰি উলিওৱা শব্দটো 'পানী' হয়, তেতিয়া হ'লে শিশুসকলে ডাঙৰকৈ ক'ব — পা নী - পানী ক'ব।

৫। পুনৰ শিশুসকলক এইদৰে শব্দ/আখৰ জালৰ পৰা শুদ্ধ শব্দ বিচাৰি নিজৰ পেঞ্চিল বা চকেৰে মজিয়া/শ্লেটত লিখিবলৈ দিব।

৬। লিখা শব্দবোৰ পুনৰ শিশুসকলক পঢ়িবলৈ কব।

## শব্দ গঠন কৰা আৰু পঢ়ি শুনোৱা ঃ  সময় ঃ ৫-১০ মিনিট
## সামগ্ৰী ঃ বৰ্ণ/আখৰ কাৰ্ড

### পদ্ধতি

এই খেলত শিশুসকলক সৰু সৰু দলত ভাগ কৰিব। প্ৰতিটো দলক কমেও ২০-২৫ খন বৰ্ণ/আখৰ কাৰ্ড দিয়ক। প্ৰতিগৰাকী শিশুক দুখনকৈ বৰ্ণ/আখৰকাৰ্ড লগ লগাই নতুন শব্দ গঠন কৰি পঢ়িবলৈ ক'ব। উদাহৰণস্বৰূপে, দুখন আখৰ কাৰ্ড- 'মি' আৰু 'ঠা' লগ লগাই মুখেৰে ক'ব/পঢ়িব- মি....ঠা..... মিঠা। সেইদৰে 'চি' আৰু 'ৰা' লগলগাই মুখেৰে চিৰা ক'ব/পঢ়িব। সকলো শিশুৰে যিমান পাৰি নতুন শব্দ গঠন কৰিব আৰু পঢ়িব।

## "আইৰে আমাৰ ফুল" ঃ-  সময় ঃ ১০-১৫ মিনিট

এই খেলত প্ৰতিগৰাকী শিশুক এখনকৈ বেলেগ বেলেগ ফুলৰ শব্দকাৰ্ড দিব আৰু শিক্ষকে যি ফুলৰ শব্দ শিশুসকলক কব সেই শব্দ শিশুসকলে বিচাৰি ক'ব। ক্ৰিয়া-কলাপ আৰম্ভ কৰাৰ আগতে শিশুসকলৰ সংখ্যা অনুসৰি ফুলৰ শব্দকাৰ্ড প্ৰস্তুত/সাজু কৰিব।

### পদ্ধতি ঃ -

১। সকলো ছাত্ৰ-ছাত্ৰীক বৃত্তাকাৰে বহুওৱাক। তাৰ পিছত প্ৰত্যেকৰ আগত এখনকৈ ফুলৰ শব্দকাৰ্ড ৰাখিব।

২। উদাহৰণস্বৰূপে, শিক্ষকে কোনো এগৰাকী শিশুৰ পাছলৈ গৈ তেওঁৰ চকু বন্ধ কৰি ক'ব — "আইৰে আমাৰ গোলাপ"। ইয়াত 'গোলাপ' হৈছে শব্দ কাৰ্ডত লিখা এটা ফুলৰ শব্দ আৰু এই শব্দটো যাৰ ওচৰত আছে তেওঁ মনে মনে আহি চকু বন্ধ কৰি ৰখা শিশুগৰাকীৰ কপালত 'টিক্‌লি' এটা মাৰি পুনৰ দৌৰি গৈ নিজৰ ঠাইত বহিব।

৩। শিক্ষকে চকু বন্ধ কৰি ৰখা শিশুগৰাকীৰ চকুৰ পৰা নিজৰ হাতখন গুচাই তেওঁক ক'ব- "টিক্‌লি' কোনে মাৰিলে, বিচাৰি উলিওৱা।"

৪। শিশুগৰাকীয়ে গোটেই বৃত্তটোত ঘূৰিব আৰু সকলোৰে আগত ৰখা শব্দকাৰ্ডবোৰ পঢ়ি টিক্‌লি বজোৱা শিশুগৰাকীকে বিচাৰি উলিয়াব। যাৰ ওচৰত 'গোলাপ' শব্দ আছে তেওঁক বিচাৰি উলিওৱাৰ পাছত সকলোৱে মিলি ক'ব - "টিক্‌লি মৰাজনক বিচাৰি উলিয়ালোঁ, বিচাৰি উলিয়ালোঁ।"

৫। শিক্ষকে আন কোনো শিশুৰ চকু বন্ধ কৰিব আৰু বেলেগ বেলেগ ফুলৰ শব্দ যেনে- তগৰ, পদুম, নাহৰ আদি লিখা শব্দ কাৰ্ডৰ সহায়ত ওপৰত কোৱা নিয়ম অনুসৰি বেলেগ বেলেগ ফুলৰ নামেৰে খেলটো আগবঢ়াব।

## শূণ্যত বৰ্ণ লিখোঁ আহা ঃ -  সময় ঃ ১০-১৫ মিনিট

এই ক্ৰিয়া-কলাপত নিজৰ হাতৰ আঙুলিৰে শূণ্যতে বৰ্ণ/আখৰ লিখা হয়।

### পদ্ধতি ঃ -

১। শিক্ষকে শিশুৰে বহাৰ দিশত পিছমুৰ হৈ থিয় হৈ পুনৰ প্ৰথমে 'ন' বৰ্ণটো শূণ্যত আঙুলিৰ লিখি দেখুৱাব। ইয়াৰ পাছত শিক্ষকে শিশু সকলক শূণ্যত আঙুলিৰে লিখিবলৈ দিব।

২। একেধৰণেৰে অন্য বৰ্ণ/আখৰ লৈ ক্ৰিয়া-কলাপটো কৰাব।

# পঠন ক্ৰিয়া-কলাপ

## পঠন (১৫-২০ মিনিট)

- বিগবুকৰ কাৰ্য
- কিতাপৰ পৃষ্ঠাবোৰ ওলট-পালট কৰা।
- সাৱলীল পঠন

## বিগবুকৰ কাৰ্য — সময় ঃ ১৫ মিনিট

শিক্ষকজনে প্ৰতি সপ্তাহত এখন বিগবুকৰ কাৰ্য কৰিব। এই কাৰ্যটো দৈনিক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছে।


### দিন ১ ঃ বিগবুকৰ সৈতে পৰিচয়

বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনা কৰা।

**শিক্ষণ-শিকন পৰিকল্পনাৰ উদাহৰণ ঃ**

**বিগবুকৰ পৰা এটা কাহিনী বৰ্ণনা কৰা আৰু কাহিনীটোৰ বিষয়ে সাধাৰণ আলোচনা কৰা।**

সামগ্ৰীঃ বিগবুক — সময় ঃ ১৫ মিনিট




**প্ৰস্তুতি আৰু সামগ্ৰী ঃ বিগবুক**

- শিক্ষকে বিগবুকত দিয়া কাহিনীটো আগতীয়াকৈ পঢ়িব, বুজিব আৰু কাহিনীটোৰ পৰা কঠিন শব্দ বা ধাৰণাবোৰ চিনাক্ত কৰি থব।
- শিক্ষকে বিগবুকৰ পৰা কেইটামান মুখ্য শব্দ চিনাক্ত কৰি থব যাতে তেওঁ সেইবোৰৰ কাৰ্ড বোৰ শব্দবেৰত আঠা লগাব পাৰে আৰু সেই শব্দবোৰৰ বিষয়ে শিশুসকলৰ সৈতে আলোচনা কৰিব পাৰে।

**শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশঃ**

- শিক্ষকে সকলো শিশুক আলোচনাত অন্তৰ্ভুক্ত কৰিব।
- প্ৰতি গৰাকী শিশুৰ সহাঁৰি মনদি শুনিব আৰু ইতিবাচক সঁহাৰি দিব।
- শিশুসকলক তেওঁলোকৰ ঘৰুৱা ভাষাত কথা পাতিবলৈ উৎসাহিত কৰিব।

**প্ৰক্ৰিয়া ঃ**

- শিক্ষকে সকলো শিশুক বৃত্তাকাৰে বহিবলৈ দিব।
- এতিয়া শিক্ষকে শিশুসকলক বিগবুকৰ বেটুপাত দেখুৱাব। শিক্ষকজনে এনে ঠাইত থিয় হব যাতে বিগবুকৰ পৃষ্ঠাবোৰ প্ৰতিটো শিশুৰ বাবে দৃশ্যমান হয়।
- এতিয়া শিক্ষকে বিগবুকৰ বেটুপাতত দিয়া ছবিখনৰ আধাৰত শিশুসকলৰ সৈতে কথা পাতিব। তেওঁ শিশুসকলক নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰবোৰ পূৰ্বানুমান কৰিবলৈ ক'ব।
- তেওঁলোকে ইয়াত কি দেখিছে?
- তেওঁলোকে এইবোৰ আগতে কেতিয়াবা দেখিছেনে?
- কাহিনীটোৰ শিৰোনাম কি হ'ব পাৰে?
- কাহিনীটোৰ বিষয়বস্তু কি হ'ব পাৰে?
- বিগবুকৰ প্ৰতিটো পৃষ্ঠাৰ চিত্ৰ দেখুৱাই কাহিনীটো থুল-মূলকৈ আগবঢ়াব।

**শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ**

- সকলো শিশুৱে কাহিনীটো বুজি পাইছিল নে? আলোচনাত অংশগ্ৰহণ কৰিছেনে?

## শিক্ষকে পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনা প্ৰস্তুত কৰোতে নিম্নলিখিত পদক্ষেপ কেইটা অনুসৰণ কৰিব।

শিক্ষকে বিগবুকখনৰ বেটুপাতটো দেখুৱাব আৰু শিশুসকলক কাহিনীটোৰ শিৰোনাম অনুমান কৰিবলৈ ক'ব। তাৰ পিছত তেওঁ কাহিনীটোৰ নাম পঢ়ি শুনাব।

শিক্ষকে শিশুসকলক কাহিনীটোৰ বিষয়বস্তু অনুমান কৰিবলৈ ক'ব।

বিগবুকৰ প্ৰতিটো পৃষ্ঠাৰ চিত্ৰ দেখুৱাই কাহিনীটো থুল-মূলকৈ আলোচনা কৰিব।



## দিন ২ ঃ বিগবুকৰ কাহিনীটোৰ বোধ

## শিক্ষণ-শিকন পৰিকল্পনাৰৰ উদাহৰণ ঃ

### বিগবুকৰ কাহিনীটোৰ বোধ

**সামগ্ৰীঃ বিগবুক** **সময় ঃ ১৫ মিনিট**

### প্ৰস্তুতি আৰু সামগ্ৰী ঃ বিগবুক

শিক্ষকে বিগবুকত দিয়া কাহিনীটো আগতীয়াকৈ পঢ়িব, বুজিব আৰু কাহিনীটোৰ পৰা কঠিন শব্দ বা ধাৰণাবোৰ চিনাক্ত কৰি থব।

- শিক্ষকে বিগবুকৰ পৰা কেইটামান মুখ্য শব্দ চিনাক্ত কৰি থব যাতে তেওঁ সেইবোৰৰ কাৰ্ডবোৰ শব্দ বেৰত আঠা লগাব পাৰে আৰু সেই শব্দবোৰৰ বিষয়ে শিশুসকলৰ সৈতে আলোচনা কৰিব পাৰে।

### শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশঃ

- শিক্ষকে সকলো শিশুক আলোচনাত অন্তৰ্ভুক্ত কৰিব।
- প্ৰতি গৰাকী শিশুৰ সহাঁৰি মন দি শুনিব আৰু ইতিবাচক সঁহাৰি দিব।
- শিশুসকলক তেওঁলোকৰ ঘৰুৱা ভাষাত কথা পাতিবলৈ উৎসাহিত কৰিব।

### প্ৰক্ৰিয়া ঃ

- শিক্ষকে শিশুসকলক 'ইউ' (U) আকৃতিত বহিবলৈ দিব।
- শিশুসকলক আগৰ দিনাৰ কাহিনীটোৰ বিষয়ে প্ৰশ্ন সুধিব।
  ক) আমি যোৱা কালি কোনটো কাহিনী আলোচনা কৰিছিলো? কাহিনীটোৰ শিৰোনাম কি আছিল?
  খ) কাহিনীটোত কি ঘটিছিল?
- শিক্ষকে শিশুসকলক বিগবুকখনৰ বেটুপাতটো দেখুৱাব।
- এতিয়া শিশুসকলক প্ৰতিটো পৃষ্ঠাত ছবিবোৰ দেখুওৱাৰ সময়ত প্ৰতিটো শব্দত আঙুলি দি কাহিনীটো পঢ়িব।
- কাহিনীটোত থকা মুখ্য শব্দবোৰৰ বিষয়ে আলোচনা কৰিব।

### শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ

- সকলো শিশুৱে কাহিনীটো বুজি পাইছিল নে? তেওঁলোকে আলোচনাত অংশগ্ৰহণ কৰিছিল নে?
- যদি নাই কৰা, সেই শিশুসকলক চিনাক্ত কৰিব আৰু পিছদিনা তেওঁলোকক অধিক মন দিব।

### শিক্ষকে পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনা প্ৰস্তুত কৰোতে নিম্নলিখিত পদক্ষেপ কেইটা অনুসৰণ কৰিব।

আগৰ দিনা পঢ়া কাহিনীটোৰ বিষয়ে শিশুসকলৰ সৈতে আলোচনা কৰিব। তেওঁলোকক কাহিনীটোৰ বিষয়বস্তু মনত পেলাই দিব।

শিক্ষকে বিগবুকখন শিশুসকলে দেখা পোৱাকৈ ধৰিব আৰু প্ৰতিটো শব্দৰ ওপৰত আঙুলি থৈ কাহিনীটো পঢ়ি শুনাব। (দুবাৰ)

কাহিনীটোৰ বিষয়ে বিতং ভাৱে আলোচনা কৰিব। শিশুসকলৰ উচ্চস্তৰীয় চিন্তন বৃদ্ধিৰ বাবে প্ৰশ্ন কৰিব।

## দিন ৩ ঃ বিগবুকৰ কাহিনীটোৰ সমবেত পঠন

## শিক্ষণ-শিকন পৰিকল্পনাৰৰ উদাহৰণ ঃ

### বিগবুকৰ কাহিনীটোৰ সমবেত পঠন

**সামগ্ৰীঃ বিগবুক** — **সময় ঃ ১৫ মিনিট**

**প্ৰস্তুতি আৰু সামগ্ৰী ঃ বিগবুক**

শিক্ষকে বিগবুকত দিয়া কাহিনীটো আগতীয়াকৈ পঢ়িব, বুজিব আৰু কাহিনীটোৰ পৰা কঠিন শব্দ বা ধাৰণাবোৰ চিনাক্ত কৰি থব।

- শিক্ষকে বিগবুকৰ পৰা কেইটামান মুখ্য শব্দ চিনাক্ত কৰি থব যাতে তেওঁ সেইবোৰৰ কাৰ্ডবোৰ শব্দ বেৰত আঠা লগাব পাৰে আৰু সেই শব্দবোৰৰ বিষয়ে শিশুসকলৰ সৈতে আলোচনা কৰিব পাৰে।

**শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশঃ**

- শিক্ষকে সকলো শিশুক আলোচনাত অন্তৰ্ভুক্ত কৰিব।
- প্ৰতি গৰাকী শিশুৰ সহাঁৰি মন দি শুনিব আৰু ইতিবাচক সঁহাৰি দিব।
- শিশুসকলক তেওঁলোকৰ ঘৰুৱা ভাষাত কথা পাতিবলৈ উৎসাহিত কৰিব।

**প্ৰক্ৰিয়াঃ**

- শিক্ষকে শিশুসকলক 'ইউ' (U) আকৃতিত বহিবলৈ দিব।
- আগদিনা পঢ়া কাহিনীটোৰ ওপৰত কেইটামান প্ৰশ্ন সুধিব আৰু শিশুসকলৰ সঁহাৰিবোৰৰ ওপৰত আলোচনা কৰিব। শিক্ষকে বিগবুকখন শিশুসকলে দেখাপোৱাকৈ ধৰিব আৰু প্ৰতিটো শব্দৰ ওপৰত আঙুলি থৈ কাহিনীটো পঢ়ি শুনাব।
- বিগবুকখনৰ পৃষ্ঠাবোৰ ক্ৰম অনুসাৰি আগবঢ়াই নিব। বাক্য এটা শেষ হ'লে অলপ বিৰতি ল'ব।
- শিক্ষকে শিশুসকলক তেওঁৰ সৈতে কাহিনীটো পঢ়িবলৈ উৎসাহিত কৰিব।
- পঢ়াৰ সময়ত মুখ্য শব্দবোৰ ৰৈ ৰৈ পঢ়িব যাতে শিশুৱে তেওঁৰ সৈতে সেই শব্দবোৰ পঢ়িব পাৰে।
- প্ৰক্ৰিয়াটো দুবাৰ পুনৰাবৃত্তি কৰিব যাতে শিশুৱে ছপা সামগ্ৰীৰ সৈতে পৰিচিত হয় আৰু শিক্ষকৰ সৈতে পঢ়িবলৈ আৰম্ভ কৰে।
- পঢ়ি থাকোতে বোৰ্ডত মুখ্য শব্দবোৰ লিখি যাব আৰু পিছত সেইবোৰ কাগজত লিখি বেৰত লগাই থ'ব।

**শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ঃ**

- সকলো শিশুৱে শিক্ষকৰ সৈতে শব্দ আৰু বাক্য অনুসৰণ কৰিবলৈ সক্ষম হৈছেনে?
- যদি হোৱা নাই, ক্ৰিয়া-কলাপটো পুনৰাবৃত্তি কৰিব।

**শিক্ষকে পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনা প্ৰস্তুত কৰোতে নিম্নলিখিত পদক্ষেপ কেইটা অনুসৰণ কৰিব।**

1. শিক্ষকে বিগবুকৰ পৰা কাহিনীটো বৰ্ণনা কৰিব। কাহিনীটো বৰ্ণনা কৰোতে, শিক্ষকে প্ৰতিটো শব্দত আঙুলি ৰাখি লাহে লাহে পঢ়িব।
2. শিক্ষকে শিশুসকলক তেওঁৰ সৈতে পঢ়িবলৈ উৎসাহিত কৰিব। শিক্ষক আৰু শিশুসকলে একেলগে কাহিনীটো পঢ়িব। (সমবেত পঠন)
3. পঢ়াৰ সময়ত মুখ্য শব্দবোৰত এটা সৰু বিৰতি ল'ব যাতে শিশুসকলে সেই শব্দবোৰ পঢ়িবলৈ সুযোগ পায়।
4. প্ৰক্ৰিয়াটো দুবাৰ পুনৰাবৃত্তি কৰিব যাতে শিশুসকলে ছপা সামগ্ৰী সৈতে পৰিচিত হ'ব পাৰে আৰু শিক্ষকৰ সৈতে পঢ়িবলৈ পাৰে।

## দিন ৪ ঃ সমবেত আৰু প্ৰতীক-ভিত্তিক (লোগোগ্ৰাফিক) পঠনঃ

### শিক্ষণ-শিকন পৰিকল্পনাৰ উদাহৰণ ঃ

**সমবেত আৰু প্ৰতীক-ভিত্তিক (লোগোগ্ৰাফিক) পঠন**

**সামগ্ৰীঃ বিগবুক** **সময় ঃ ১৫ মিনিট**

**প্ৰস্তুতি আৰু সামগ্ৰী ঃ বিগবুক**

- শব্দ বিচৰা ক্ৰিয়া-কলাপ কেইটামান সাজু কৰি ৰাখিব
- শব্দ বেৰত শব্দ লগাই ৰাখিব।

**শিক্ষকৰ বাবে কেইটামান প্ৰধান দিশঃ**

- পঢ়ি থাকোতে শিক্ষকে বাধা নিদিব।
- শিশুসকলক শব্দ বিচাৰিবলৈ সুযোগ দিব।

**প্ৰক্ৰিয়া ঃ**

- শিক্ষকে শিশুসকলক তেওঁৰ সৈতে কাহিনীটো পঢ়িবলৈ (সমবেত পঠন) ক'ব। প্ৰক্ৰিয়াটো দুবাৰ বা তিনিবাৰ পুনৰাবৃত্তি কৰিব।
- এতিয়া শিক্ষকে শব্দবেৰৰ পৰা আগদিনা লিখা শব্দবোৰ পঢ়াৰ অভ্যাস কৰাব।
- শব্দবোৰ চিনাক্ত কৰিবলৈ যিকোনো ক্ৰিয়া-কলাপ কৰাব। যেনে- শব্দবেৰত এটা আঙুলি ৰাখি শিশুসকলক বিগবুকৰ পৰা শব্দটো বিচাৰি উলিয়াবলৈ ক'ব।
- শেষত তিনি-চাৰিটা শিশুক বিগবুকৰ পৰা কাহিনীটো পঢ়িবলৈ ক'ব। উদ্দেশ্য শিশুৱে নিখুঁতভাৱে পঢ়াটো নহয়, উদ্দেশ্য হৈছে শিশুসকলক ছপা সামগ্ৰীবোৰৰ বিষয়ে অৱগত কৰা, যেনে- কিতাপখন সঠিকভাৱে ধৰা, পৃষ্ঠাবোৰ লুটিয়াই আগবঢ়া, বাওঁ ফালৰ পৰা সোঁফাললৈ পঢ়া আদি।

**শিক্ষণ প্ৰক্ৰিয়াৰ পুনৰীক্ষণ**

- শিশুসকলে বাছনি কৰা শব্দবোৰৰ প্ৰতীক-ভিত্তিক (লোগোগ্ৰাফিক) পঠনত সক্ষম হৈছে নে?
- যদি নহয়, শব্দ বেৰৰ পৰা তেওঁলোকক শব্দবোৰ পঢ়াব।

**শিক্ষকে পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনা প্ৰস্তুত কৰোতে নিম্নলিখিত পদক্ষেপ কেইটা অনুসৰণ কৰিব।**

তৃতীয় দিনৰ দৰে, শিক্ষকে দুবাৰ শিশুসকলৰ সৈতে সমবেত পঠন কৰিব।

শিশুৰ সৈতে শব্দবোৰ পঢ়াৰ অভ্যাস কৰিবলৈ শব্দবেৰ ব্যৱহাৰ কৰিব (লোগোগ্ৰাফিক পঠন)।

শিশুসকলক শব্দবেৰত লিখা শব্দবোৰৰত আঙুলি ৰাখি শব্দবোৰ পঢ়িবলৈ সহায় কৰিব।

শেষত তিনি-চাৰিটা শিশুক বিগবুকৰ পৰা কাহিনীটো পঢ়িবলৈ ক'ব। উদ্দেশ্য শিশুৱে নিখুঁতভাৱে পঢ়াটো নহয়। উদ্দেশ্য হৈছে শিশুসকলক ছপা সামগ্ৰীবোৰৰ বিষয়ে অৱগত কৰা, যেনে কিতাপখন সঠিকভাৱে ধৰা, পৃষ্ঠাবোৰ লুটিয়াই আগবঢ়া, বাওঁফালৰ পৰা সোঁফাললৈ পঢ়া আদি।

# শিশুৰ স্বতন্ত্ৰ পঠন

শিশুসকলক স্বতন্ত্ৰ ভাৱে পঢ়াৰ বাবে কিছু সময় দিব লাগে। এই সময়ছোৱাত শিশুৱে কিতাপ পঢ়িব নোৱাৰিবও পাৰে কিন্তু তেওঁলোকে কিতাপ ধৰি কিতাপখনত দিয়া ছবিবোৰ চাবলৈ সুযোগ পাব। ইয়াত শিশুসকলক পাঠ্যপুথিৰ বাহিৰেও উপযুক্ত স্তৰৰ আন কাহিনী আৰু কবিতাৰ কিতাপ পঢ়িবলৈ দিব লাগে। প্ৰতিটো শিশুৱে কিতাপবোৰ পঢ়িবলৈ স্বতন্ত্ৰভাৱে বহিব।

- শিশুসকলক ভাল ছবি থকা কিতাপ দিব।
- সকলো শিশুক কিতাপ দিয়ক আৰু তেওঁলোকক পঢ়িবলৈ দিব।
- শিশুক দিয়া কিতাপবোৰৰ কাহিনীবোৰৰ বিষয়ে আলোচনা কৰিব। তেওঁলোকক সুধিব তেওঁলোকে কি পঢ়িছে আৰু কিতাপখনত তেওঁলোকে কি ভাল পাইছে।

## শিশুসকলৰ দ্বাৰা কিতাপ পঠন (কিতাপৰ পৃষ্ঠা লুটিওৱা)

**সামগ্ৰী ঃ কাহিনী/সাধু পুথি** **সময় ঃ ১০-১৫ মিনিট**

শিশুসকলক কিতাপ পঢ়িবলৈ স্বতন্ত্ৰ/নিজস্বভাৱে সময় দিব লাগে। এই সময়ত শিশুসকলে পঢ়িব নোৱাৰিব পাৰে, কিন্তু তেওঁলোকে কিতাপখন ধৰা, ছবি চোৱা ইত্যাদি কৰিবলৈ সুবিধা পাব। ইয়াত শিশুসকলক পাঠ্যপুথিৰ বাহিৰে আন কাহিনী আৰু কবিতাৰ কিতাপ পঢ়িবলৈ দিব লাগে। প্ৰতিগৰাকী শিশুৱে কিতাপবোৰ স্বতন্ত্ৰভাৱে পঢ়িব।

- আৰম্ভণিতে শিশুসকলক চাবলৈ ভাল ছবি থকা কিতাপ দিব।
- সকলো শিশুকে কিতাপ দি তেওঁলোকক চাবলৈ আৰু পঢ়িবলৈ কব।
- শিশুৱে পঢ়া কাহিনীবোৰৰ বিষয়ে আলোচনা কৰিব। তেওঁলোকক সুধিব যে তেওঁলোকে কি পঢ়িছে আৰু কিতাপখনত তেওঁলোকে কি কি ভাল পাইছে, ইত্যাদি

## সাৱলীল পঠন ঃ

নিপুণ অসম অভিযানে শিশুসকলৰ সাৱলীল আৰু বোধসহ পঠনৰ দক্ষতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। শিক্ষকজনে শিশুৰ পাঠোদ্ধাৰৰ দক্ষতাৰ ওপৰত গুৰুত্ব দিব আৰু তেওঁলোকৰ সৈতে সমবেত পঠন অনুশীলন কৰিব। প্ৰথম শ্ৰেণীত থাকোতে পাঠোদ্ধাৰৰ দক্ষতা বিকাশ কৰালে শিশুসকলক আত্মবিশ্বাসেৰে সৰু-সৰু আৰু সৰল বাক্য পঢ়িবলৈ সক্ষম হয়। দ্বিতীয় শ্ৰেণীৰ পৰা, শিক্ষকে শিশুসকলৰ সাৱলীল পঠনৰ দক্ষতা বিকাশ কৰাৰ বাবে কাৰ্য কৰিব আৰু এই দক্ষতাৰ মূল্যায়ন কৰিব।

দ্বিতীয় শ্ৰেণীৰ বিদ্যায়তনিক বৰ্ষৰ শেষলৈ, শিশুৱে ৮-১০ টা বাক্যৰ (৬০-৭০ শব্দ) প্ৰাসংগিক পাঠ সাবলীলভাৱে পঢ়িব বুলি আশা কৰা হৈছে।

### সাৱলীল পঠনৰ দক্ষতা বিকাশ কৰা

সাৱলীল পঠনৰ দক্ষতা বিকশিত কৰাৰ বাবে শিশুৱে প্ৰথমে সাবলীল পাঠোদ্ধাৰৰ দক্ষতা বিকশিত কৰাটো অত্যন্ত প্ৰয়োজনীয়। এইটো আশা কৰা হৈছে যে শিশুসকলে দ্বিতীয় শ্ৰেণীত উপনীত হোৱাৰ আগতে সাবলীল পাঠোদ্ধাৰৰ দক্ষতাৰ বিকশিত হৈছে। পাঠোদ্ধাৰৰ দক্ষতা মজবুত কৰিবলৈ, দ্বিতীয় শ্ৰেণীৰ প্ৰাৰম্ভিক আঠ সপ্তাহত পাঠোদ্ধাৰৰ পুনৰালোচনাৰ বাবে ক্ৰিয়া-কলাপ দিয়া হৈছে।

শিশুসকলৰ সাৱলীল পঠনৰ দক্ষতা বিকশিত কৰাৰ বাবে ইয়াত বিশেষ পঠন-পুস্তিকা 'মৌচাক-২' প্ৰস্তুত কৰা হৈছে। ইয়াত পাঠবোৰ এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে পাঠসমূহৰ জটিলতাৰ স্তৰ ক্ৰমান্বয়ে বৃদ্ধি পায়। শিক্ষকে দৈনিক ৩-৪ টা শিশুৰ সাবলীল পঠনৰ দক্ষতা মূল্যায়ন কৰিব যাতে তেওঁ শিশুসকলৰ অগ্ৰগতিৰ মূল্যায়ন কৰিব পাৰে তাৰোপৰি সেই শিশুসকলক চিনাক্ত কৰিব পাৰে যিসকলক তেওঁৰ অধিক সহায়ৰ প্ৰয়োজন আছে। প্ৰতি শিশুক মৌচাক- ২ ৰ এটাকৈ প্ৰতিলিপি প্ৰদান কৰা হৈছে আৰু শিক্ষকে শিশুৰ পঠন-পুস্তিকা খনত সাৱলীল পঠনৰ মূল্যাংকণ কৰি পোৱা তথ্যবোৰ পৃষ্ঠাবোৰত থকা প্ৰদত্ত বাকচত ভৰাব। এসপ্তাহৰ ভিতৰত শিক্ষকে নিশ্চিত কৰিব লাগিব যে তেওঁ শ্ৰেণীকোঠাৰ প্ৰতিগৰাকী শিশুৰ সাৱলীল পঠনৰ দক্ষতা মূল্যায়ন কৰিছে।
(শিক্ষকে মৌচাকৰ দফাসমূহ স্তৰ অনুযায়ী ক্ৰম অনুসাৰে মূল্যায়নত প্ৰয়োগ কৰিব। স্তৰ নিৰূপণঃ <৫০%- স্তৰ ১, <৮০%- স্তৰ ২ আৰু ≥৮০%- স্তৰ ৩)

### সাৱলীল পঠনৰ দক্ষতা বিকাশৰ ক্ৰম ঃ

বৰ্ণ/আখৰ চিনাক্তকৰণ আৰু ইয়াৰ দ্ৰুত গতিৰ বাবে অনুশীলন

→ বৰ্ণ/আখৰ যোগ কৰি শব্দ গঠন কৰা আৰু ইয়াৰ দ্ৰুত গতিৰ বাবে অনুশীলন

→ পাঠোদ্ধাৰৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা পাঠসমূহৰ অনুশীলন কৰা পাঠোদ্ধাৰৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা পাঠসমূহৰ অনুশীলন কৰা

→ মৌচাক -২ সৰু-সৰু দফাৰ বোধসহ অনুশীলন কৰা।

**ইতিমধ্যে আলোচনা কৰা হৈছে যে পঠনৰ সৈতে ডিকোডিং আৰু বোধ জড়িত।**

**পাঠোদ্ধাৰ** x **বোধ** = **পঠন**

যেতিয়া পঢুৱৈয়ে সহজে পাঠ এটা পঢ়িব পাৰে, তেওঁৰ মনোযোগ অধিকভাৱে তেওঁ পঢ়ি থকা পাঠৰ অৰ্থ সৃষ্টিৰ ওপৰত কেন্দ্ৰিভূত হয়। যদি এজন পঢুৱৈয়ে পাঠোদ্ধাৰ (ডিকোডিং) ৰ বাবে কাৰ্যতঃ চেষ্টা নিৰদ্ধ ৰাখে, তেন্তে তেওঁ অৰ্থ বুজি পোৱাৰ সলনি যান্ত্ৰিক ভাবে পাঠ পঢ়াত অধিক মনোনিবেশ কৰিব। সেয়েহে পঢ়ি বুজি পোৱাত অপাৰগ হ'ব।

**বোধৰ সহ পঠন ঃ**

শিশু এগৰাকীয়ে বোধসহ পঠন কৰাৰ দক্ষতা আহৰণত শিক্ষয়িত্ৰী/শিক্ষকে অতি কৌশলেৰে কাম কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। এইটো গুৰুত্বপূৰ্ণ ভাবে ল'ব লাগে যাতে প্ৰাৰম্ভিক শ্ৰেণীবোৰৰ পৰা শিশুৱে তেওঁলোকে যি পঢ়ে, তাৰ বিষয়বস্তুৰ ওপৰত আলোচনা কৰাৰ যথেষ্ট সুযোগ পায়। শ্ৰেণী দ্বিতীয় আৰু তৃতীয়ৰ শেষলৈ শিশুৱে সৰু-সৰু পাঠ পঢ়ি অৰ্থ বুজিব পাৰিব লাগিব পাঠৰ বিষয়বস্তুৰ ওপৰত যুক্তি-তৰ্ক কৰিব পাৰিব লাগিব আৰু পাঠত উল্লেখ কৰা বিষয়টোৰ ওপৰত মতামত দিব পাৰিব লাগিব।



# মূল্যায়ন আৰু পুণৰাবৃত্তিঃ



মূল্যায়ন আচলতে কোনো বেলেগ প্ৰক্ৰিয়া নহয়, বৰং ই শিকন কাৰ্যৰ এটা অভিন্ন অংগ। শিকনৰ উদ্দেশ্যবোৰ পূৰণ কৰা নিশ্চিত কৰিবলৈ কৰা অবিৰত মূল্যায়নে শিক্ষণ পদ্ধতি শক্তিশালী কৰে। মূল্যায়ন অবিৰত ভাবে সঘনাই উদ্দেশ্যভিত্তিক আৰু পৰিকল্পিত ভাৱে কৰিব লাগে।

**মূল্যায়নৰ উদ্দেশ্য**

১। শিশুসকলৰ অগ্ৰগতি জানিবলৈ—

প্ৰতিজন শিশুৰ শ্ৰেণীকোঠাত শিকাৰ ক্ষেত্ৰত সুকীয়া গতি থাকে। শিশুসকলে কি শিকিছে আৰু কি বাদ পৰিছে জানিবলৈ, মূল্যায়নে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নিয়মীয়া ব্যৱধানত কৰা মূল্যায়নে আমাক শিশুকলৰ শিকনৰ স্তৰ এক সংগঠিত উপায়েৰে বুজি বিশ্লেষণ কৰাত সহায় কৰে।

২। শিক্ষাৰ্থীসকলে শিকনৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰৰ আসোঁৱাহবোৰ জানিবলৈ—

অবিৰত মূল্যায়নৰ দ্বাৰা শিক্ষকে জানিব পাৰে যে শিশুসকলে ধাৰণা এটা বুজিবলৈ সক্ষম হৈছে নে বুজাত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। মূল্যায়নৰ উদ্দেশ্যেৰে শিশুসকলক সোধা প্ৰশ্ন আৰু শিশুসকলৰ সঁহাৰিয়ে শিক্ষণ প্ৰক্ৰিয়াত থাকিব পৰা আসোঁৱাহবোৰ বুজিবলৈ সহায় কৰে।

৩। শিক্ষাৰ্থীসকলক সহায় কৰিবৰ বাবে কাৰ্যকৰী ফলপ্ৰসূ কাৰ্যপন্থা প্ৰস্তুত কৰিবলৈ—

সুশৃংখলিত মূল্যায়নে শিক্ষণ-শিকন প্ৰক্ৰিয়াবোৰ উন্নত কৰাত সহায় কৰে। ই ফলপ্ৰসূ শিক্ষণ পৰিকল্পনা প্ৰস্তুত কৰাত আৰু শিক্ষাৰ্থীৰ প্ৰয়োজন অনসৰি শিক্ষণ প্ৰক্ৰিয়াবোৰ কাৰ্যকৰী কৰাত সহায় কৰে।

৪। পৰৱৰ্তী শিক্ষণ-শিকন পৰিকল্পনা প্ৰস্তুত কৰিবলৈ—

মূল্যায়নৰ ফলাফলবোৰ ভেটি সদৃশ, যাক শিক্ষণ প্ৰক্ৰিয়াত পৰিকল্পনা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। মূল্যায়নৰ ফলাফলে শিশুৰ প্ৰয়োজনীয়তা অনুসৰি শিক্ষণ প্ৰক্ৰিয়াবোৰ উন্নীতকৰণৰ সমল আগবঢ়ায়।

মূল্যায়ন আৰু শিকনক এক সামগ্ৰিক আৰু একত্ৰিত ৰূপত গণ্য কৰাটো বাঞ্চিত লক্ষ্য প্ৰাপ্তিৰ বাবে গুৰুত্বপূৰ্ণ।

শিক্ষকে নিশ্চিত কৰিব লাগে যাতে শিশুৱে শিকিবলৈ যথাযথ সময় আৰু অনুশীলনৰ বাবে পৰ্যাপ্ত সময় লাভ কৰে।



শিশুৰ অগ্ৰগতিৰ খতিয়ান বিশ্লেষণৰ দ্বাৰা নিৰূপন কৰিব যে কিমান শিশুৱে আকাংখিত অগ্ৰগতি লাভ কৰিছে আৰু কিমানে পিছ পৰি ৰৈছে।

শিশুৱে সন্মুখীন হ'ব পৰা প্ৰত্যাহ্বানবোৰক চিনাক্ত কৰিব আৰু আকাংখিত অগ্ৰগতি লাভ কৰিবলৈ সঠিক কৌশল প্ৰস্তুত কৰিব।

শিকন প্ৰক্ৰিয়াত প্ৰয়োজন অনুসৰি সালসলনি কৰিব আৰু ন-ন ক্ৰিয়া-কলাপ আঁচনিত অন্তৰ্ভুক্ত কৰিব।

## শৈক্ষিক বৰ্ষৰ মূল্যালন প্ৰক্ৰিয়া ঃ

## তিনিধৰণৰ মূল্যায়ন কৰা হব।

| দৈনিক মূল্যায়ন | সাপ্তাহিক মূল্যায়ন | সাময়িকী মূল্যায়ন |
| --- | --- | --- |
| দৈনিক ক্ৰিয়া-কলাপৰ লগে লগে বা পাছত | সপ্তাহৰ শেষত | বছৰত চাৰিটা |

শ্ৰেণীৰ ক্ৰিয়া-কলাপৰ লগে লগে এইটো মন কৰি থকা প্ৰয়োজন যে বাঞ্চিত লক্ষ্যৰ দিশত শিশুসকল সঠিকভাবে আগুৱাই গৈছে নে নাই। এনে কৰিবলৈ ক্ৰিয়া-কলাপৰ লগে লগে বা অন্তত বিষয় আৰু কৌশল অনুসৰি ভিন্ন প্ৰক্ৰিয়াৰে মূল্যায়ন কৰা হয়। ইয়াক অবিৰত মূল্যায়ন বুলিও কোৱা হয়। এনে অবিৰত মূল্যায়নৰ কেইটামান উপায় তলত দিয়া হৈছে। শিক্ষকে শ্ৰেণীত ক্ৰিয়া-কলাপৰ লগে লগে এইধৰণৰ কৌশল অৱলম্বন কৰি শিকন প্ৰক্ৰিয়াক অধিক সমৃদ্ধ আৰু প্ৰভাৱশালী কৰি তুলিব পাৰে।

## মৌখিক কাৰ্যৰ সময়ত ঃ

- শ্ৰেণীত মৌখিক কাহিনী বা কিতাপ/বিগবুকৰ পৰা কাহিনী শুনোৱাৰ মাজে মাজে শিশুক সৰল আৰু পোনপটীয়া প্ৰশ্ন সুধি চাব, যাতে শিক্ষকে গম পায় তেওঁলোকে কাহিনীটো বুজি পাইছে নে নাই।
- কথা-বতৰা, আলোচনা, খেল-ধেমালিৰ মাজে মাজে প্ৰতি ৫-৭ মিনিটত সকলো শিশুৱে কথা কৈছে বা ভাগ লৈছেনে নাই মন কৰি থাকিব লাগে । যদি কোনোবাই ভাগ লোৱা নাই বা কথা কোৱা নাই সকলোকে ভাগ লবলৈ উৎসাহিত কৰিব।

## পাঠোদ্ধাৰ (ডিকোডিং)ৰ সময়ত ঃ

পাঠোদ্ধাৰৰ কাৰ্যৰ সময়ত আগদিনাখন শিকোৱা বিষয় বস্তু সম্পৰ্কে যিকোনো পাঁচজনমান শিশুক প্ৰশ্ন কৰিব। বৰ্ণ বা আখৰ আৰু শব্দৰ পৰিচিতিৰ বাবে বৰ্ডৰ সহায় লব পাৰে। যদি বেছিভাগ শিশুৱে ক'ব নোৱাৰে, তেনেহ'লে প্ৰথমে ৩-৫ মিনিট আগতে শিকোৱা বিষয়বস্তু তেওঁলোকৰ লগত পুনৰ দোহাৰিব।

- বৰ্ণ/আখৰৰ পৰিচয় চলি থাকোতে অনুশীলন কাৰ্যপত্ৰত কাম কৰোৱাৰ আগতে প্ৰথমে শিক্ষকে কেইজনমান শিশুক বৰ্ডত নতুন আৰু আগতে শিকোৱা বৰ্ণ কেইটামান লিখিবলৈ দিব আৰু বাকীসকলক সেইকেইটা চিনাক্ত কৰিবলৈ ক'ব।
- শব্দ আৰু বাক্যৰ শ্ৰুতলিপি দিলে শিশুক যুৰীয়াকৈ পৰস্পৰে-পৰস্পৰৰ লিখন নিৰীক্ষণ কৰিবলৈ ক'ব। যেতিয়া শিশুৱে পৰস্পৰে পৰস্পৰৰ লিখন নিৰীক্ষণ সম্পূৰ্ণ কৰে, তেতিয়া শিক্ষকে বোৰ্ডত শব্দ বা বাক্যবোৰ লিখিব। তাৰ পাছত সকলো শিশুক সেইখিনি চাই নিজৰ লিখনিৰ সংশোধন কৰিবলৈ ক'ব।

## সাপ্তাহিক পৰিকল্পনাত মূল্যায়ন ঃ

দিন -১ → দিন -২ → দিন -৩ → দিন -৪ → দিন -৫ → দিন -৬

দিন -১ – দিন -৪: নৱ দক্ষতা আহৰণ/ শিক্ষণ-শিকন উদ্দেশ্যেৰে কৰা কাৰ্য (শ্ৰেণীৰ ক্ৰিয়া-কলাপৰ মাজত চলোৱা অবিৰত মূল্যায়ন)

দিন -৫: সাপ্তাহিক পুনৰাবৃত্তি আৰু মূল্যায়ন

দিন -৬: দল গঠন
১ - নিদানমুলক কাৰ্য
২ - স্বতন্ত্ৰ কাৰ্য

## (দিন ১-৪) নতুন দক্ষতা আহৰণ/শিকন উদ্দেশ্যেৰে কৰা ক্রিয়া-কলাপ

সপ্তাহৰ প্ৰথম চাৰিদিন শিশুৰ লগত নৱ দক্ষতা আহৰণ/শিকন-শিক্ষণ উদ্দেশ্যেৰে কাম কৰা হ'ব। ইয়াৰ মাজত পাঠোদ্ধাৰৰ কৌশলৰ অন্তৰ্গত নতুন বৰ্ণ/স্বৰচিহ্নৰ পৰিচিতি আৰু শব্দ পঠনৰ ক্ৰিয়া-কলাপ হব। দৈনিক কাৰ্য-তালিকা অনুযায়ী এনে ক্ৰিয়া-কলাপসমূহ কৰা হ'ব।

## (দিন ৫) সাপ্তাহিক পুনৰাবৃত্তি/মূল্যায়ন

- সাপ্তাহিক পুনৰাবৃত্তি /মূল্যায়ন কাম প্ৰতি সপ্তাহৰ পঞ্চম দিনটোত কৰা হব।
- ইতিপূৰ্বে শিকা বিষয়বস্তুবোৰ পুনৰালোচনা কৰা হব। ইয়াৰ দ্বাৰা শিশুৰ শিক্ষণ-শিকন অধিক দৃঢ় হ'ব পাৰে। পুনৰাবৃত্তিত বৰ্ণৰ/স্তৰৰ সমান্তৰালকৈ শব্দ গঠন, শব্দ পঠন, বাক্য পঠন আদি ক্ৰিয়া-কলাপক অন্তৰ্ভুক্ত কৰা হৈছে।
- সাপ্তাহিক মূল্যায়নৰ মুখ্য উদ্দেশ্য হৈছে শিশুৱে সপ্তাহটোত আহৰণ কৰা দক্ষতাৰ বিষয়ে অৱগত হোৱা আৰু এই দক্ষতাসমূহ আহৰণ কৰিবলৈ সক্ষম নোহোৱা শিশুসকলক চিনাক্ত কৰা।
- সমান্তৰালকৈ শিশুসকলে সততে সন্মুখীন হোৱা আসোঁৱাহবোৰ চিনাক্ত কৰা আৰু সেই আসোঁৱাহবোৰৰ পুনৰ শিক্ষণ কৰা।

## (দিন ৬) সাপ্তাহিক নিদানমূলক/স্বতন্ত্ৰ কাৰ্য (অতিৰিক্ত কাৰ্য)

- এই পদক্ষেপটো প্ৰতি সপ্তাহৰ ষষ্ঠ দিনত কৰা হ'ব। মূল্যায়নৰ পাছত যিসকল শিশু ইপ্সিত লক্ষ্য প্ৰাপ্তিৰ পৰা থমকি ৰৈছে, তেওঁলোকৰ সৈতে পৰিকল্পিতভাৱে ক্ৰিয়া-কলাপ কৰাব লাগিব।
- মূল্যায়নৰ আধাৰত শিশুৰ শিক্ষণ-শিকন বহু কেইটা স্তৰ শিক্ষকে দেখিবলৈ পাব। শিশুৰ দক্ষতা আহৰণৰ ভিত্তিত শিক্ষকে শিশুসকলক দুটা দলত বিভক্ত কৰিব।
- ষষ্ঠ দিনটোত ১ নং দলৰ শিশুসকলৰ লগত নিদামূলক কাৰ্য কৰাব আৰু ২ নং দলক স্বতন্ত্ৰ কাৰ্য দিব। (অতিৰিক্ত কাৰ্য)

### ১ নং দল ঃ নিদানমূলক কাৰ্য/অতিৰিক্ত কাৰ্য

### ২ নং দল ঃ স্বতন্ত্ৰ অনুশীলন

১ নং দল ঃ মূল্যায়নত যিসকল শিশুৱে ৫০% তকৈ কম নম্বৰ পাইছে।
২ নং দল ঃ মূল্যায়নত যিসকল শিশুৱে ৫০% বা তাতকৈ অধিক নম্বৰ পাইছে।
যেতিয়া আপুনি ১ নং দলৰ শিশুৰ লগত ক্ৰিয়া-কলাপ কৰি থাকিব, তেতিয়া শ্ৰেণীৰ ২ নং দলৰ শিশুসকলক তেওঁলোকৰ দক্ষতা অনুযায়ী স্বতন্ত্ৰ পঠন লিখন, কাৰ্যপত্ৰ আৰু পাঠ্যপুথিৰ ক্ৰিয়াকলাপ কৰিবলৈ দিব।

## সাপ্তাহিক মূল্যায়নৰ পাছত শিশুৰ সৈতে কৰোৱা নিদানমূলক কাৰ্য ঃ

### দুটা দলত কৰা কাৰ্য

**দল নং ১**
যিসকল শিশু পাছ পৰি ৰৈছে, তেওঁলোকৰ সৈতে কৰা ক্ৰিয়া-কলাপ

**বৰ্ণ/আখৰ স্তৰৰ ক্ৰিয়া-কলাপ**

- বৰ্ণ/আখৰ কেইটাৰ সৈতে পুনৰ পৰিচিতি কৰাব
- বৰ্ণ/আখৰবোৰক শব্দৰ মাজত বিচাৰি গোল চিন দিবলৈ দিব
- বৰ্ণ/আখৰৰ জালৰ পৰা বৰ্ণ/আখৰৰ চিনাক্ত কৰাব।

**শব্দ স্তৰৰ ক্ৰিয়া-কলাপ**

- বৰ্ণ জালৰ পৰা বিচাৰি উলিওৱাৰ অভ্যাস কৰাব।
- বৰ্ণ/আখৰ লগলগাই পঢ়াৰ অভ্যাস কৰিবলৈ দিব। (শিক্ষকে কৰি দেখুৱাব, তাৰ পাছত শিশুক কৰিবলৈ দিব)
- বৰ্ণ/আখৰ লগ লগাই শব্দ লিখা আৰু পঢ়া ক্ৰিয়া কলাপ কৰিবলৈ দিব।
- শিক্ষকে অলপ সময় লৈ শিশুক নিজেই ক্ৰিয়া-কলাপসমূহ কৰিবলৈ ক'ব পাৰে।
- লিখন অভ্যাসৰ বাবে গৃহকৰ্ম দিব।

**দল নং ২**
যিসকল শিশুৱে ইতিমধ্যে শিকিছে তেওঁলোকৰ সৈতে কৰা ক্ৰিয়া-কলাপ

- বহীত বৰ্ণ/আখৰ লিখিবলৈ দিব আৰু গৃহকৰ্ম কৰিবলৈ দিব।

## সাময়িকী মূল্যায়ন প্ৰক্ৰিয়া

২৫ সপ্তাহৰ শিকনৰ আঁচনিত চাৰিবাৰ সাময়িকী মূল্যায়ন কৰা হ'ব।

### সাময়িকী মূল্যায়ন আৰু দল গঠন

শিশুৱে লাভ কৰা নম্বৰৰ ভিত্তিত ট্ৰেকাৰত শিশুৰ অগ্ৰগতি লিপিবদ্ধ কৰিব লাগিব আৰু দল গঠন কৰিব লাগিব।

# অভিভাৱকৰ ভূমিকা আৰু সহযোগ



অভিভাৱকৰ সৈতে কথা-বতৰা পতা।

শিশুৰ দ্বাৰা শ্ৰেণীকোঠাত কৰা কাৰ্যবোৰ বুজা।

শিশুসকল যাতে অবিৰতভাৱে শিকন প্ৰক্ৰিয়াত জড়িত হ'ব পাৰে তাৰ বাবে শিক্ষকে শ্ৰেণীকোঠাত শিশুসকলৰ লগত কাৰ্য কৰাৰ লগতে অভিভাৱকসকলেও ঘৰত তেওঁলোকক পৰ্য্যাপ্ত সময় দিয়া তথা ব্যৱস্থাগতভাৱে তেওঁলোকৰ লগত কাম কৰাটো অতি প্ৰয়োজনীয়। সেইবাবে শিক্ষকে শিশুসকলৰ অভিভাৱকৰ লগত নিয়মিত ৰূপত কথা বতৰা তথা আলোচনা কৰিব লাগে। বিদ্যালয়ত আয়োজিত অভিভাৱক শিক্ষক সভা বোৰত অভিভাৱকসকলক জনাব যে তেওঁলোকৰ সক্ৰিয়তা আৰু ইতিবাচক অংশগ্ৰহণৰ দ্বাৰা শিশুসকলৰ শিকনৰ পৰ্য্যায় উন্নত হয়।

এই অংশটোত আমি জানিবলৈ চেষ্টা কৰিম যে এজন অভিভাৱকৰ সম্পূৰ্ণ শিক্ষণ-শিকন প্ৰক্ৰিয়াটোত কি ভূমিকা হ'ব পাৰে। শিক্ষকে অভিভাৱকসকলক জনাব যে শিশুসকলৰ শিকন প্ৰক্ৰিয়াত তেওঁলোকৰ ভূমিকা দুটা মুখ্য ভাগত ভগাব পাৰি।

১। **অভিভাৱকৰ সৈতে কথা-বতৰা**

অভিভাৱক সকলক জনাব যে তেওঁলোকে নিজৰ সন্তানৰ অগ্ৰগতিৰ প্ৰতি লক্ষ্য ৰাখিব লাগে যাতে শিশুসকলক প্ৰয়োজন সাপেক্ষে সহায় কৰিব পাৰে। লগতে তেওঁলোকৰ পৰা আশা কৰা হয় যে তেওঁলোকে বিদ্যালয়ৰ শিক্ষকৰ সৈতে নিৰন্তৰ যোগাযোগ বজাই ৰাখে আৰু নিজৰ সন্তানৰ বিষয়ে বাৰ্তালাপ কৰি থাকে। বিদ্যালয়ত জড়িত কাৰ্যবোৰত অভিভাৱকসকলৰ ভূমিকাবোৰ তলত দিয়া ধৰণে দেখুৱাব পাৰি —


- বাৰ্ষিক লক্ষ্য আৰু শিশুজনৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা।
- শিশুসকলৰ বিদ্যালয় আৰু শিক্ষণ-শিকন সন্মুখীন হোৱা অসুবিধাবোৰ বিষয়ে শিক্ষকৰ সৈতে নিয়মিতভাৱে আলোচনা কৰা।
- শিশুজনক ঘৰত শ্ৰেণীকোঠাৰ কাৰ্যবোৰ প্ৰতিদিনে পুনৰাই কৰিবলৈ সহায় কৰা।
- শ্ৰেণীকোঠাত কৰা কাৰ্যবোৰৰ বিষয়ে শিশুজনক সোধা।
- স্বতন্ত্ৰ কাৰ্যবোৰৰ বিষয়ে সোধা।
- শিশুসকলে যাতে আনন্দৰ সৈতে শিকিব পাৰে তাৰ বাবে ঘৰতে অনুকূল পৰিৱেশৰ সৃষ্টি কৰা।
- শিশুসকলৰ স্বাস্থ্যৰ প্ৰতি সচেতন হোৱা আৰু তেওঁলোকক ফুৰা-চকা কৰা, খেলিবলৈ অনুপ্ৰেৰিত কৰা। শিশু সকলক সাধু শুনোৱা।
- সাধুকথা বা কবিতাবোৰৰ বিষয়ে শিশুসকলক সৰু সৰু প্ৰশ্ন কৰা, যেনে- ইয়াৰ বিষয়ে তুমি কি ভাল পোৱা? ইয়াৰ পৰা তুমি কি হ'ব বিচৰা? ইত্যাদি। শিশু সকলকো সাধু শুনাবলৈ উৎসাহিত কৰা।
- শিশুসকলৰ দ্বাৰা চিত্ৰাঙ্কণ কৰা, ৰং কৰা, আটা, মাটি বা কাগজেৰে কিছুমান আকৃতি বা বস্তু প্ৰস্তুত কৰিবলৈ কোৱা।
- নিজৰ পৰিৱেশ, ঘৰৰ প্ৰয়োজনীয় বস্তুবোৰৰ বিষয়ে কথা পতা, যেনে- ক'ৰ পৰা আহে, সেইবোৰ কিহত ব্যৱহাৰ হয়, ইত্যাদি।



২। **শিশুসকলৰ দ্বাৰা শ্ৰেণীকোঠাত কৰা কাৰ্যবোৰ বুজা**

শিক্ষকে অভিভাৱকসকলক তেওঁলোকৰ সন্তানসকলে বিদ্যালয়ত কটোৱা সময় আৰু শিক্ষণ-শিকন অভিজ্ঞতা সমূহৰ বিষয়ে কথা পাতিবলৈ আৰু শ্ৰেণীকোঠাত শিশুৱে কৰা দৈনিক কাৰ্যবোৰ বুজিবলৈ অনুপ্ৰেৰিত কৰিব। এই সম্বন্ধে অভিভাৱকসকলৰ ভূমিকাবোৰ তলত দিয়া ধৰণে দেখুৱাব পাৰি —

- শিশুজনক শিক্ষকে দিয়া নিৰ্দেশনাৰ বিষয়ে সোধা—
- শিশুজনৰ লগত বহি কাৰ্যপত্ৰখন চোৱা।
- যদি শিশুজনে বিদ্যালয়ত স্বতন্ত্ৰ কাৰ্যটো কৰা নাই, তেনেহ'লে সেই কাৰ্যটো ঘৰতে কৰোৱা।
- শিশুসকলৰ বিদ্যালয় আৰু শিকনত সন্মুখীন হোৱা অসুবিধাবোৰ/আসোঁৱাহবোৰ বুজিবলৈ যত্ন কৰা।



# ছপা-সমৃদ্ধ বাতাবৰণ/পৰিৱেশ

পঢ়া-লিখা কৰাৰ আৰম্ভণিতে শিশু সকলে যিমান বেলেগ বেলেগ ধৰণৰ শিক্ষণ-শিকন সামগ্ৰী আৰু ছপা সামগ্ৰীবোৰ ব্যৱহাৰ কৰে সিমানে তেওঁলোকৰ শিকন-শিক্ষণ অতি সহজ আৰু আমোদজনক হয়। শিক্ষণ-শিকন সামগ্ৰী আৰু ছপা হোৱা সামগ্ৰীৰে পৰিপূৰ্ণ শ্ৰেণীকোঠা এটা শিশুৰ পঢ়া-লিখা কৰা, নিজৰ সমনীয়া বা সহপাঠীৰ সৈতে মিলি ক্ৰিয়া-কলাপ কৰা আৰু আসোঁৱাহ দূৰ কৰা আদিত অতি সহায়ক হয়। যাৰ ঘৰত ছপা সামগ্ৰী পৰ্যাপ্ত পৰিমাণে নাই, তেওঁলোকক এনেধৰণৰ শ্ৰেণীৰ পৰিৱেশে শিকনত অধিক সহায় কৰে।


**ছপা-সমৃদ্ধ থকা শ্ৰেণীকোঠাৰ পৰিৱেশৰ পাঁচটা মুখ্য উপাদান থাকে, যেনে-**

## ১। শিকন কোণঃ

শিক্ষাৰ্থীসকলে ব্যৱহাৰ কৰিবলগীয়া পাঠ্যপুথি, কাৰ্যপত্ৰ আৰু ওপৰঞ্চি কিতাপসমূহ সযতনে ৰাখিবলৈ তথা শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰা কথোপকথন চাৰ্টবোৰ সজ্জিত কৰি ৰাখিবলৈ শ্ৰেণীকোঠাত এডোখৰ ঠাই নিৰ্বাচন কৰি লোৱা হয়। এই ঠাইডোখৰক শিকন কোণ বুলি কোৱা হয়। এই শিক্ষণ-শিকন কোণতে পাঠ্যপুথি, কাৰ্যপত্ৰ আৰু ওপৰঞ্চি কিতাপ  তথা কথোপকথন চাৰ্টবোৰ শৃংখলভাৱে স্তৰ অনুযায়ী সজ্জিত কৰি ৰাখিব পাৰি।




## ২। কথোপকথন চাৰ্টঃ



সকলো শিশুৱে দেখাকৈ শ্ৰেণীকোঠাৰ বেৰ আৰু খিৰিকীত কথোপকথন চাৰ্টবোৰ লগাই ৰখা হয়। আনহাতে কথোপকথন চাৰ্টবোৰ সজ্জিত কৰোঁতে মন কৰিবলগীয়া কথাটো হ'ল শিকন কোণৰ বেৰত আঠা লগাই বা ৰচী লগাই থোৱা কথোপকথন চাৰ্টবোৰ সকলো শিক্ষাৰ্থীয়ে দেখা পোৱাকৈ থাকিব লাগে।


## ৩। কবিতা/কাহিনী/গল্পৰ পোষ্টাৰ ঃ




কবিতা/কাহিনী/গল্পৰ পোষ্টাৰসমূহ ৰচীৰে বেৰত ওলোমাই বা আঁৰি থ'ব পাৰি। এই পোষ্টাৰসমূহ শিক্ষাৰ্থী সকলৰ পৰা এনে দূৰত্বত ৰাখিব লাগে যাতে শিক্ষাৰ্থীসকলে সহজে সেইবোৰ দেখা পায় আৰু এইবোৰ চাই এইবোৰৰ দ্বাৰা ক্ৰিয়া-কলাপ কৰিব পাৰে।

## ৪। নামকৰণ ঃ

শ্ৰেণীকোঠাত ৰখা বস্তুবোৰৰ নাম কাগজত লিখি প্ৰত্যেক সামগ্ৰী/বস্তুৰ কাষত নামবোৰ আঠা লগাই ৰাখিব পাৰি। যেনে- দুৱাৰ, খিৰিকী, আলমাৰী ইত্যাদিত শব্দবোৰৰ নাম কাগজত লিখি আঠা লগাব পাৰি।



## ৫। শব্দবেৰ ঃ



বিভিন্ন ধৰণৰ চাৰ্ট, বেৰত লগাব পাৰি। যেনে- মানুহৰ নাম, জন্তুৰ নাম আদি শব্দৰ চাৰ্ট, শিশুৰ নাম, জন্মদিনৰ চাৰ্ট, স্থানীয় শব্দ, কাহিনী/গল্প/কবিতাৰ শব্দ ইত্যাদি।

**টোকা ঃ** সময়ে সময়ে শিক্ষণ-শিকন পৰিকল্পনা অনুসৰি শ্ৰেণীকোঠাত প্ৰদৰ্শিত সামগ্ৰীসমূহ সাল-সলনি কৰি থকাটো উচিত । ইয়াৰ দ্বাৰা শ্ৰেণীকোঠাত নতুনত্ব আহে আৰু শিক্ষাৰ্থীসকলে এই সামগ্ৰী সমূহ ব্যৱহাৰ কৰি স্ব-অভ্যাস কৰাৰ লগতে নতুন কথা শিকিবলৈ যথেষ্ট আগ্ৰহী হয়।

# শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা

শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা হ'ল এক বিশেষ প্ৰকাৰৰ কৌশল তথা এক পদ্ধতি, যাৰ জৰিয়তে শিশুসকলে সক্ৰিয়ভাৱে শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ লগত জড়িত হৈ থাকে। সক্ৰিয় শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা এনে এক ব্যৱস্থাপনা যি ব্যৱস্থাপনাই শিশুৰ শিকনত সহায় কৰে, যেনে- শিক্ষকৰ আচৰণ আৰু শ্ৰেণীকোঠাৰ পৰিৱেশ, শিকিবলগীয়া কথা, শিক্ষণ-শিকন সামগ্ৰীৰ ব্যৱহাৰ, ক্ৰিয়া-কলাপ আৰু শিক্ষণ-শিকন কাৰ্যৰ ধৰণ, সময় ব্যৱস্থাপনা/নিয়োজন আদি।

**সক্ৰিয় শ্ৰেণীকোঠাৰ ব্যৱস্থাপনাৰ মূল দিশসমূহ ঃ-**

### (১) বহাৰ ব্যৱস্থা ঃ






- শ্ৰেণীকোঠাত কৰা ক্ৰিয়া-কলাপ অনুসৰি শ্ৰেণীকোঠাত শিশুসকল বহাৰ ব্যৱস্থা হোৱা উচিত। যেনে- বৃত্তাকাৰে, ইউ আকৃতিত বহা, সৰু-সৰু দল বা গোটত বহা ইত্যাদি।
- শিক্ষণৰ সময়ত শিক্ষাৰ্থী আৰু বোৰ্ডৰ মাজৰ দূৰত্ব কম হোৱা উচিত।

### (২) শিক্ষাৰ্থীক জড়িতকৰণঃ



- শ্ৰেণীকোঠাত শিক্ষণ-শিকনৰ সময়ত শিক্ষকে যেতিয়া শিশু সকলৰ লগত কথা-বতৰা পাতে, সেই সময়ত শিক্ষকে তেওঁলোকৰ ভাৱ-চিন্তাৰ প্ৰতি সজাগ, মনোযোগী আৰু সংবেদনশীল হ'ব লাগে।
- এনেধৰণৰ কথা-বতৰা পতাৰ ক্ষেত্ৰত সকলো শিক্ষাৰ্থীক কথা পাতিবলৈ সুবিধা দিয়ক।
- যিবোৰ শিশুৱে ভয় খায় আৰু সংকোচবোধ কৰে, তেওঁলোকক শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপৰ লগত জড়িত হ'বলৈ অধিক সুবিধা দিব লাগে।





### (৩) সহজ-সৰল অনুকূল বাতাবৰণ/পৰিৱেশ ঃ

- শ্ৰেণীকোঠাত সকলো শিৰ্ক্ষাথীকে নিজৰ নিজৰ মত প্ৰকাশ কৰিবলৈ যথোচিত সুবিধা লাগে।
- শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা সম্পৰ্কীয় নিয়মবোৰ শিশুসকলৰ লগত মিলি আলোচনা কৰিব লাগে।
- শিক্ষণ কাৰ্য চলি থকা সময়ত শিশুসকলৰ লগত সঘনে জড়িত হ'ব লাগে।

### (৪) সময় ব্যৱস্থাপনা/নিয়োজন ঃ



- ফলপ্ৰসূ শিক্ষণৰ বাবে শিক্ষাৰ্থীয়ে "অপেক্ষাকৃত সময়" আৰু "কামৰ সময়" কিমান পায় সেই কথাও শিক্ষকে বুজি ল'ব লাগিব।
- ক্ৰিয়া-কলাপ কৰিবলৈ প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰী সমূহ প্ৰথমে একগোট কৰি ল'ব লাগে।
- শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপবোৰ কৰাৰ আগতে আগতীয়াকৈ পৰিকল্পনা প্ৰস্তুত কৰিব লাগে।
- বহুশ্ৰেণীয় শিক্ষণৰ ক্ষেত্ৰত শিক্ষকে সময়ৰ ভাৰসাম্য ৰক্ষা কৰাৰ ওপৰতো গুৰুত্ব দিয়া উচিত।
- শিক্ষকে কিবা নিৰ্দেশনা কাৰ্য দিব বুলি শিশুৱে বাট চাই থকা সময়খিনিক অপেক্ষাকৃত সময় বুলিব পাৰি।
- যিমান দূৰ সম্ভৱ "অপেক্ষাকৃত সময়" ণ্যূনতম হ'ব লাগে।



# টোকা



প্ৰস্তুতকৰণ
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত